এপ্রল - ২০০০ - ১০.০০ টাকা

# চান্দমামা

Its time for Cream Treat.
BRITANNIA
Cream Treat
ORANGE
BRITANNIA
Cream Treat
ELAICHI
BRITANNIA
Cream Treat
JIM JAM
BRITANNIA
Cream Treat
BOURBON
CHOCOLATE CREAM BISCUITS
BRITANNIA
Eat Healthy, Think Better
Don't ask for cream biscuits, ask for Cream Treat.
BOURBON JIM JAM ORANGE PINEAPPLE ELAICHI MANGO
MANGO JIM JAM PINEAPPLE ORANGE ELAICHI BOURBON

# চান্দমামা

বৰ্ষ ২৩ এপ্ৰিল ২০০০ সংখ্যা ৫

## এই সংখ্যাত আছে

### সাধু

| | |
|---|---|
| প্ৰতিভাবান | পৃষ্ঠা ০৯ |
| এনেকুৱা কি কৰিছে সি | পৃষ্ঠা ১৬ |
| চোৰ পুলিশ খেল | পৃষ্ঠা ১৮ |
| তিন যক্ষ-ছোৱালীৰ তিনিটা বৰ | পৃষ্ঠা ৩৯ |
| কাঠৰ তৰোৱাল | পৃষ্ঠা ৫২ |
| কোনটো সচা | পৃষ্ঠা ৫৫ |
| খেলৰ আনন্দ | পৃষ্ঠা ৩১ |
| **ধাৰাবাহিক** | |
| স্বৰ্ণ সিংহাচন - ৩ | পৃষ্ঠা ১৯ |
| **পুৰনি ধাৰাবাহিক** | |
| মহাভাৰত | পৃষ্ঠা ৪৫ |
| **ঐতিহাসিক ঘটনা** | |
| ভাৰত - গাথা | পৃষ্ঠা ২৬ |
| কাবেৰী নদীৰ পাৰত | পৃষ্ঠা ৩৫ |
| ভাৰত : তেতিয়া আৰু বৰ্তমান | পৃষ্ঠা ৬১ |
| **বিশেষ আলোচনা** | |
| চান্দামামাৰ সংবাদ | পৃষ্ঠা ০৬ |
| এই মাহত জন্ম যাৰ | পৃষ্ঠা ৩০ |
| ভাৰত-অনুসন্ধান প্ৰশ্নবোৰ | পৃষ্ঠা ৬০ |
| বিশ্বৰ বাতায়নত | পৃষ্ঠা ৬৪ |
| ফটো নামকৰণ প্ৰতিযোগিতা | পৃষ্ঠা ৬৬ |

### এ মাহৰ বিশেষ আকৰ্ষণ

তিনি যক্ষ-ছোৱালীৰ তিনিটা বৰ

প্ৰতিভাবান (বেতাল কথা)

কোনটো সচা

প্ৰকাশ কৰা ! পুৰস্কাৰ লোৱা ! চান্দমামা

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, Chandamama Buildings, Vadapalani, Chennai - 600 026. Editor : Viswam

# চান্দমামা

মাৰ্চ ২০০০

## উত্তৰ

১. ৰানী পদ্মিনী আৰু মেবাৰৰ (উদয়পুৰৰ) ৰানা ৰতন সিংহ আক্ৰমনকাৰী : অলাউদ্দীন খিলজী।

২. ক. প্ৰথম খুৰাৰ লৰা

খ. কংশ জৰাসন্ধৰ শ্বশুৰ

গ. বৈমাত্ৰেয় ভাই

ঘ. কৃপাচাৰ্য অশ্বথামাৰ মমায়েক

ঙ. বৈমাত্ৰেয় ভাই

৩. ১. বিষ্ণু শৰ্মায় লিখা পঞ্চতন্ত্ৰ

২. জ্ঞানেৰে লিখা ডাঙৰ কথা য'ৰ পৰা সোমদেবে লিখা কথা সৰিৎ সাগৰ লোৱা হৈছে।

৩. বু দুৰ জাতক কথা

৪. ভাগবত গীতা

৫. বেদ, উপনিষদ, মহাকাব্য (ৰামায়ন আৰু মহাভাৰত) আৰু পুৰন

# সৃজনশীলতাৰ প্ৰকাশ

চান্দমামা পাঠক-পাঠিকা সকলক আমন্ত্ৰন জনোৱা হ'ল তলত লিখা বিষয়ত কল্পনা আৰু বাস্তৱক মিলাই নতুন কিবা কৰিবলৈ

## আলোকচিত্ৰ

### নামকৰন প্ৰতিযোগিতা

১. চিত্ৰ নামকৰন প্ৰতিযোগিতাৰ বাবে উঠি অহা চিত্ৰশিল্পি সকলে দুটা চিত্ৰ পঠাব পাৰে, এটা আনটোৰ লগত মি'ল থাকিব। চিত্ৰদুটাৰ বিষয়ে চিত্ৰশিল্পীৰ নিজা মন্তব্য অবশ্যে থাকিব চিত্ৰ দুটাৰ লগত।

**দুটা চিত্ৰৰ বাবে**
**পুৰস্কাৰ ৫০০ টকা**
**যিকোনো সময়তে চিত্ৰদুটা পঠাব পাৰে।**

২. পাঠক - পাঠিকা সকলে সিঁহতৰ নিজৰ জীৱনৰ কোনো সচা কাহিনী অভিজ্ঞতা বা গল্প ১৫০-১৭৫ শব্দৰ মাজত লিখি পঠাব পাৰে। মনত ৰাখিব লাগিব, ৰচনা বা কাহিনী বেলেগ কোনো সাধু বা কাহিনীৰ লগত মিল নাথাকিব, কিছু ইয়াৰ মূল অৰ্থ হব তলৰ নীতি বাক্যৰ দৰে

বৰ্তমান ৰচনা প্ৰতিযোগিতাৰ বাবে নীতিবাক্য
বাদুলিয়ে কি জানে আদৰে সুৱাদ অথবা,
**দূৰৰ পাহাৰ সদাই ধুনীয়া**
**পুৰস্কাৰ ৫০০ টকা**
**ৰচনা 'চান্দমামা' ৰ ওচৰত পাব লাগিব ৩০ এপ্ৰিল ২০০০ ৰ মাজত পুৰস্কৃত ৰচনা চান্দমামাৰ অহা জুলাই ২০০০ সংখ্যাত প্ৰকাশিত হব।**

সংস্থাপক : চক্রপানি, বি. নাগি ৰেড্ডি

# মাতৃভাষাৰ আৱশ্যকতা

ইউনেসকোয় (ইউনাইটেড নেচনছ এ ভোকেশনেল, সাইনটিফিক এণ্ড কালটাৰেল অৰগেনাইজেচন) ঘোষনা কৰিছে যে ২১ য়ে ফেব্ৰোয়াৰীত, প্ৰতি বছৰত, "মাতৃভাষাৰ দিন" উদযাপন কৰা হয়। এইটো দিনত, ১৯৫২ চনত বহুতো পুৰুষ আৰু মহিলায় ঢাকা আৰু ওচৰৰ ঠাইত জীৱন উৎসৰ্গ কৰিছিল, উৰ্দু ভাষাটো প্ৰচালনৰ বাবে প্ৰতিবাদ কৰিছি। আমি মনত ৰখা উচিত যে ঢাকাটো পুব বাংলাৰ ৰাজধানী আছিল যি পাকিস্তানৰ প্ৰদেশ আছিল আৰু পুব পাকিস্তান নামেৰে জনা গৈছিল। তিতিয়া পাকিস্তানৰ প্ৰধান মন্ত্ৰী নিজমুদ্দিনয়ে, স্থিৰ কৰিছিল যে অকল উৰ্দুটো ৰাজ্যভাষা হব আৰু বঙালী ভাষাটো কাৰ্য্যালয়ত ব্যবহাৰ নহব।

শিক্ষা নিপুন ব্যক্তিআৰু মনতত্ত্ব বিদ সকলে কয় যে এজনৰ মনৰ উন্নতিৰ বাবে মাতৃভাষাৰ জ্ঞানৰ প্ৰয়োজন। আমি আমাৰ পাঠকসকলক অনুৰোধ কৰো যে কেতিয়াও যাতে মাতৃভাষাক ঘৃনা নকৰে আৰু সকলো মা-দেউতাকক অনোৰোধ কৰো যে যাতে সিহতৰ লৰা ছোৱালী বিলাকে যেন মাতৃ-ভাষাৰ এটা শিক্ষা পায়।

ইউনেসকোয় কয় যে মাতৃভাষাক ঘৃনা কৰাৰ পৰিনতি হব বাকী বিশ বছৰত ৬০০ৰ ভাষা লুপ্ত হোৱা। ই তাৰবাবে মানবতা নাই কীয়া হৈ যাব। এনেকুৰা হব নালাগে।



# চান্দমামাৰ সংবাদ

## কানাডায় বাঁট দেখুৱায়

যোৱা সংখ্যাত তোমালোকে জানিব পৰিছা যে এটা ছিগাৰেট ধূমপান কৰিলে এজন মানুহৰ আয়ু ১১ মিনিট কৈ কমে। কানাডায় মত প্ৰখাশ কৰে যে ছিগাৰেটৰ পেকেটত কৰ্কট বেমাৰৰ হাঁওফাও আৰু বেমাৰ থকা মুখখন ছপাবলৈ ছিগৰেট কাৰখানকে বাধ্য কৰাব ধূমপান কাৰী

সকলে ধূমপান কৰিবলৈ ভয় পাব। বেলেগ দেশ বিলাকেও এনেকুৱা কৰিব লাগে। কিন্তু কিয় এতিয়ালৈকে আমাৰ ভিতৰত থকা বন্ধু সকলক নিৰাশ কৰা নাই?

## আৰু এজন উচ্চপদস্ত কমচাৰীয়ে বাঁট দেখুৱায়

সেইটো এটা ৰাতিপুৱা, বেলেগ ৰাতিপুৱাৰ দৰে, মধ্যপ্ৰদেশৰ ৰাজধানী ভূ-পালৰ জয়প্ৰকাশ চিকিৎসালয়ত। সূৰ্য্যৰ পুহৰ চিকিৎসকৰ গাত বেমাৰীৰ গাত দেয়ালত, গাড়ীত আৰু চাৰিসীমাত পৰে।

কিন্তু সেই মানুহ দুজন কোন - এজন পুৰুষ আৰু এজন মহিলা - যোনে জেগটো ঝাড়ু মাৰি আছিল? সিঁহতক সদায় ঝাড়ু মাৰা দেখিবলৈ পোৱা নাযায়।

সিহতে হ'ল শ্ৰী পদ্মবীৰ সিং, বিজ্ঞান সম্বন্দীয় বিদ্যালয়ৰ পৰিচালক (এজন আই এ এস উচ্চপদস্থ কৰ্মচাৰী) আৰু তেঁখেতৰ ঘনীয়েক।

সেই বিজ্ঞান সম্বন্ধীয় বিদ্যালয়ৰ শিক্ষাদাতা, সকলে সিহত দুজনৰ লগত একেলগ হয় আৰু ডক্তৰ উপাধি লয়।

(ইয়াৰ পৰিবৰ্তে, যদি আমি আমাৰ বাবে

আনৰ ওপৰত নিৰ্ভৰ নকৰি আমি আমাৰ বাবে কিমান জমা কৰিব পাৰো।)

আমাৰ ভূমিৰ বাবে যি প্ৰয়োজন সেয়া হ'ল ভালপোৱা অলম নম্ৰতা ইয়াৰ মানুহৰ বাবে শ্ৰী সিংয়ে এই বিষয়ত প্ৰমান দেখুৱাইছে।

## ভাঙৰ উচ্চ শব্দৰ সময়ত ঘুৰি অহা

এখন অতি সৰু দাপোন আমেৰিকাৰ এটা

ৰাষ্ট্ৰীয় পৰীক্ষাগাৰত বনোৱা হয়, আশাতিত ভাবে মনোযোগ আকৰ্ষন কৰে, ইয়াৰ অনুভূতিশীল পদ্ধতিৰ দ্বাৰা, আগৰ গ্ৰহবিলাক এই ভাঙৰ উচ্চ শব্দৰ সহায়ত সৃষ্টি কৰা হৈছিল যিবিলাকে সৌৰজগতৰ উৎসব বিষয়ে ধাৰনা দিব পাৰে।

## আমাৰ পাঠক-পাঠিকা সকলৰ মনত এটা পোহৰ

১৯৯৯ চনৰ ডিচেম্বৰ মাহৰ পৰা ওলাই থকা এইখন হ'ল চান্দমামাৰ পঞ্চম সংখ্যা। আমাৰ কোনো সন্দেহ নাই যে আগৰ চাৰিটা সংখ্যা পঢ়ি তোমালোকে খুচি হৈছা। আৰু তোমালোকে লক্ষ্য কৰা উচিত যে এই আলোচনীখনৰ যোৱা ৫০ বছৰ ধৰি বহুতো নাম আছিল, এতিয়া আলোচনীখনৰ বহুতো পৰিবৰ্তন কৰা হৈছে আৰু বহুতো চিত্ৰ আৰু ব্যাখ্যাৰে আলোচনীখন উলিওৱা হৈছে - আমি এইটো কোৱা নাই যে এইটো সবোতকৈ ভাল কিতাপ। আমি অহা সংখ্যা বিলাক যোৱা সংখ্যা বোৰৰ পৰা উন্নত কৰিবলৈ চেষ্টা কৰিম। আমি যোৱা এশ দিনত পোৱা চিঠিবিলাকে প্ৰমান কৰে যে আলোচনীখনৰ উন্নত অলক্ষিত হোৱা নাই। আমি অনুভব কৰিব পাৰিছো যে আমাৰ আলোচনী খনৰ উন্নত নিৰ্ভৰ কৰিব যদি পাঠক-পাঠিকাসকলে জনায় যে তেঁওলোকে আলোচনীখনত কি অন্তভুক্ত কৰিব বিচাৰে। আমাৰ উদ্দেশ্য সাধনৰ বাবে তোমালোকে কি তোমালোকৰ মনটো নোখোলা? আমি আশা কৰো যে তোমালোকৰ প্ৰত্যেকে তলত দিয়া প্ৰশ্নবিলাকৰ উত্তৰ পটাবা, য'ত চিন দিয়া আছে তাত ফালিবা, আৰু সোনকালে ডাকত পাঠবা। তোমালোকে আমি বনোৱা অনুশীলন বিলাক সহজ পাবা। তোমালোকে নিৰ্দিষ্ট বৰ্গত অকল চীন ✓ মাৰিবা।

I. সংখ্যাটো মোৰ তাত আহিছে ☐ বৰঁ গুনিৰে
মই সংখ্যাটো কিনিছো ☐ বাতৰি কাকত বেচা লৰাৰ পৰা
মই সংখ্যাটো কিনিছো ☐ বাতৰি কাকতৰ দোকানৰ পৰা
মই সংখ্যাটো ধাৰ লইছো ☐ মোৰ এজন বন্ধু /পুঁথি ভভালৰ পৰা

II. মই সমায়/কেতিয়াবা কেতিয়াবা পঢ়ো
☐ মজাৰ সাধু ☐ সাধু কিতাপ ☐ বেলেগ লৰা ছোৱলীৰ আলোচনী .............................. (নামটো লিখা)

III. মই আলোচনী পঢ়ো ইংৰাজী/ তেলেগু /তামিল / মালায়ালম /কানাড়া / হিন্দী / মাৰঠী/ গুজৰাটি / বেংগলী /আসামীজ /উড়িয়া / সংস্কৃত
*(তুমি পছন্দ কৰা ভাষাটোত চীন দিয়া)*

IV. যোৱা চাৰি মাহত, মই পঢ়িছো
☐ ৪ টা সংখ্যা ☐ ৩ টা সংখ্যা
☐ ২ টা সংখ্যা ☐ ১ টা সংখ্যা

Cutout on the dotted line

V. মই তলৰ বিশিষ্ট সংশবোৰৰ গুৰুত্ব দিও.

☐ ধাৰাবাহিক ☐ বহুতো ভূমিৰ পৰা সাধু ☐ পুৰান-শাস্ত্ৰ
☐ বিক্ৰম বেতাল ☐ অসমপূৰ্ন অদ্ভুত কাহিনী
☐ ভাৰতৰ বীৰত্বপূৰ্ন কাহিনী ☐ বেলেগ সাধু ☐ চমক সংবাদ
☐ ভাৰত তেতিয়া আৰু বৰ্তমান ☐ ভাৰতৰ আবিস্কাৰৰ প্ৰশ্নোত্তৰ
☐ সবোতকৈ ভাল ইংৰাজী ফালে ☐ জীবন-বৃত্তান্ত সম্বন্ধীয় ☐ নদীৰ সাধু
☐ অজিৰ পৃথিবী ☐ বিমোৰ হুৱা/বিৰোধ ☐ বলা আমি জানো

*(তোমলোকে বেছি পছন্দ কৰা বিলাক এটাৰ পিছত এটাকৈ ১ ৰ পৰা ১৬ লৈকে চীন দিয়া)*

VI. মই চান্দমামাত তলৰ সংশাবিলাক অনুৰ্ভুক্ত কৰিব বিচাৰো : (আগৰ ক্ৰম অনুসাৰে)

i. ........................................ iv. ........................................
ii. ........................................ v. ........................................
iii. ........................................ vi. ........................................

VII. মই আলোচনীৰ ওপৰত থকা চিত্ৰটো এনেধৰনে বিচাৰো :

☐ আচৰিত ঘটনাৰ পৰা এটা পৰ্যায় ক্ৰমত ☐ পুৰান শাস্ত্ৰৰ পৰা দৃশ্য
☐ যিকোনো বেলেগ সাধুৰ কামৰ পৰী

VIII. মই অনুভব কৰো যে এখন আলেচনীৰ দাম ১০ টকা ☐ বৰ বেচি
☐ ধিকই ☐ কম কৰিব লাগে (সস্তা দামৰ পাত ব্যৱহাৰ কৰি)

IX. i) মই এজন গ্ৰাহক ii) মই এজন গ্ৰাহক বিচাৰো

নাম........................................................................ বয়স ............
শ্ৰেনী ........... বিদ্যালয় ........................................................................
ঠিকনা ........................................................................
........................................................................
................................ পিন ........................ ৰাজ্য ................

iii) মই বিদ্যালয়ত যাও ☐ মোৰ মঠৰ চাইকেলেৰে ☐ বিদ্যালয়ত বাছেৰে
☐ চিটি বাছেৰে ☐ মোৰ মা-দেউতাকৰ গাড়ীৰে

iv) মই নিজৰ খৰচৰ বাবে পাও ☐ ১০০ টকৰো কম ☐ ১০০ টকাতকৈ বেছি

## বেতাল কথা

# প্ৰতিভাবান

দৃঢ়ব্ৰতী ৰাজা বিক্ৰম আকৌ উভতি আহি গছৰ ঠাৰিৰ পৰা মৃত দেহাটো নমাই নিজৰ কাঁন্ধত ৰাকি আৰম্ভ কৰে ভয়াবহ শ্মশানত তেঁখেতৰ নিৰ্ভয় যাত্ৰা। তেতিয়া মৃত দেহাটো লৈ থকা বেতাল সুযোগ পাই কলে, “ৰাজন অদম্য আপোনাৰ সাহস আৰু সংকল্প, কাম কৰাৰ অদ্ভুত শক্তিআপোনাৰ। সৰ্বোচ্চ লক্ষ্য পাবলৈ যি ধৈয্য আৰু সামথ্য সেয়া আপোনাৰ আছে। আপোনাৰ নিচিনা দ্বিতীয় কাৰোবাক পোৱা নাযাব এই পৃথিবীত। কিন্তু আপেনাৰ শক্তি সামৰ্থ্যৰ ব্যৱহাৰক মোৰ নিৰৰ্থক বুলি যেন লাগিছে। যি উদ্দেশ্যসাধনৰ বাবে মাজৰাতিত

এই শ্মশানত বৰ পৰিশ্ৰম কৰি আছে, সেই সম্বন্ধত কি আপোনাৰ স্পষ্ট ধাৰনা আছে? যদি না থাকে, তেতিয়া হলে আপোনাৰ সকলো চেষ্টাই ব্যৰ্থ আৰু কুন্তল ৰায়ৰ দৰে সকলো পাইও শেষত সকলো হেৰাব। আপোনাক সচেতন কৰিবলৈ মই তেঁখেতৰ কাহিনী কবলৈ ধৰিছো। ইয়াত আপোনাৰ পৰিশ্ৰম কমিব। শোনা, "বেতাল তেঁকেতৰ কাহিনী আৰম্ভ কৰে।

বাসৱপুৰত কুন্তল ৰায় নামেৰে এজন কবি আছিল। বহুতো কাব্য গ্ৰন্থৰ লেখক। তেঁখেতৰ কাব্যৰচনাৰ মাজত এজন মহাকবিৰ সকলো বৈশিষ্টাই প্ৰকাশ পাইছিল। কিন্তু মহাকবি হিচাবে যশ আৰু খ্যাতিৰ ওপৰত তেঁখেতৰ অলপো আকৰ্ষন নাছিল। তেঁখেতৰ একমাত্ৰ বাসনা, তেঁখেতৰ কাব্য বহুতো পাঠকে পাঠ কৰিব আৰু তাৰ পৰা উৎসাহ প্ৰেৰনা লাভ কৰি সমাজ, দেশৰ বাবে কিবা কৰিব। কিন্তু তেনেকুৱা একোৱেই হোৱা নাই। তেখেঁতৰ কাব্য প্ৰতিভা সাধাৰন মানুহৰ ওচৰত অজ্ঞাত হৈ ৰৈ যায়।

"সাধাৰন মানুহৰ মাজত আপোনাৰ লিখা কাব্য গৈ পোৱাৰ বাবে প্ৰচাৰৰ প্ৰয়োজন। ইয়াৰ বাবে প্ৰয়োজন আপোনি এনেকুৱা এজন ধনীৰ মানুহৰ সাহায্য লোৱা যোনে সাহিত্য ভালপায়। তেঁওৰ সহায়তাত এঠা ভাঙৰ সাহিত্য সম্মিলনৰ আয়োজন কৰা যত সৰকাৰৰ দ্বাৰা আপোনাক সন্মান জনোৱা হব। আপোনাৰ কাব্যৰ সমালোচনা কৰি তাৰ শ্ৰেষ্ঠত্বৰ কথা কব। সংবাদত আপোনাৰ চিত্ৰৰ লগত পুৰস্কাৰ পোৱাৰ কথা টোও থাকিব। তেতিয়াহলেই জনসাধাৰনৰ মাজত আপোনাৰ সাহিত্য প্ৰতিভা সম্পৰ্কে প্ৰশ্ন উঠিব।"

কুন্তল ৰায়ৰ এজন শুভাৰ্থীয়ে পৰামৰ্শ দিয়ে।

কিন্তু কুন্তলৰ চিন্তাধৰা বেলেগ। তেঁখেতে কলে, "প্ৰচাৰ বাদেই মোৰ কাব্যৰ শ্ৰেষ্ঠত্ব মানুহে গম পাব, ইয়াতেই মোৰ সান্ত্বনা। শ্ৰেষ্ঠ কাব্যৰ খ্যাতি সূৰ্যৰ পোহৰৰ দৰে চাৰিওফালে বিয়পি পড়াটো চাও। আপোনাৰ পৰামৰ্শ মোৰ এই সিদ্ধান্তৰ বিৰুদ্ধত।"

দেশৰ ৰজা দেশবৰ্মা গোটেই দেশত ঘোষ না কৰে যে নিজে মহাকবি হোৱা সত্বেও বেলেগ কোনো প্ৰতিভাময় কৱিৰ লগত একেলগে এটা মহাকাব্য ৰচনা কৰিব বিচাৰে। মহাকাব্য ৰচনাত তেঁখেতৰ লগৰীয়া কবিক ৰাষ্ট্ৰীয় সন্মান দিয়া হব আৰু উপযুক্তপদ দিয়া হব।

কুন্তল ৰায়ৰ প্ৰিয় বন্ধু, এই ঘোষনা শুনি

বন্ধুক কলে, "আপোনাৰ বাবে এটা সুবর্ন সুযোগ এইটো। যি কোনো কবি বা শিল্পীৰ বাবে শ্রেষ্ঠতা অর্জনৰ বাবে ৰজাৰ আশ্রয় অনিবার্য। এই সুযোগক বাদ নিদিব, ৰাজধানী যোৱাৰ বাবে সোনকালে আপোনাৰ যোৱা প্রয়োজন।"

বন্ধুৰ উৎসাহ আৰু প্রেৰনাত কুন্তল ৰায় ৰাজধানীত গৈ ৰজাৰ লগত লগ কৰে। ৰজা তেঁখেতৰ নিজৰ লিখা অলপ কুন্তল ৰায়ক দিয়ে আৰু কুন্তলৰ অলপ লিখা নিজৰ ওচৰত ৰাখি কলে, "আপোনাৰ ৰচনা পাঠ কৰি চাম আৰু আপোনিও মোৰ কবিতাবিলাক পাঠ কৰি আপোনাৰ মতামত মোক জনাব। আমি আকৌ এক সপ্তাহৰ পিছত লগ হ'ম।"

ৰজা অতিথিশালাত কবি কুন্তল ৰায়ৰ থকাৰ ব্যৱস্থা হয়। সেই আলহীভৱনত আৰো কিছুমান কবি আহি আছে কাব্যৰচনাত ৰজাৰ সহযোগী হোৱাৰ প্রত্যাশাত। ৰজাৰ লিখা কাব্য পাঠ কুন্তল ৰায় এদিনতেই শেষ কৰে। তাৰ পাছত তেঁখেতে বেলেগ কবিসকলৰ লগত আলোচনা কৰি তেঁখেতৰ কাব্য প্রতিভা যাচাই কৰি থাকে।

বেলেগ কবিসকলৰ লগত কথা কোৱাৰ পাছত কুন্তল ৰায় সিঁহতক কলে, "আপোনালোকৰ, সকলোৰে লিখা কবিতাৰ অন্তর্নিহিত ভাব আৰু জ্ঞান অপূর্ব। কিন্তু ভাবৰ অনুকূল ভাষা আৰু ৰচনাশৈলী উন্নত নহয়, ব্যঞ্জনা আৰু চমৎকাৰিত্বৰ অভাব। কাব্যৰ ভাবই হ'ল তেঁখেতৰ আত্মা, তেঁখেতৰ অনুৰূপ সৌন্দর্য ভাষা আৰু ছন্দত নাথাকিলে কবিতা প্রান নাপায়, জীৱন্ত হৈ নোঠে।

ৰজাৰ প্রভাব আপোনালোকে নাপাব।

যোগ্যতা অর্জন কৰিবলৈ হলে গুৰুৰ ছত্রছায়াত থাকি আৰো অলপদিন কাব্যসাধনা কৰিব লাগিব।"

কুন্তল ৰায়ৰ বক্তব্যত নিজৰ দুর্বলতা সম্পর্কে জানিও বেলেগ কবি সকলে আশ্চর্য নহয়, সিঁহতৰ দুঃখ নহয়। কাৰন সিঁহতৰ দুর্বলতা সম্বন্ধে সিঁহতে আগতেই জানিছিল। সিঁহতৰ কাব্য বিষয়ে কুন্তল ৰায়ৰ সূক্ষ্ম সমালোচনা সিঁহতৰ ভাল লাগে, প্রভাবিত হয় সিঁহতে। সিঁহতৰ মাজত এজন কবি তেঁখেতক কলে, "আপোনাৰ লিখা অনুযায়ী মহা কবিৰ সকলো গুনাবলী আমাৰ গুৰুদেবৰ আছে। কিন্তু তেঁখেতে স্বয়ং অহা নাই, অমাক ইয়াত পঠাইছে।"

"কিমান ভাল হ'ল হয় যদি তেঁখেতে স্বয়ং ইয়াত উপস্থিত হ'ল হয়। ৰজা কোনো

প্ৰতিভাবান মহাকবিৰ লগত একেলগে মহাকাব্য ৰচনা কৰিব বিচাৰে। আপোনা- লোকৰ গুৰুদেবৰ দৰে মহাকৱিৰ বাবেই তেঁখেতৰ প্ৰতীক্ষা।" কুন্তল ৰায় বিস্মিত হয়, স্বয়ং নাহি গুৰুদেব কিয় অযোগ্য শিষ্যসকলক পঠাই দিছে।

"ৰজাৰ এইটো এটা ঘোষনামাত্ৰ। ইয়াৰ মাজত আছে বেলেগ ৰহস্য। ৰহস্য সম্বন্ধে অনুমান কৰিই আমাৰ গুৰুদেব অহা নাই। এনে লাগিছে যেন, ৰজাৰ বিষয়ে আপোনি একোৱে নাজানে।" এজন কবিয়ে কলে।

কবিসকলে ৰজাৰ বিষয়ে অলপ অলপ কৈ বহুতো কথা কলে যি কুন্তল ৰায় অলপো নাজানে, যি শুনি ৰজাৰ ওপৰত তেঁখেতৰ শ্ৰদ্ধা ভালপোৱাত আঘাত লাগে। সিঁহতে কলে, ৰজা দেশবৰ্মা উচ্চকোটিৰ কবি নহয়, কিন্তু মহাকবি হিচাবে খ্যাতি লাভ কৰাৰ আশা খুব বেচি।

ছাত্ৰজীৱনত দেশবৰ্মা বৰ পৰিশ্ৰমী আছিল, কিন্তু সহজাত প্ৰতিভা নাছিল। বৰ পৰিশ্ৰম আৰু প্ৰচেষ্টাত সেই সময়ত কোনো কোনো বিষয়ত তেঁখেতে কমবেচি দক্ষতা অৰ্জন কৰিছে। যুৱৰাজ হোৱাৰ ফলত সেই অকনমান দক্ষতাত বৰ প্ৰশংসা আৰু উৎসাহ পাইছে - ফলত তেঁখেতৰ ধাৰ না হৈছে যে কাব্যত তেঁখেতৰ অসাধাৰন প্ৰতিভা আৰু দক্ষতা আছে। কিন্তু যেতিয়া সাহিত্য গোষ্ঠিৰ বেলেগ কোনোবা মহান কবিৰ লগত লগ পাইছে, তেতিয়া বুজি পাইছে তেঁখেতৰ সাহিত্য জ্ঞান কিমান সীমিত। এজন মহাকবিৰ লগত তেঁখেতৰ কিমানখিনি পাৰ্থক্য সেয়াও বুজি পায়। তেতিয়াৰ পৰা মহান শিল্পী, মহাকবি আৰু প্ৰতিভাবান মানুহসকলৰ আগত নিজক অসহায় হীন বুলি ভাবে, উদাস আৰু চিন্তিত হৈ পড়ে।

ৰাজসিংহাচনত বহাৰ পাছত মহামন্ত্ৰী তেঁখেতক পৰামৰ্শ দিয়ে সেই চিন্তাৰ পৰা কেনেকৈ মুক্ত হব পাৰি। মন্ত্ৰীয়ে কলে, "ৰাজ্যত এতিয়া সান্তি বিৰাজ কৰিছে, কোনো অশান্তি বা সমস্যা নাই। কোনো প্ৰতিভাবান যোগ্য আৰু বিশেষ প্ৰতিপত্তি শালী মানুহ সকলক কোনো উচ্চপদত বহাবলৈ কোনো প্ৰয়োজন নাই, তাৰ বাদে অলপ বুদ্ধি যাৰ তেনেকুৱা মানুহক আপোনাৰ অধীনত নিযুক্ত কৰক। ইয়াৰ ফলত আপোনাৰ নিজৰ আত্মবিশ্বাস জাগিব আৰু অচহায় বা হীন ভাবনা দূৰ হব। আৰো প্ৰতিভাবান সকলৰ বাবে আপোনি এটা আবাসস্থল বনাক। তাত

সিহতে আহি থাকিব। সিঁহতৰ ভাল মাসহাৰা, সকলো ধৰ নৰ সুখসুবিধা আৰামৰ ব্যৱস্থা থাকিব । বিশেষ পৰিস্থিতিত সিঁহতৰ পৰা পৰামৰ্শ লব। তেতিয়া হলে সিঁহতৰ প্ৰতিবাষ চিন্তা বুদ্ধিক আপোনি ৰাজকাৰ্যত লগাব পাৰিব, আনফালে ৰাজ্যৰ দৈনন্দিন কাৰ্য্যত সিঁহতৰ হস্তক্ষেপ কৰাৰ ক্ষমতা নাথাকে কাৰন ৰাজকৰ্মচাৰী হিচাবে তেঁখেতৰ নিযুক্তি হোৱা নাই।”

মহামন্ত্ৰীৰ পৰামৰ্শত ৰজা এটি আৱাসস্থল বনোৱায় । প্ৰতিভাবান যোগ্য শিল্পী আৰু কবিসকলে তাত আশ্ৰয় লয়। কোনো পৰিশ্ৰম বা কষ্ঠ নকৰি আৰামত নিশ্চিন্তত জীৱন কটায়। যোনে আশ্ৰয় লৈছে সিঁহতৰ মাজত বহুতো প্ৰতিভাবান থকা সত্বেও প্ৰজাসকলে ধৰি লয় সিঁহতে সিঁহতৰ প্ৰতিভাৰ বিনিময়ত কোনো লাভ কৰিব পৰা নাই, অৰ্জন হোৱা নাই । তাৰবাবে প্ৰজাসকলৰ মাজত কোনো শ্ৰদ্ধা, ভালপোৱাৰ ভাব আশ্ৰয়প্ৰাপ্ত সকলৰ বাবে নাই। কিন্তু আশ্ৰয় প্ৰাৰ্থী সকলে আশ্ৰয় পোৱাৰ বাবে ৰজাৰ বৰ প্ৰশংসা কৰি থাকে।

এজন বুদ্ধি নথকা মানুহক ৰজা নতুন মন্ত্ৰী কৰে, এজন অযোগ্য সেনাপতিক সৰ্বাধিনায়কৰ পদ দিয়ে যাৰ যুদ্ধ কৌশল সম্পৰ্কে অভিজ্ঞতা বৰ কম।

এইবোৰ জনাৰ পাছত কুন্তল ৰায় আবাসস্থলত গৈ তাত আশ্ৰয়প্ৰাপ্ত প্ৰতিভাবান মানুহৰ লগত লগ কৰে, সিঁহতৰ গভীৰ পাণ্ডিত্যত মুগ্ধ হয়। সিঁহতৰ ওচৰত নিজৰ লিখা কাব্য দেখি আশ্চৰ্য হৈ যায়। জানিবলৈ পাৰে, ৰজা সেই কাব্য সম্বন্ধে সিঁহতৰ মতামত জনাৰ বাবে দিছে। সকলোৱে তেঁখেতৰ সেই কাব্য পাঠ কৰি সহমত প্ৰকাশ কৰিছে যে সেইটো এটা শ্ৰেষ্ঠ কাব্যৰ নিদৰ্শন । সেই কাব্যৰ ৰচয়িতাক সিঁহতৰ আগত দেখি সিঁহত সকলোৱে বৰ প্ৰসন্ন হয়, আনন্দ প্ৰকাশ কৰে তেঁখেতৰ উপস্থিতিত।

সকলো প্ৰতিভাবান কবি সাহিতিংকৰ



প্ৰশংসা কৰি কুন্তল ৰায়ে সিঁহতৰ আগত জানিব বিচাৰে, সিঁহতে ইমান যোগ্য আৰু প্ৰতিভাবান হৈ ও কিয় এনেকুৱা অজ্ঞাত জীৱন কটাই আছে। কিয় সিঁহতে ৰজাৰ আশ্ৰয়ত আবাসনৰ চাৰি দেওৱালৰ মাজত বন্ধ হৈ আছে, দেশৰ প্ৰজা সিঁহতৰ প্ৰতিভা সম্বন্ধে জানিব পৰা নাই, উপকাৰও পোৱা নাই।

ইয়াৰ উত্তৰত মহাকবি আৰু পণ্ডিত সকলে প্ৰথম কাৰন সম্পৰ্কে কলে যে, তাত অকল পণ্ডিত, বিদ্বান, সহিত্যিক আৰু শিল্পীসকলৰ এটা মিলনক্ষেত্ৰ হৈ উঠিছে. যাৰ ফলত সকলোৱে সকলৰ লগত মিলিব আৰু মতৰ বিনিময় কৰিব পাৰে। দ্বিতীয় কাৰন, সিঁহতৰ সিঁহতৰ প্ৰতিভা, পাণ্ডিত্য সম্পৰ্কে জানিব পাৰে, বুজিব পাৰে, খ্যাতিৰ প্ৰতি সিঁহতৰ কোনো আকৰ্ষন নাই। সিঁহতে সন্তুষ্ট আৰু তৃপ্ত যে, সিঁহতৰ পৰামৰ্শ আৰু মন্ত্ৰনা ৰজা আৰু প্ৰজা সকলোৰে মঙ্গল কৰি চলিছে। ইয়াৰ বাহিৰে, সকলো প্ৰকাৰ সুখ-সুবিধা তাত পোৱা গৈ আছে।

ৰজাৰ সম্পৰ্কে ইমানখিনি জনাৰ পাছতও কুন্তল ৰায় নিধাৰিত দিনত ৰাজপ্ৰাসাদত গৈ ৰজাৰ লগত সাক্ষাৎ কৰি ৰজাৰ ৰচনা বিষয়ে কলে, "আপোনাৰ কাব্যৰ ভাষা প্ৰাঞ্জল, ব্যঞ্জনাপূৰ্ন কিন্তু ভাৱৰ মাজত কোনো গভীৰতা নাই, নতুনত্বও নাই। সেইকাৰনে ইয়াক উচ্চকোটিৰ কাব্য বুলিব নোৱাৰি।"

কুন্তল ৰায়ৰ স্পষ্ট উত্তৰ ৰজাক খুচি নকৰে। ৰজা আৰু কুন্তলৰ ৰচনাৰ ভূয়সী প্ৰশংসা কৰি কলে যে, সেইখন নিঃসন্দেহে উচ্চকোটিৰ কাব্য এখন। তেনেধৰ নৰ প্ৰতিভাবান সকলৰ তেঁখেতৰ শৰনালয় সদায় স্বাগত জনাই আছে। তাৰ বাহিৰে কুন্তল ৰায়ক এখন ৰত্নহাৰ উপহাৰ দিয়ে।

শৰনালয়ত থকাৰ ৰজাৰ যি প্ৰস্তাৱ কুন্তল ৰায়ে তাত সম্মতি নজনায়। কাৰন, সেই সময়ৰ মাজত জনিবলৈ পায় যে, চাৰিজন অযোগ্য কবিৰ সহায়তাত কাব্যৰচনাৰ সিদ্ধান্ত ৰজা আগতেই গ্ৰহন কৰিছে। ৰজাৰ শৰনত থাকি আৱাসলয়ত সুখ সুবিধাৰ মাজত থাকিবলৈ তেঁখেতৰ মনে নিবিচাৰে। ৰজাৰ ওচৰৰ পৰা বিদায় লৈ কুন্তল ৰায় নিজৰ বাসৰ পুৰত উভতি আহে।

বেতাল তেঁখেতৰ কাহিনী সমাপ্ত কৰি কলে, "ৰাজন, কুন্তল ৰায়ে যি সুযোগ পাইছিলে সেয়া তেঁখেতে জানি বুজি হেৰায়। ৰজাৰ আশ্ৰয়ত তেঁখেতৰ শৰনালয়ত থাকিলে প্ৰতিভাবান পণ্ডিত সকলৰ লগত থাকিবলৈ

সুযোগ পালে হয়। এয়া কি তেঁখেতৰ বুদ্ধিহীনৰ কাম নহয়। ইয়াৰ উত্তৰ জনা সত্ত্বেও যদি আপোনি মনে মনে থাকা তেতিয়াহলে আপোনাৰ মূৰ ফাটি চৌচিৰ হৈ যাব।

ৰজা বিক্ৰম উত্তৰত কলে, “কুন্তল ৰায়ে অকল এজন অসাধাৰন প্ৰতিভাবান কবিয়েই নাছিল, তেঁখেতৰ চিন্তা বিচাৰ আছিল মহান, উদাৰ। তেঁখেতৰ আছিল সঠিক সিদ্ধান্ত গ্ৰহন কৰাৰ দৰে শক্তি। জনপ্ৰিয়তাৰ লোভ তেঁখেতৰ নাছিল, মহাকবি হোৱাৰ আকাংখাও নাছিল। টকা পইচা আৰু সুখৰ আশ্ৰয়ৰ পৰিবৰ্তে প্ৰতিভাৰ বিনাশ বা ভয়ত সত্যক প্ৰকাশ নকৰি সুখ-সুবিধা পোৱাৰ লোভত অসত্য মিছা প্ৰশংসাক তেঁখেতে প্ৰশ্ৰয় দিয়া নাছিল। শৰনালয়ত যোনে আছিল সিঁহতে জ্ঞানী আৰু প্ৰতিভাবান হলেও সিঁহতৰ জীৱনত কোনো মহান আদৰ্শ নাছিল। সিঁহতৰ প্ৰতিভাৰ.মাজত কোনো প্ৰয়োজন সিদ্ধ কৰিব বিচৰা নাই। ৰজাৰ আশ্ৰয়ত থাকি সুখসুবিধাৰ ভোগেই আছিল সিঁহতৰ লক্ষ্য এনেধৰনৰ মানুহে স্বাৰ্থৰ ভয়ত সচাটোক কেতিয়াও ব্যক্ত কৰিব নোৱাৰিছিল। যেতিয়া কুন্তল ৰায়ে নিৰ্ভয়ত নিঃসংকোচত ৰজাৰ আগতেই তেঁখেতৰ কাব্যৰ ভুলবোৰ কব পাৰিলে, তেতিয়াই স্পষ্ট হৈ ওঠে যে সত্য প্ৰকাশৰ পৰিনামক তেঁখেতে অলপাও ভয় নাপায়।

“অতিথিশালাত আশ্ৰয়প্ৰাপ্ত কবিসকলৰ লগত ৰজাৰ সম্বন্ধে আলোচনাকালত যেতিয়া জানিবলৈ পায় ৰজা অকল নিজৰ মিছা প্ৰশংসা আদায়ৰ বাবে শৰনালয়ত আশ্ৰয় দিয়ে তেতিয়াই কুন্তল বুজি পায়, ৰজাৰ ওচৰত তেঁখেতৰ একোৱেই উপকাৰ নহব।”

তেঁখেতে বিচাৰি ছিলে কবি হিচাবে মানুহে তেঁখেতৰ প্ৰতিভা, জ্ঞান আৰু কাব্যৰ ওপৰত অধিকাৰ সম্পৰ্কে জানিবলৈ পাওক, তেঁখেতে জনগনৰ কবি হৈ উঠক, তেঁখেতৰ কাব্যক সকলোৱে জীৱনৰ শান্তি নামি আহিব।

“ৰাজসভাত থাকি ৰজাৰ তোষামোদ কৰিব নিবিচাৰে। তাৰবাবে আশ্ৰয়ক অস্বীকাৰ কৰি কুন্তল ৰায় এটা গভীৰ চিন্তাশীল ব্যক্তি হিচাবে নিজৰ পৰিচয় দিয়ে।”

ৰজাৰ মৌনতা ভঙ্গত সফল হৈ বেতাল সেই সময়ত মৃত দেহা লৈ গৈ গছৰ ঠাৰিত আশ্ৰয় লয়। (কল্পিত)

# কি এনেকুৱা কৰিছে সি?

গাঁওৰ শিব মন্দিৰৰ যি ষাড়, বৰ গৰ্ব ইয়াৰ। মন্দিৰৰ কাষেদি যোনে যাব সিঁহতৰ ফালে দৌড়ি যাবলৈ বৰ ভাল পায় ষাড়টোৱে অবশ্যে কাৰোবাক আক্ৰমন বা ক্ষতি কৰা নাই কেতিয়াও। ইয়াৰ ভয়ত, যোনে দৌড়াব নোৱাৰে, বাঁটৰ কাষত ঝোপঝাড়ত পলায় বা ধূলিৰ মাজত লুটিখাই পলায়।

গাঁওৰ জমিদাৰৰ পুত্ৰ শিবশংকৰ কেইমাইল মান দূৰত তাৰ মামাৰ ঘৰত থাকে, কাৰন তাত এখন ভাল প্ৰাথমিক বিদ্যালয় আছে। সি তাৰ নিজৰ ঘৰত আহিছে কেইদিনমানৰ বাবে। লগৰ বন্ধুসকলৰ লগত শিৱমন্দিৰৰ ওচৰত এটি নদীৰ কাষত খেলি আছিল।

ষাঁড়টোৰ ওচৰেদি যোৱাৰ সময়ত হঠাৎ সেইটো বিনা কাৰনত আক্ৰমন কৰাত শিৱশংকৰৰ অপমান বুলি যেন লাগে। ভাগ্য যে, তাৰ বন্ধুসকলে সেয়া দেখা পোৱা নাই। বন্ধু সকলে তাক সাৱধান কৰি দিছিল, "সেই ষাঁড়টো বৰ উদ্ধত। সেইটো শিৱৰ ষাড়, তাৰবাবে কোনেও ইটোক নামাৰে।"

এজন ভিখাৰী ষাঁড়টোৰ কাষেৰে গৈ আছিল। লৰাসকলে ভাবে, নিশ্চয়ই তেঁওৰ পিন্ধা বস্ত্ৰ, কাঁন্ধ ভিক্ষাৰ থলি দেখি ষাঁড়টোৱে ক্ষিপ্ত হৈ আক্ৰমন কৰিব, আৰু ভিখাৰীজনেও দৌড়াবলৈ নোৱাৰিব, বৰ এটা মজা দেখিবলৈ পোৱা যাব।

লৰাৰ দলটো এপেক্ষা কৰি আছে। জমিদাৰৰ লৰা আগবাঢ়ি যায় ষাঁড়টোৰ ওচৰত; দেখাবলৈ বিচাৰে যে সি আনৰ তুলনাত ভিন্ন আৰু বৰ সাহসী। তাৰ লগত, সন্মুখ পৰা ভিখাৰীৰ দুৰ্দশা চোৱা। অবশ্যে এনেদৰে ষাঁড়টোৰ বৰ ওচৰত পিছফালত আগবাঢ়ি যায় যে তাক দেখিবলৈ নাপায়।

ষাঁড়টোৰ স্বভাবচৰিত্ৰ ভিখাৰীটো ভালদৰে জানে। গতি কমাই তেঁও গৈ থাকে

আৰু উচ্চাৰন কৰে মন্ত্ৰৰ দৰে, "শিৱশংকৰ, শিৱশংকৰ"। যি কাৰনেই হওক, মন্দিৰত প্ৰতিষ্ঠিত বিগ্ৰহৰ নাম ভক্তিৰ লগত উচ্চাৰিত হৈ আছে শুনিলেই ষাঁড়টোৰ শান্ত হৈ যায়, প্ৰসন্ন হয়। ভিখাৰীজন তাৰ বাবে অতি সহজে ষাঁড়টোৰ ওচৰেদি গুচি যায় খোঁজ কাঢ়ি।

ষাঁড়টোৰ ওচৰত থকাৰ ফলত জমিদাৰপুত্ৰ ভিখাৰীৰ উচ্চাৰিত শব্দ শুনিবলৈ পাই দুটা কাৰনত উৎফুল্ল হৈ ওঠে। প্ৰথম, ষাঁড়টোক শান্ত ৰখাৰ ৰহস্যমন্ত্ৰ জানিবলৈ পাৰিছে; দ্বিতীয়, তাৰ নিজৰ নামও শিৱশংকৰ।

"ভিখাৰীটো সঁচাকৈ সাহসী," লৰাবোৰে কলে।

শিৱশংকৰ হাততালি মাৰি মাৰি বন্ধুসকলৰ ওচৰত আহি কলে, "মইও ষাঁড়টোৰ ওচৰেদি যাম, ষাঁড়টোৱে মোক একো নকৰে।"

"খবৰদাৰ, এনেকুৱা কৰিবলৈ নাযাবা," বন্ধুসকলে সতৰ্ক কৰি কলে।

কিন্তু শিবশংকৰ নিশ্চিত যে ষাঁড়টোক নিয়ন্ত্ৰন কৰাৰ ৰহস্য সি জানে। আগবাঢ়ি যায় ষাড়টোৰ ওচৰত আৰু উচ্চাৰন কৰি থাকে, "মই স্বয়ং মই স্বয়ং, মই স্বয়ং।" কাৰন তাৰ নিজৰ নাম শিৱশংকৰ।

ষাঁড়টোৱে আক্ৰমন কৰিলে এনেদৰে যে আগত দেখিবলৈ পোৱা নাযায়। প্ৰান বঁচাবৰ বাবে শিবশংকৰ দৌড়ি পলায়, কিন্তু পড়ি যায় পাথৰৰ ওপৰত, বাগৰি পৰে ঝোপৰ মাজত।

ভিখাৰী বৰ বেচি দূৰত যোৱা নাই তেতিয়া। সি দৌড়ি আহি ঝোপৰ ভিতৰৰ পৰা শিৱশংকৰক টানি তোলে। শিৱশংকৰৰ বন্ধুসকলে আহে।

শিবশংকৰৰ দুয়ো চকুৰে পানি আহে। হতভম্ব হৈ যায় সি। কি এনেকুৱা সি কৰিছে।



# চোৰ - পুলিচৰ খেলা

গোকুল আৰু গোপাল দুয়োজনে এ কেই গাঁওত থাকে। নিজৰ নিজৰ কামত এদিনাখন কাষৰ গাঁওত যায়। অহাৰ সময়ত দুয়োজনে একেলগে আহি আছিল।

নিজৰ অহংকাৰ প্ৰকাশ কৰা আছিল গোপালৰ স্বভাৱ। নিজৰ ঘোৰ অপমানক নিজৰ প্ৰশংসাত পৰিবৰ্তন কৰি দিব পাৰিছিল। এইটো এটা সাধাৰন কথা আছিল তাৰ বাবে।

গাঁওত গৈ দেখা পায়, সন্মুখৰ এটা গলিৰ পৰা কাৰোবাৰ এখন গাড়ী আহি আছে। ইটোক দেখিয়েই গোকুলে কলে গোপাল, "সন্মুখৰ ঘোড়াগাড়ীটো গাঁওৰ সবোৰ্তকৈ ধনীব্যক্তি কৃষ্ণকুমাৰৰ, মোৰ অন্তৰঙ্গ বন্ধু। সৰু কালত আমি একেলগে পঢ়িছিলো, খেলিছিলো। যদি মোক দেখা পায় তেতিয়াহলে জোৰ কৰি মোক তেঁখেতৰ ঘৰত লৈ যাব, বহুতো কিবাকিবি খোৱাব, আৰু সৰুকালৰ কথা তুলিব, ঘন্টাৰ পাছত ঘন্টা গুচি যাব। মই নিবি চাৰিলেও মোক বাধ্য হৈ শুনিব লাগিব। কিন্তু মোৰ ইমান সময় কত? ঘৰত মোৰ এতিয়া কিমান কাম। মই বিচৰা নাই যে তেঁও মোক দেখা পাওক, মোৰ সময় নষ্ট কৰক। মই অলপ লুকাই যাও।" তাৰ পাছতেই সি এটা ঘৰৰ দেওয়ালৰ পিছফালে লুকাই পড়ে।

ইয়াৰ মাজত ঘোড়াগাড়ী আগত আহে। গাড়ীৰ পৰা এজন সম্ভ্ৰান্ত ব্যক্তি নামি আহে, পিন্ধা আছে সিল্কৰ ছোলা, দামী জুতা, হাতত ঘড়ি। খং প্ৰকাশ কৰি তাৰ ভৃত্যক কলে, "সেই দেওয়ালৰ পিছফালে লুকাই পড়িছে যি বদমাশটো, ধৰি লৈ আহা, খুব মাৰা।"

ভৃত্য যায় দেওয়ালৰ পিছফালে গোপালক ধৰিবলৈ। কিন্তু ইমানসময়ত তেঁও তাৰ পৰা পলাই বেলেগ এটা গলিৰ ভিতৰত ঢুকি লুকাই পড়ে, অপেক্ষা কৰি থাকে গোকুলৰ বাবে। মজা চাই গোকুলৰ হাঁহি আহে। সি গোপালৰ ওচৰত অলপ সময়ৰ পাছত আহি কলে, "কৃষ্ণ কুমাৰ তো তেঁওৰ চাকৰক কলে তোমাক ধৰি মাৰিবলৈ। কিন্তু তুমি তো বেলেগ ধৰনে কলা....।"

গোকুলক বাধা দি গোপাল কলে, "তেঁও মোৰ বৰ মৰমৰ বন্ধু। সৰু কালত আমি এনেধৰ নৰ খেল বেচিঁকৈ খেলিছিলো। চোৰ পুলিচ খেলা। চালে যেন লাগিব, বন্ধুৰ ব্যৱহাৰ বৰ নিষ্ঠুৰ মোৰ বিৰুদ্ধে, কিন্তু তেঁওক তো মই ভালদৰে জানো, তেঁওৰ স্বভাবটোই এনেকুৱা। মনত একো নাভাবিবা।"



# স্বৰ্ন সিংহাচন

৩

(আগত যি ঘটিছে : বহু বচৰৰ আগত দক্ষিন ভাৰতত চৰিটা ৰাজ্যৰ মাজত কৌণ্ডিল্যৰ ৰজা পৌৰস্বত তেঁখেতৰ বুদ্ধি আৰু বাহুবলৰ সহায়ত বেলেগ সকলো ৰাজ্য মিলাই এখন ডাঙৰ সাম্ৰাজ্য বনাইছিল কিন্তু তেঁখেতৰ মৃত্যুৰ পাছত সকলো ৰাজ্য আকৌ স্বাধীন হয়। কেইজনমান পুৰুষৰ ৰাজত্ব পাৰ হৈ যায়। ... কৌণ্ডিল্যৰ বৰ্তমান ৰজা শ্ৰীদত্ত আৰু কালিন্দীৰ ৰাজকুমাৰী শ্ৰীলেখাৰ বিয়া হব। চম্পক ৰাজ্যৰ ৰজা মৰালভূপতিৰ কুদৃষ্টি দিলে কৌণ্ডিল্য ৰাজ্যৰ সম্পত্তিৰ ওপৰত আৰু তেঁখেতৰ পুত্ৰ চক্ৰভূপতিৰ কুদৃষ্টি শ্ৰীলেখাৰ ওপৰত। মৰালভূপতি তেঁখেতৰ কূটনীতিৰ চালত মাধৱসেনক তেঁখেতৰ ফালে টানি আনে আৰু কৌণ্ডিল্য ৰাজ্যৰ ওপৰত আক্ৰমন কৰাৱ ষড়যন্ত্ৰ কৰে আৰু পুত্ৰৰ লগত শ্ৰীলেখাৰ বিয়াত মাধবসেনক ৰাজী কৰায়। কিন্তু মাধবসেনক পত্নী বসুমতী ইয়াৰ বিৰুদ্ধত, তাৰবাবে পলাই ছোৱালীক কৌণ্ডিল্য ৰাজ্যত পঠাই দিয়ে। তাত বিজয়দত্তৰ লগত গান্ধৰ্ব ৰীতিত বিয়া হয় শ্ৰীলেখাৰ....)

ইফালে বিজয়দত্তৰ লগত শ্ৰীলেখাৰ গান্ধৰ্বমতত বিয়া হৈ আছে, আনফালে কালিন্দীৰাজ্যত শ্ৰীলেখাৰ দেউতা অসহায় দিশাহীন অবস্থাত বহি আছে।

তাতেই ৰাজপ্ৰাসাদৰ বেলেগঠাইত চম্পকৰাজ মৰালভূপতি তেঁখেতৰ লৰাৰ লগত ভোখা সিংহৰ দৰে কোনো সুযোগৰ অপেক্ষাত আছে।

জ্যৈষ্ঠ মাহৰ একাদশীৰ দিনা। শ্ৰীলেখা আৰু চক্ৰভূপতিৰ মিলনৰ নিশ্চিত এটা মঙ্গল তিথি। এয়াৰ ঠিক দুদিনমান আগত সৈন্যৰ লগত মৰাল আৰু চক্ৰভূপতি দুয়োজনে কালিন্দীত আহিছে। আগৰ পৰিকল্পনাৰ দৰে বিয়াৰ কথা ঠিক হোৱাৰ পাছত দহদিন মান ৰখিব কালিন্দীত। দশম ৰাতিত কৌণ্ডিল্য ৰাজ্য আক্ৰমন কৰিব। এই পৰিকল্পনা মৰালভূপতি

লক্ষ্মী গায়ত্ৰী



আৰু মাধবসেনে চিন্তা কৰিছে। মাধবসেন যেতিয়া ৰথৰ উৎসবত যোগ দিবলৈ আহিছিল তেতিয়াই এই পৰিকল্পনা কৰিছিল।

সেইদিনাখন মৰালভূপতি মাধবসেনক কলে, "বন্ধু, মোৰ বক্তব্যক বেলেগ ধৰনে নলব। এই বিষয়টো অন্তঃপুৰৰ ৰমনীসকলৰ আগত লোকাই ৰাখিব। মহাৰানী বা যি নহওক কিয় সিঁহত স্ত্রী। এইবোৰ কথা আমাৰ বাবে বিপজ্জনক হৈ উঠিব পাৰে।"

মৰালভূপতিৰ বৰ মিঠা সুৰত মাধবসেন বিশ্বাস কৰে। তেঁখেতৰ সকলো কথাক সঁচা বুলি ভাবে। ছোৱালীৰ অগোচৰ তাইৰ বিয়াৰ ব্যৱস্থা ঠিক কৰা অন্যায় বুলি নালাগে। মৰালভূপতি যে তাইক লৈ যেনেকুৱা ইচ্ছা তেনেকুৱা কৰিছে সেয়া চিন্তা কৰাৰ শক্তি মাধবসেনে হেৰুৱাইছে।

কালিন্দীৰ ৰজা মাধবসেন যেতিয়াই গম পালে যে তেঁখেতৰ ছোৱালী শ্ৰীলেখা তেঁখেতৰ প্ৰাসাদৰ পৰা অদৃশ্য হৈ গৈছে তেতিয়াই তেঁখেতৰ ওপৰত যেন বজ্রপাত হ'ল। টকা পইচাৰ লোভত কৌন্ডিল্য ৰজাৰ বিৰুদ্ধত মৰালভূপতিৰ ষড়য়ন্ত্রত অংশ লয় প্ৰথমৰ পৰা। শ্ৰীলেখাৰ লগত চক্ৰভূপতিৰ বিয়াতও সি সন্মত হয়। আচলতে মৰালভূপতি আৰু চক্ৰভূপতি তেঁখেতৰ প্ৰাসাদত আছিল, আৰু বিয়াৰ কথাৰ বাবে শুভ মুহূৰ্তৰ অপেক্ষাত আছিল। মাধবসেন তেঁখেতৰ নতুন বন্ধু মৰালভূপতিৰ পৰামৰ্শ মতে সকলো পৰিকল্পনা তেঁখেতৰ ঘনীয়েকৰ ওচৰত গোপন ৰাখিছিল যাতে ইয়াৰ বিৰুদ্ধত যোৱাৰ সুযোগ নাপায় তেঁখেতৰ ঘনীয়েকে।

কিন্তু যুক্তি আৰু বুদ্ধিত বসুমতীয়ে তাইৰ স্বামীক হেৰুৱায়। যিদিনাখন মৰালভূপতি মাধবসেনক নিমন্ত্রন জনায় আৰু তেঁখেতক ইমান সন্মান কৰে তেতিয়াই মৰালভূপতিৰ ওপৰত তেঁখেতৰ সন্দেহ হয়। স্বামীক হীনবল বুলি যেন লাগে। কৌন্ডিল্য ৰাজ্য জয় কৰাৰ পাছত তাৰ ধনসম্পত্তিৰ এটা ভাল অংশ তাক দিব বুলি লোভ দেখুৱাইছে। আৰু কৌন্ডিল্য ৰাজ্যৰ ভূখন্ডৰও এটা ডাঙৰ অংশ তাক দিব বুলি কথা দিছিলে।

"কৌন্ডিল্যৰ সম্পত্তি আমাৰ সকলোৰে সম্পত্তি। আমাৰ পূৰ্বপুৰুষ সকল মহাৰাজ পৌৰস্বতৰ ওচৰত বহুতো ধনসম্পত্তি দিছে। পূৰ্বপুৰুষ সকলৰ সেই হেৰুৱা সম্পত্তি আকৌ

ঘুৰাই পোৱা কি বেয়া কাম। এইদৰে মৰাল-ভূপতি তেঁখেতৰ ষড়যন্ত্ৰৰ সমৰ্থনত যুক্তিসৃষ্টি কৰে আৰু মাধবসেনে সেইবোৰ কথা বৰ যুক্তিযুক্ত বুলি যেন লাগে।

ৰানী বসুমতী মৰালভূপতি আৰু নিজৰ গিৰিয়েকৰ লগত কি আলোচনা হৈছে সেয়া জনাৰ বাবে কেইজনমান গুপ্তচৰ নিয়োগ কৰে। ষড়যন্ত্ৰৰ কথা গ'ম পাই বসুমতীৰ বৰ খং উঠে। জানিব পাৰে ৰাজপুত্ৰ চক্ৰভূপতি স্বাৰ্থপৰ আৰু দৃঢ়চৰিত্ৰৰ নহয়। তেনেধৰনৰ ৰাজপুত্ৰৰ হাতত তেঁখেতৰ সংবেদনশীল কন্যাক তুলি দিবলৈ নোৱাৰে।

সেই অৱস্থাত বসুমতী স্থিৰ কৰে যেনেকৈ হওক সেই ষড়যন্ত্ৰক সফল হবলৈ নিদিব। কিন্তু গিৰিয়েকক কেনেদৰে বুজাব? মৰালভূপতিৰ কুমতলবৰ বিষয়ে কেনেকৈ কব? ভবিষ্যতৰ বাবে তেঁখেতৰ এতিয়া বহুতো পৰিকল্পনা, ৰাজ্যবিস্তাৰৰ সপোন দেখিছে তেঁও। তাইৰ গিৰিয়েকে পাহৰি গৈছে যে মৰালভূপতিৰ কথাত যি ৰজাক আক্ৰমন কৰিবলৈ চলিছে তেঁও তেঁখেতৰ ওচৰৰ বন্ধু, শুভাকাঙ্ক্ষী।

শ্ৰীলেখাৰ আগত বসুমতী সেই গুপ্ত ষড়যন্ত্ৰৰ কথা সকলো কয়। শ্ৰীলেখা স্তম্ভিত হৈ যায়। পাছত দৃঢ়তাৰ লগত তাইৰ মাকক কলে, "মা, মই মৰি গলেও চক্ৰভূপতিৰ লগত বিয়া পাতিব নোৱাৰি। বিজয়দত্তৰ বিষয়ে তুমি জানা, যদি মোৰ বিয়া হয় তেতিয়াহলে বিজয়দত্তৰ লগতেই হব। বেলেগ কাৰোবাৰ লগত বিয়াৰ কোনো প্ৰশ্নই নুঠে। মোৰ অন্তৰত বেলেগ কাৰোবাৰ ঠাই

নাই। কিন্তু, দেউতা এনেধৰনৰ ষড়যন্ত্ৰত কিয় যোগ দিছে ? দেউতাকৰ নিশ্চয়ই মতিভ্ৰম হৈছে। শত্ৰুৰ ফাঁন্দত ভৰি দিছে। তেঁখেতৰ মূৰত মহাৰজা হোৱাৰ সপোন ঘূৰি আছে। পাহৰি গৈছে বিজয়দত্ত তেখেতৰ শুভাকাঙ্ক্ষী আৰু তেঁখেতক বৰ মান্য কৰে। তেঁখেতৰ লগত সম্পৰ্ক হলে আমাৰ মঙ্গল। স্বয়ং দেউতা যেতিয়া মোক নৰকৰ ফালে হেঁচি দিছে তেতিয়াহলে কিহৰ বাবে মোৰ বাঁচি থকা।"

"তুমি কিবা কৰিবলৈ নাযাবা। ষড়যন্ত্ৰক আমি দুয়োজনে ব্যৰ্থ কৰিম।" ৰানী বসুমতী ছোৱালী শ্ৰীলেখাৰ লগত আলোচনা কৰে, কৌণ্ডিল্য ৰাজ্যত তাইক লুকাই পঠোৱাৰ ব্যৱস্থা কৰে। কেইজনমান বিশ্বাসী দাসী বাদে আৰু কোনেও নাজানিব।

বুদ্ধিমান বীৰ সাহসী। তেঁখেতৰ অনুপস্থিত কৌন্তিল্য ৰাজ্য আক্ৰমন কৰিবলৈ সিঁহতে বিচাৰিছে।

"কৌন্তিল্য ৰাজ্য আক্ৰমন কৰিবলৈ বিচাৰো যিমান সোনকালে সম্ভৱ, যাতে শ্ৰীদত্ত আৰু বিজয়দত্ত যুদ্ধৰ প্ৰস্তুত লব নোৱাৰে," মৰালভূপতি য়ে পুত্ৰক এইকথা জনায় আৰু মাধবসেনক খবৰ পঠায় লগ কৰৰে বাবে।

মাধবসেন বুজি নাপায় কি কৰিব। ইয়াৰ মাজত খবৰ পালে যে তেঁখেতৰ ছোৱালী শ্ৰীদত্তৰ ওচৰত আছে। এই অৱস্থাত কৌন্তিল্য ৰাজ্য আক্ৰমন কৰাৰ অৰ্থ নিজৰ ছোৱালীক বিপদত পেলোৱা।

পৰিবৰ্তিত এই পৰিস্থিতিত মৰালভূপতিৰ মেজাজটো কেনেকুৱা হব সেয়া চিন্তা কৰি মাধবসেন অলপ শংকা বোধ কৰে। মাধবসেনে মনে মনে ভাবে, লাভৰ বাবেই মৰালভূপতি তেঁখেতৰ হাত বঢ়াই দিছে, চক্ৰভূপতি শ্ৰীলেখাক বিয়া কৰিব বিচাৰে। কিন্তু যেতিয়া গ'ম পাব যে তাই পলাই কৌন্তিল্য ৰাজ্যত গৈ আশ্ৰয় লৈছে। তেতিয়া তেঁখেতে কি তাইক ক্ষমা কৰিব? যদি মৰালভূপতিৰ লগত হাত মিলাই দুযো শ্ৰীদত্তক পৰাজিত কৰে তেতিয়াহলে পৰিস্থিতি কি হ'ব। মৰালভূপতিৰ কাম শেষ হোৱাৰ পাছত মৰালভূপতি কি তেঁখেতৰ কথা মনত ৰাখিব। চক্ৰ ভূপতিৰ লগত শ্ৰীলেখাৰ বিয়া হলে নিশ্চয়ই পৰিস্থিতি ভিন্ন হব। কিন্তু এতিয়া আৰু সেইবোৰ সম্ভৱ নহয়। বৰ্তমান অৱস্থাত যদি মৰালভূপতি আৰু শ্ৰীদত্ত দুয়োৱে একে লগ হয় তেতিয়াহলে তেঁখেতে অকল সৰীয়া

শেষত, বিয়াত কথা দিয়াৰ বাবে নিশ্চিন্ত হৈ শুভদিনৰ আগত মাধবসেন তেঁওৰ ৰানীক যেতিয়া কলে, তেতিয়া মাধবসেনক ৰানী জনায় যে ৰাজকুমাৰীক প্ৰাসাদত কতও বিচাৰি পোৱা নাই। মাধৱসেন পগলাৰ নিচিনা হৈ পড়ে। মৰালভূপতি আৰু চক্ৰভূপতি, পিতা পুত্ৰ তেঁখেতৰ প্ৰাসাদত অতিথি হৈ আছে। বাগদান অনুষ্ঠানৰ পাছত কৌন্তিল্য ৰাজ্য আক্ৰমন কৰিবলৈ সকলো আয়োজন ঠিক আছে।

ৰাজ প্ৰাসাদত বহিয়ে মাধবসেন তেঁখেতৰ গুপ্তচৰ সকলৰ সহায়ত খবৰ পাইছে যে বিজয়দত্তক তেঁখেতৰ দেউতায় গুৰুকুলৰ পৰা উভতাই আনিছে। মৰালভূপতি আৰু চক্ৰভূপতি দুয়োৰ বাবেই এইটো এটা অশুভ সংবাদ। কাৰন সিহতে জানে বিজয়দত্ত

হৈ যাব। বেলেগে ৰাজ্য অধিকাৰ কৰি বহিব। হব পাৰে শ্ৰীলেখাৰ লগত তেঁখেতৰ লৰাৰ বিয়া দিব নোৱাৰাত মৰালভূপতিয়ে তাইক হত্যাক কৰি বহিল।"

বহুতো চিন্তাৰ পাছত প্ৰকৃত সত্য যেন ক্ৰমে মাধবসেন গ'ম পায়। বুজিব পাৰে, মৰালভূপতিৰ মিঠা মাতত তেঁখেতে কিমান ভুল কৰিছে। তাৰ পাছত পৰা যদি সতৰ্ক সাবধান হব নোৱাৰে তেতিয়াহলে তেঁখেতৰ পতন নিশ্চিত। নিজৰ ছোৱালীৰ লগত বৰ অন্যায় কৰি চলিছে, তাইৰ জীৱন লৈ খেলিব বিচাৰিছিল। অনুশোচনা হয়, গভীৰ চিন্তা কৰিবলগা হয়।

মাধবসেনে যেতিয়া গভীৰ চিন্তাত ডুবি যায় সেই সময়ত বসুমতী তেখেঁতৰ কক্ষত আহি কলে, "মৰালভূপতিৰ দুষ্ট অভিপ্ৰায়ৰ প্ৰভাবত আপোনি যি কৰিছে সেয়া সকলোবোৰ আপোনি পাহৰি যাওক। ভুল সংশোধনৰ সময় যেতিয়া হৈছে তেতিয়া দেৰী কিয়? মোৰ বিশ্বাস, অকল বিজয়দত্ত দক্ষিনৰ সকলো ৰাজ্য আকৌ জয় কৰি সম্ৰাট হোৱাৰ যোগ্যতা ৰাখে। চক্ৰভূপতি তেঁওৰ সেবক হোৱাৰ যোগ্য পৰ্যন্ত নহয়। বিজয়দত্তৰ নেতৃত্বত কৌন্তিল্য সৈন্য মৰালভূপতিক হেৰুৱাব।"

কিন্তু শ্ৰীদত্ত আৰু বিজয়দত্ত দুয়োৰে অন্তৰত মোৰ প্ৰতি ঘৃনা জন্মিছে হয়তো। সিঁহতৰ মনত যদি শত্ৰুতাৰ ভাব আহে তেতিয়া হলে তাৰ পৰিবৰ্তন কেনেকৈ কৰিম।" মাধবসেনে কলে।

"সিঁহতৰ আগত সঁচাটো কব। কব, মোৰ ছোৱালী আপনালোকৰ ওচৰত মোৰ

শুভাকাঙ্খাও আপোনালোকৰ লগত। বিজয়দত্ত আৰু শ্ৰীলেখাক আপোনাৰ আশীৰ্বাদ পঠাক। কোনো দুতৰ মাধ্যমত নহয়, সংবাদ পোৱাৰ মাধ্যমত, পঠাক। এই - ব্যৱস্থা নিৰাপদ আৰু দ্ৰুতগামী।" ৰানীয়ে পৰামৰ্শ দিয়ে। মাধবসেনে, তাইৰ পৰামৰ্শ মানি লয়।

ৰানী আকৌ কলে, "কপট মৰালভূপতি এনেকুৱা এখন ৰাজ্য লুঠ কৰি নষ্ট কৰেবলৈ বিচাৰিছে যি তেঁখেতৰ কোনো ক্ষতি কৰা নাই। তেঁখেতৰ শিক্ষা হোৱা উচিত। আমাৰ সেনাবাহিনীক গোপন নিৰ্দেশ দিয়া। মৰালভূপতিয়ে কৌন্তিল্য ৰাজ্য আক্ৰমন কৰাৰ লগে লগে মৰালভূপতিৰ সৈন্য সকলৰ ওপৰত জপিয়াই পড়িব। দুয়ো ৰাজ্যৰ সেনাবাহিনীৰ মাজত পড়িলে মৰালভূপতিৰ



বাহিনী পঙ্গু হৈ পড়িব. অৱশ্যে শ্ৰীদত্ত আৰু বিজয়দত্ত হয়তো আচল ব্যাপাৰটো গ'ম নাপায়, কিন্তু সোনকালে সঁচাটো জানিবলৈ পাই আপোনাৰ প্ৰচেষ্টা আৰু সদ্ভাবৰ প্ৰশংসা কৰিব।"

"মই সঁচাকৈ মৰালভূপতি আৰু তেঁখেতৰ লৰাৰ ফাঁন্দত পড়ি গৈছো। সিঁহতৰ মিঠামাত আৰু মোৰ ৰাজ্যৰ আশা মোক অন্ধ কৰি দিছে। বাস্তক পাহৰি সপোনক ধৰিবলৈ যাও। বৰ ভাঙৰ এটা ভূল কৰিবলৈ গৈ আছিলো। এনেকুৱা দেউতা মই যে নিজৰ ছোৱালীক গলা টিপি মৰাৰ ব্যৱস্থা কৰি আছিলো। তুমি মোৰ চকু খুলি দিলা, এতিয়াই মই সংবাদ পঠাই আছো।" ভয়ৰ পৰা মুক্তহৈ মাধবসেনে কলে।

পাছদিনাখন ৰাত্তিপুৱা সূযৰ্ব পোহৰ আহি পড়িছে শ্ৰীদত্তৰ ঘৰৰ ভিতৰত পালংকৰ ওপৰত। সেই সময়ত এটা বগা পাৰ বাহিৰৰ উড়ি আহি তেঁখেতৰ কাঁন্ধৰ ওপৰত আহি বহে। ডিঙিত এখন চিঠি ওলোমা কৌন্ডিল্য আৰু কালিন্দী ৰাজ্যৰ মাজত সংবাদ এইদৰে পঠোৱা হৈছিল, ইয়াৰ বাবে কিছুমান পাৰক প্ৰশিক্ষানও দিয়া হয়।

শ্ৰীদত্ত চিন্তাত পড়ি যায়। সোনকালে চিঠিখন খুলি পঢ়ে। তেঁখেতৰ গম্ভীৰ মুখত হাঁহি আহে। বিজয়দত্ত আৰু শ্ৰীলেখাক চিঠিখন দেখুৱাই কলে, "অভিনন্দন তোমালোকৰ।"

বিজয়দত্ত তেঁওৰ আনন্দক চাপি ৰাখি পৰা নাই, খুচিত কৈ ওঠে, "পিতা মাধবসেনৰ অন্তৰত এই পৰিবৰ্তনৰ বাবে কিমান কষ্ট সহ্য কৰিবলগা হৈছে। শ্ৰীলেকাক তেঁখেতে কিমান ভালপায় আৰু পেহী বসুমতীও মোক বৰ ভালপায়।"

"আজি আমাৰ বাবে কিমান ভালদিন। চোৱা, খনন কামৰ সময়ত কি হয়।" শ্ৰীদত্তয় কলে।

তিনিওজনে সোনকালে ৰাজভবনৰ পুবফালে খনন কামৰ বাবে যায়। ৰাজগুৰু শিবানন্দৰ নিৰীক্ষনত খননৰ কাম আৰম্ভ হব।

পবিত্ৰ শান্তিপূৰ্ন এটা পৰিবেশৰ মাজত ৰাজগুৰুয়ে এখন ঠাই ঠিক কৰি তাত এখন বৃত্ত অংকন কৰে আৰু সেই বৃত্তাকাৰ জমিৰ কেন্দ্ৰ পবিত্ৰ পানীৰে অভিষেক কৰে। ষাঠিজন শ্ৰমিকে একেলগে খননৰ কাম আৰম্ভ কৰে।

দুপুৰীয়ালৈকে খননৰ কাম চলে। ৰজা

শ্ৰীদত্ত, ৰাজকুমাৰ, আৰু শ্ৰীলেখা তিনিওজনে উপস্থিত দুপুৰীয়াৰ অহাৰৰ পাছত কাম আকৌ আৰম্ভ হলে ৰাজগুৰু ৰজ্য আৰু ৰাজকুমাৰক সোনকালে মাতি পঠিয়ায। সেই ঠাইখিনিৰ দৃশ্য চাই দুয়োৱে স্তম্ভিত হৈ যায়। তেৰ ফুট গভীৰলৈকে খানা হৈছে। তাৰ মাজত পোন্ধৰ-ষোল ফুট দীঘল এটি কোলা সাপ ফনা তুলি বহি আছে জীবিত হলেও নিশ্চল।

ৰজা আৰু ৰাজকুমাৰক বেলেগে মাতি নি ৰাজগুৰু জনায় ধ্যানত এই সাপটোক দেখিছে। এইটো সাধাৰন সাপ নহয়, এটা মন্ত্ৰপূত সাপ। অতীতত জমিৰ অভ্যন্তৰত সম্পত্তি যদি কোনোবায় ৰাখিছিল তেতিয়াহলে কোনো তান্ত্ৰিকৰ সহায়তাত এনেধৰনৰ সাপৰ সৃষ্টি কৰিব পাৰিছিল। গুপ্তধন ৰক্ষা ইয়াৰ কাম, সৃষ্টিকৰ্তাৰ আদেশ মানি চলে।

"আশ্চৰ্য!" ৰাজকুমাৰ বিস্ময় হৈ কলে।

ৰজায় কলে, "আপোনাৰ ভবিষ্যদ্বানী সঁচাকৈ প্ৰমানিত হবলৈ ধৰিছে গুৰু। ধাৰনা, ভবিষ্যতত আমাৰ শুভই হব, অকল শুভ। আমাৰ শত্ৰুসকলৰ পতন নিশ্চিন্ত।"

"নিঃসন্দেহত বিস্ময়জনক। দুপুৰীয়াৰ আহাৰৰ পাছত খননৰ কাম আৰম্ভ কৰাৰ লগে লগেই এই সাপটো ভয়ংকৰ শব্দ কৰি দেখা দিয়ে। শ্ৰমিক সকলে তেতিয়াই গৰ্তৰ পৰা ওলাই আহে। সাপৰ নিঃশাসৰ পৰা গৰম বতাহ আহি আছিল। মই ওচৰত গৈ ইয়াৰ উষ্ণতা চাই গম পাও যে এই সাপটো মন্ত্ৰ শক্তিত সৃষ্টি হৈছে। তেতিয়াই আপোনালোকক সংবাদ দি ইয়াত আহিবলৈকে কলো।" ৰাজ গুৰুয়ে কলে ৰাজাক।

এই ভয়ংকৰ ৰক্ষকৰ পৰা আমি কেনেকৈ মুক্ত হব পাৰো?" ৰজায় চিন্তিত হৈ সুধে।

"এইটো অকল মন্ত্ৰৰ সহায়ত সম্ভব হব পাৰে। কিন্তু এই বোৰ যদি কোনো এজন নিৰ্দিষ্ট মানুহৰ হয় তেতিয়াহলে তেঁখেতৰ কোৱাৰ পাছতেই যাব পাৰে। বেলেগ কাৰোবাৰ আদেশ পালন নকৰে। তথাপি, অমি সকলোৱে ভালৰ মঙ্গলৰ বাবেই প্ৰাৰ্থনা কৰিম।" ৰাজগুৰুয়ে ইমানখিনি কৈ মনে মনে থাকে। তাৰ পাছত আকৌ বিজয়দত্তৰ ফালে চাই কলে, "মোৰ বীৰ পুত্ৰ! সাপৰ ওচৰত যোৱাৰ বাবে আৰু যিকোনো অৱস্থাৰ বাবে সাজু হোৱা।" **(ক্ৰমশ)**



## ২. বাৰিষাৰ এটি ৰাতিত স্নাতক হৈ ওঠা

"ককাদেউতা, এই ছোৱালীজনীয়ে মোক প্ৰমান কৰিবলৈ কৈছে যে আৰ্যসকলে ভাৰত আক্ৰমন কৰা নাই, "কৈ কৈ সন্দীপে তেঁওৰ সৰু ভনী চামেলীক ধৰি লৈ সুমাই যায় দেবনাথৰ পঢ়াৰ ঘৰত।

পৌত্ৰৰ কথা শুনি দেবনাথে সিঁহতৰ ফালে চাই আগত ৰখা কিতাপখন বন্ধ কৰিলে।

"সন্দীপ, চামেলীৰ আগত তুমি কিয় প্ৰমান বিচৰা নাই যে তাই আমাৰ এই ঘৰত হনুলুলু বা মাডাগাস্কাৰৰ পৰা অহা নাই?" ককাদেউতায়ে বিস্ময় প্ৰকাশ কৰি কলে।

"কিয়, আমি তো সদায় ইয়াতেই আছো। আমি এই ঘৰৰ।" চামেলীয়ে জোৰ দি কলে।

"সেয়া ঠিক। কিন্তু মই যদি কও তুমি এই ঘৰৰ নহয়, এদিনাখন হঠাৎ তুমি এইতো ঘৰত হনুলুলু বা মাডাগাস্কাৰৰ পৰা উড়ি আহি বহিছা তেতিয়া হলে সেয়া মোক প্ৰমান কৰিব লাগিব। ভাৰতীয় সকলৰ সম্পকেও একেই কথা। সিঁহতে সদায় ইয়াৰেই। এনেকুৱা কোনো সূত্ৰ নাই যাতে বুজিব পাৰি সিঁহতে হিমালয়ৰ সেইটো পাৰৰ পৰা আহিছে। সিহতৰ পুৰনি সাহিত্য বা পুঁথি যি পৃথিবীৰ প্ৰাচীনতম, সেই পুঁথিৰ কতও কোৱা যে কোনো দূৰ দেশৰ পৰা উদ্বাস্তু হৈ ইয়াৰ আহিছে। কোনো আখ্যান, পৰম্পৰা ঐতিহ্যগত, ঐতিহাসিক তথ্য এই বিষয়ত কোনো সূত্ৰ দিয়া নাই। এয়া বিশ্বাস কৰিবলৈ বহুতো কাৰন আছে সেয়া ভাৰতীয় সকলে প্ৰাচীনকালত দূৰ দেশত অভিযান চলাইছে আৰু সেই ঠাইৰ সমাজত সভ্যতাত নিজৰ ধৰ্ম আৰু সংস্কৃতিৰ প্ৰভাব বিস্তাৰ কৰি আহিছে।" দাদু দেবনাথে কলে।

"কিন্তু ককাদেউতা, এই তত্ত্ব কেনেকৈ আৰু কিয় সৃষ্টি হল যি আৰ্যসকলে বহুদূৰৰ কোনো দেশৰ পৰা ভাৰতত আহিছে?" চামেলীয়ে প্ৰশ্ন কৰে।

"এই সিদ্ধান্ত ইংৰাজসকলৰ যোনে আমাৰ শাসন কৰিছে। হয়তো সিহতে কবলৈ বিচাৰিছে যে বহিৰ্দেশৰ পৰা আৰ্যসকলৰ ভাৰতত অহা আৰু শাসন কৰা তেনেকুৱা একো অস্বাভাবিক নহয়, কাৰন ভাৰতৰ জনসংখাৰ বৰ ভাঙৰ এটা অংশ আহিছে বেলেগ কোনোবা দেশৰ পৰা। দুখৰ কথা যে, আমাৰ দেশৰ ঐতিহাসিক সকলে এই তত্ত্বৰ বিষয়ে এটা কথাও কোৱা নাই।" ককাদেউতাৱে নিঃশ্বাস এৰি কথাবোৰ কলে।

হঠাৎ সন্দীপৰ কেইজনমান বন্ধু আহি তাক মাতে। বিদ্যালয়ৰ বাৰ্ষিক উৎসবৰ বাবে সিঁহতে সাজু হৈ আছে। শিক্ষক সকলৰ লগত আলোচনাৰ পাছত উৎসবৰ সকলো ঠিক কৰিব।

"ককাদেউতা, আপোনি যোৱাকালি নচিকেতাৰ গল্প কৈছিলে। গৰ্ব কৰি সি মোক গল্পটো শুনায়। সেইধৰনৰ এটি পুৰনি গল্প

তুমি মোক কোৱা, কব্দায়েক উভতি আহিলে তাক মই কব পাৰিম।" চামেলীয়ে দাদুক কলে।

"বৰ ভাল। আমাৰ প্ৰচীন ভাৰতত শিক্ষক আৰু ছাত্ৰ সকলৰ বিষয়ে তোমাক এটি সাধু কম, তাৰ পৰা এটা ধাৰনা কৰিব পাৰিবা তুমি। অবশ্যে, এইটো ঠিক সাধু নহয়। এজন লৰাৰ জীৱনৰ ঘটনা, যি পাছত এজন মহান ঋষি হয়।"

দেবনাথে কৈ থাকে: ধৌম্য নামোৰ এজন শিক্ষাগুৰু, বৰ ধুনীয়া এটা ওপত্যকাৰ ওপৰত তেঁখেতৰ এটা বিদ্যালয় আছিল। বিদ্যালয়ৰ পিছ ফালত ধুনীয়া পৰ্বত, আৰু আগত ধুনীয়া বাগিচা। গুৰুকুল গুৰুৰ বাসস্থান নামেৰে পৰিচিত আছিল সেইসময়ৰ বিদ্যালয় বিলাক। ছাত্ৰসকলে দুৰৰ পৰা আহি প্ৰাকৃতিক পৰিবেশাৰ মাজত গুৰু গৃহত থাকিছিল। আচলতে গুৰুকুল আছিল কোনো এখন ভাঙৰ প্ৰতিষ্ঠানৰ বা আশ্ৰমৰ এটা অংশ। আশ্ৰম আৰু বিদ্যালয় - দুয়োৰে প্ৰধান আছিল গুৰু। ছাত্ৰ বেলেগ আশ্ৰমৰ বেলেগ বেলেগ আবাসিক সকলে যোগ অভ্যাস কৰিছিল।"

ককাদেউতাক হাক চামেলীয়ে কলে, "যোগ কি, সেয়া মোক কব? কিন্তু এতিয়া নহয়। ককায়েক উভতি অহাৰ আগত মোক সাধুটো শুনিবই লাগিব।"

দেবনাথে হাঁহে, "ঠিক আছে। তুমি আৰু তোমাৰ ককায়েকে যেতিয়া একেলগে থাকিবা তেতিয়া কম। তেতিয়াহলে সেই বিষয়ত তুমি আৰু তাৰ লগত হিংসা নকৰা।

আহা, আমি সাধু আকৌ আৰম্ভ কৰো। ধৌম্যৰ আশ্ৰমৰ ওচৰৰ বাগিচাৰ মাজভাগত এটা হ্ৰদ আছিল। সেই হ্ৰদৰ ওচৰতই আশ্ৰমৰ এটি জমি আছিল। আশ্ৰমৰ মানুহ সকলে আৰু ছাত্ৰসকলে সেই জমিত চাষ কৰি ফসল তুলে।

এদিনাখন বৰ বৰষুন হয়। পাছদিনা খনও বৰ বৰষুন আহে। সেইদিনাখন ৰাতিতও যেতিয়া বৰষুন নকমিল, গুৰুদেব চিন্দিত হৈ পড়ে। "আশা কৰো, হ্ৰদয় পানী বাঁন্ধ পাৰ হৈ নাহে; আমাৰ ফসল পানীত নুডুবে।" তেখেতে কলে।

আশ্ৰমৰ ছাত্ৰসকলৰ মাজত সৰ্বশ্ৰেষ্ঠ



অৰুনি। তেঁওৰ শিক্ষা শেষ হৈছে। শাস্ত্ৰজ্ঞানত বৰ অভিজ্ঞতা অৰ্জন কৰিছা, আৰু লগতে দৰ্শন বিষয়তেও। যোগাসনত সি দক্ষ। গুৰুৰ প্ৰিয় শিষ্য, তথাপি গুৰুৰ আদেশ পোৱা নাই ঘৰত উভতি যোৱাৰ বাবে।

গুৰুৰ দুৰ্ভাবনাৰ কথা শুনি অৰুনি ওলাই

আহে অৱস্থা। দেখিবলৈ। বৰষুন অলপ কমিছে। বেলি ওলায়। হ্ৰদৰ ওচৰত যোৱাৰ পথ বিচাৰি উলিওৱা কোনো অসুবিধা নহয়।

যি সাধাৰন বাঁন্ধ হ্ৰদ আৰু আশ্ৰমৰ জমিৰ মাজত আছিল, সেইটো এটা ঠাইত বৰ বেয়াধৰনে ক্ষতি হৈছে। সেই অংশ দি হ্ৰদৰ পানী বেগেৰে জমিৰ মাজত সুমাই আছে, পানীৰ বেগ লাহে লাহে বাঢ়ি আছে বাঁন্ধৰ ভাগনও তাৰ লগত বাঢ়ি আছে।

অলপ অলপ মাটি লৈ বাঁন্ধৰ ভাগন বন্ধ কৰিবলৈ চেষ্টা কৰি ব্যৰ্থ হয়। আশ্ৰমত উভতি গৈ সতীৰ্থসকলক মাতি অনাৰ কথা চিন্তাকৰে, কিন্তু সময় কত? অলপ সময় নষ্ট কৰাটো তেতিয়া অসম্ভৱ। চকু মুজি ব্যানস্থ হৈ মুহূৰ্তৰ মাজত সমস্যাৰ কথা চিন্তা কৰি লয়। তাৰপাছতেই বাঁন্ধৰ ভগন অংশত শুই পড়ে। পানীৰ স্ৰোতক বাধা দিয়ে এনেদৰে।

অলপসময়ৰৰ মাজত চাঁদ ঘন মেঘৰ ভিতৰত সুমায়; বৰষুন আকৌ আৰম্ভ হয়। ঠান্ডা বতাহ বৈ আছে। পানীৰ প্ৰবাহ আহি অৰুনিৰ দেহত লাগি আছে, কিন্তু আশ্ৰমৰ চাষৰ জমিত পানী সুমাবলৈ পৰা নাই, বানপানীত ফসল নষ্ট নহব। অৰুনি নিশ্চল হৈ শুই থাকে তাত, লাহে লাহে সি চেতনা হেৰুৱায়।

ৰাতি পাৰ হৈ যায়, ৰাতিপুৱা হ'ল। অৰুনি উভতি নহাৰ বাবে গুৰুদেবে চিন্তাত পড়ে। আশ্ৰমৰ বেলেগ শিষ্য সকলক লৈ ওলায় অৰুনিৰ সন্ধানত। অৰুনিৰ দেহটোক কেইজনমানে সযত্নেৰে তুলি লৈ আশ্ৰমত আহে। আৰু বাকী সকলে বান্ধৰ ভাগন ঠিক কৰাত ব্যস্ত হৈ পড়ে।

গুৰুৰ সেবা পৰিচৰ্যাৰ ফলত বৰ

সোনকালে অৰুনিৰ চেতনা ঘুৰি আহে। ভালদৰে বিশ্ৰাম লোৱাৰ পাছত সম্পূৰ্ন সুস্থ হলে গুৰুয়ে তাক মাতি পঠিৱায়, "বৎস, তোমাৰ শিক্ষাৰ সমাপন হৈছে। আজি তুমি স্নাতক উপাধি লাভ কৰিলা।"

কৃতজ্ঞতাত অপূৰ্ন হৈ আৰুনি মূৰ তলত কৰি খাড়া হয়।

"কি মহান চৰিত্ৰ!" চামেলীয়ে বিস্ময়ত কৈ ওঠে।

"ভাল, তুমি ইয়াৰ প্ৰশংসা কৰিলা। মোৰ আশা তুমি গম পাইছা যি শাস্ত্ৰৰ প্ৰশ্নৰ উত্তৰৰ তুলনাত আৰুনিক বেলেগ এটা পৰীক্ষা দিবলগা হয়, উত্তীৰ্ন হয়। বিদ্বান জ্ঞানী হোৱাৰ বাহিৰেও সি কিমান বিনম্ৰ, তাৰ কামত সেইটো প্ৰমানিত হয়। প্ৰয়োজনৰ মুহূৰ্তত জীৱনসংশয় কৰিও কৰ্তব্য পালন, ইয়াৰ উদাহৰন। উদ্দেশ্য সফল কৰিবলৈ যি দৃঢ় সংকল্প, আশ্ৰমৰ জমিৰ ফসল ৰক্ষা কৰা, তুলনাহীন। প্ৰকৃত শিক্ষা যেনে আদৰ্শবাদী কৰি তোলে তেনেকুৱা কৰি তোলে কৰ্মদক্ষ। অহংকাৰ আৰু গৰ্বৰ সীমিত গন্ডীৰ পৰা ওপৰত উঠিবলৈ সাহায্য কৰে; স্বাৰ্থপৰতাৰ পৰিবৰ্তে হৃদয় ত্যাগৰ মহিমাত পূৰ্ন হৈ ওঠে। আৰুনিৰ স্বতস্ফুৰ্ত কামত এইবোৰ মহৎ গুনৰ প্ৰকাশ ঘটে। গ'ম পালা?"

"সঁচা, ককাদেউতা। মই এতিয়া দাদাক সাধুটো কব পাৰিম।" চামেলীয়ে বৰ খুচি হয়।

"তেতিয়াহলে ইয়াৰ বাবেই কি মই তোমাক সাধুটো কলো? অৰুনিৰ গুনাবলীক কি তুমি তোমাৰ জীৱনত ফুটাই তুলিবলৈ চেষ্টা নকৰা?"

"নিশ্চয়ই কৰিম ককাদেউতা!"

**(ক্ৰমশ)**

শিখ সকলৰ দহজন প্ৰধান গুৰুৰ ভিতৰত তিনিজনৰ জন্ম এপ্ৰিল মাহত : গুৰু অংগাদৰ ২৩ শে এপ্ৰিলত ১৫০৪ চনৰ, গুৰু অৰজান দেবৰ ১৫৬৩ চনৰ ১৪ এপ্ৰিলত আৰু গুৰু তেগ বাহাদুৰৰ ১৬২১ চনৰ ১২ এপ্ৰিলত।

## তিনিজন প্ৰসিদ্ধ গুৰু

আমি সকলোৱে জানো যে, গুৰু নানককে (১৪৬৯ -১৫৩৮) শিখ বিশ্বাসটো উদ্ভাবন কৰিছিল। যেতিয়া তেওঁৰ মৃত্যুৰ সময় হৈছিল, তেতিয়া তেঁখেতৰ শিষ্যস-কলৰ ভিতৰত কোনোবা এজনে জনসাধাৰনৰ নেতৃত্ব লোৱাটো তেঁখেতে বিচাৰিছিল । তেঁখেতৰ শিষ্য-সকলৰ ভিতৰত দুজন আছিল তেওঁৰ সন্তান। তেঁখেতে অংগাদক ইয়াৰ বাবে পছন্দ কৰিছিল, যোনে সবোতকৈ জ্ঞানী আছিল।

গুৰু অংগাদে এজন নেতা আৰু ভাল উপদেশক বুলি প্ৰমান কৰিলে।

পঞ্চম গুৰু, গুৰু অৰজন দেব, চতুৰ্থ গুৰু ৰামদাসৰ লৰা আছিল। এই অৰজন দেবে পবিত্ৰ আদি গ্ৰন্থ লিখিছিল। এই আদি গ্ৰন্থত হিন্দু বিশ্বাসৰ পৰা কিছু শব্দ অন্তভুক্তকৰিছিল।

## এই মাহত জন্ম যাব

মুঘল ৰাজকুমাৰ খুৰছু, যোনে তেঁওৰ দেউতাক সম্ৰাট জাহাঙ্গীৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। গুৰুয়ে খুৰসুক ৰাজনীতি গ্ৰহন কৰিবলৈ উৎসাহ দিয়া নাছিল। গুৰুৰ এই কামৰ বাবে জাহাংগীৰৰ খং ওঠে আৰু গুৰুক মাৰি পেলায়।

গুৰু তেগ বাহাদুৰ, নবম গুৰুয়ে মোঘল সম্ৰাট ঔৰংগজেবৰ বিৰুদ্ধত যায় কাৰন তেঁখেতে কাশ্মীৰৰ ব্ৰাহ্মনৰ বিৰুদ্ধত কাম কৰিছিল । ঔৰংগজেবে তেঁখেতক আলোচনাৰ বাবে মাতে আৰু গুৰুয়ে ৰাজী হয়। কিন্তু ঔৰংগজেবৰ ধৈৰ্য্য নহয়, গুৰুক কাৰাগাৰত ৰাখে আৰু তেঁখেতক মাৰি পেলায়।

ইয়াৰ পাছত শিখ ধৰ্মৰ ইতিহাসৰ পৰিবৰ্তন আহে। গুৰু তেগ বাহাদুৰৰ লৰা, গবিন্দ সিংয়ে জনসাধাৰনক একেলগ কৰি মোঘল শাচনৰ বিৰুদ্ধ কৰিছিল।



# খেলৰ আনন্দ

কাঞ্চনপুৰৰ ৰজা সুবৰ্নপাল। পাশা খেলাত তেঁখেতৰ বৰ আকৰ্ষন। যেতিয়াই সময় পায় তেতিয়াই পাশা খেলিবলৈ বহে। এই খেলত বৰ দক্ষতা অৰ্জন কৰিছে।

সদায় ৰজা তেঁখেতৰ মন্ত্ৰী সুদামৰ লগত পাশা খেলে। কেতিয়াবা কেতিয়াবা মহাৰানী বিনিতাদেবী আৰু সেনাপ্ৰধান সূৰ্যকান্তৰ লগতও খেল আৰম্ভ কৰি দিয়ে। যাৰ লগতেই খেলক, সদায় ৰজায় জিকে। আৰু নিজে জিকাৰ বাবে বৰ আনন্দ আৰু গৰ্ব হয় তেঁখেতৰ। বিশেষকৈ যেতিয়া তেঁও মন্ত্ৰী সুদামক হেৰুৱায় তেতিয়া বৰ খুচি হয়, কাৰন ৰজাৰ ধাৰনাত মন্ত্ৰীই হ'ল তেঁখেতৰ সুযোগ্য প্ৰতিপক্ষ।

এদিনাখন ৰাজায় পাশাখেলত মন্ত্ৰীৰ লগত হাৰি যায়। ৰজায় প্ৰথমবাৰ পৰাজয় হয়। পৰাজয়ক সহ্য কৰিব নোৱাৰে, খংত মুখ ৰঙা পড়ি যায়, দাঁতে দাঁত ঘহি থাকে। নিজক নিয়ন্ত্ৰনত ৰাখিব নোৱাৰে, পাশাৰ ঘুঁটি-ছক সকলো দলিয়াই অন্দৰমহলত গুচি যায়।

পাছদিনাখন শান্ত হয় ৰজায়। আগদিনাখনৰ ব্যৱহাৰত তেঁখেতক লাজ দিয়ে, মনত দুখ লাগে। মন্ত্ৰীয়ে সুদামক মাতি তেঁওৰ আগত দুখ প্ৰকাশ কৰে। তাৰপাছত দুয়োৱে আকৌ পাশা খলিবলৈ বহে। এইবাৰ ৰজাৰ জয় হয়। তেঁও বৰ খুচি হয়। আকৌ এবাৰ খেলিবলৈ মন্ত্ৰীক অনুৰোধ কৰে। খেল আৰম্ভ হয়। এইবাৰ খেলত ৰজাৰ পৰাজয় হয়। বৰ খং ওঠে, কিন্তু কোনোমতে নিজক সংযত ৰাখি খেল এড়ি অন্দৰমহলত গুচি যায়।

পাছদিনাখনৰ খেলতও ৰজা পৰাজিত হয়, কিন্তু সেইদিনাখন খং ওঠা নাই। দুখ অবশ্যে হৈছে। তথাপি মন্ত্ৰীৰ লগত খেলিবলৈ এড়া নাই, আৰু হেৰু ৱাই থাকে। বাৰে বাৰে হেৰুৱাৰ বাবে খেলিবলৈ উৎসাহ আৰু নাথাকে। ৰাজকামৰ সময়তও ৰজা উদাস হৈ বহি থাকে। সদায় তেঁখেতৰ মনত মন-মৰা ভাব।

ৰজাৰ এনেধৰনৰ উদাসী ভাব চাই মন্ত্ৰীৰ চিন্তা হয়। বহু চিন্তাৰ পাছত ৰজাক কলে, "মহাৰাজ, পাশাখেলাত আনন্দ নামেৰে এজন খেলুৱৈ কোনো এটা ৰাজ্যৰ শ্ৰেষ্ঠ পাশা খেলোয়াড়ক হেৰুৱাই এতিয়া আমাৰ ৰাজ্যত ফুৰিবলৈ আহি আছে। শুনিছো, এই মানুহজনে পাশা খেলৰ বিষয়ে মনস্তত্ত্ব ও ভালদৰে বুজিব পাৰে। হয়তো তেঁখেতে কব পাৰিব আপোনাৰ দৰে এজন দক্ষ পাশা খেলুৱৈৰ কিয় প্ৰিয় খেলৰ প্ৰতি এনেকুৱা বিৰক্তি হৈ আছে। আপোনি আদেশ দিলে তেঁখেতক মাতি পঠিৱাও।"

ৰজা সম্মতি জনালে আনন্দক আমন্ত্ৰন জনায় মন্ত্ৰীয়ে। আনন্দ ৰাজ্যৰ লগত লগ কৰে, তেঁওৰ সকলো বিবৰন মন দি শুনি কলে, "মহাৰাজ মোৰ লগত আপোনি এবাৰ যদি খেলে তেতিয়া হলে সমস্যা সমাধানৰ সূত্ৰ পাব পাৰি।"

মন্ত্ৰীৰ উপস্থিতিত ৰজা সুবৰ্নপাল আৰু আনন্দৰ মাজত পাশাখেলৰ আয়োজন হয়। ৰজায় মনদি খেলি থাকে। আনন্দক হেৰুৱাই পেলায়। ৰজায় বৰ খুচি হয়। আনন্দৰ নিচিনা খেলুৱৈক হেৰুৱাই যেনেকুৱা খুচি ৰজাৰ হয় মন্ত্ৰীক হেৰুৱাই তেনেকুৱা খুচি ৰজাৰ নহয়। কিন্তু ৰজাৰ এই খুচি অলপ সময়ৰ বাবে। কাৰন, ইয়াৰ পাছত যিমানবাৰ আনন্দৰ লগত খেলিছে তিমানবাৰ ৰজা হৰিছে। ফলত, ৰজায় আকৌ উদাসী হৈ পড়ে, উৎসাহ কমি আহে লাহে লাহে।

মন্ত্ৰী সুদাম পৰিস্থিতিক সামাল দিবলৈ মহাৰাজৰ পক্ষে চাল দিয়ে, আৰু জিকি যায় অতি সহজে। আনন্দ ইয়াৰ পাছত কেইবাৰমান মন্ত্ৰীৰ লগত খেলে, কিন্তু বাৰে বাৰে আনন্দৰ পৰাজয় হয়। তাৰবাবে ৰজায় বৰ খুচি হয়।

এই উদাসী বা মন-মৰা ভাবক বুজিবলৈ সময় নালাগে মন্ত্ৰী সুদামৰ, তেঁখেতৰ ধাৰনা, বাৰে বাৰে নিজৰ মন্ত্ৰীৰ লগত পাশাখেলত পৰাজয়ৰ ফলত ৰজাৰ অহংকাৰত আঘাত লাগে। সেইবাবে পাছদিনাখনৰ খেলত নিজৰ ইচ্ছাত ৰজাৰ লগত হাৰি যায় মন্ত্ৰীয়ে। জয়ৰ ফলত ৰজায় আগৰ দৰে বৰ খুচি হয়। আৰু ৰজাৰ মাজত খুচি চাই মন্ত্ৰীও বৰ খুচি হয়। ইয়াৰ পাছৰ পৰা খেলত মন্ত্ৰীৰ অকল পৰাজয় হয়।

ৰজা সুবৰ্নপালে কেইদিনমান জয়ৰ আনন্দ অনুভব কৰে, কিন্তু লাহে লাহে সেই খুচি কম হৈ গৈ থাকে। মন্ত্ৰীক হেৰুৱাই আগত যেনেকুৱা খুচি হৈছিল, সেয়া আৰু নহয়। খেলত মন নবহে, খং হৈ থাকে, খেল বন্ধ কৰি দিয়ে। ৰজা নিজেও বুজি নাপায় কিয় এনেকুৱা হৈ আছে। শেষত নিজৰ অৱস্থাৰ কথা মন্ত্ৰীক জনায়।

কিন্তু এই হাৰজিতৰ আনন্দৰ অলপো দুখ নহয়, মন্ত্ৰীও বৰ খুচি হয়।

খেলৰ শেষত আনন্দে ৰজাক কলে, "যদি, আপোনি আদেশ দিয়ে তেতিয়াহলে আপোনাৰ সমস্যাৰ সমাধানসূত্ৰ সম্পৰ্কে মোৰ যি বিচাৰ সেয়া কব বিচাৰো।" ৰজাৰ সম্মতি পাই তেঁখেতে কলে, "যিকোনো খেলত খেলুৰৈ দুইধৰনে খুচি হব পাৰে। খেলত জিকিলে নহলে জয় পৰাজয়ৰ চিন্তা বাদ দি, তাৰ পৰা মুক্ত হৈ খেলৰ বাবে যদি খেলিব পাৰি, খেলত মন দিলে, তিতিয়াহলে আনন্দ লাগে। জয়ৰ ফলত যোনে খুচি হয়, সিঁহতৰ চেষ্ঠা থাকে যেনেকৈ হওক খেলত জিকা। খেলত একাগ্ৰতা নাথাকে, থাকে জয়-পৰাজয়ৰ ওপৰত। জয়ী হৈ আনন্দ পোৱাৰ যি আশা সেয়া আফিমৰ দৰে কাম কৰে, ইয়াত খেলুৰৈ তেঁওৰ বিবেক হেৰুৱায়। খেলত ঝিকিলে আনন্দত তেঁও পাগলৰ দৰে হৈ যায়, হাৰিলে দুখৰ গভীৰত ডুবি যায়।

"খেলৰ আশা লৈ যি খেলুৰৈ খেলে তেঁও খেলত ডুবি যায়। তেঁও ইমান বেচি খেলৰ লগত একাত্ম হৈ যায় যে জয়-পৰাজয়ৰ বাবে কোনো চিন্তা তেঁওৰ মনত নাথাকে। খেলত অংশ লোৱাৰ বাবেই তেঁও খেলে। প্ৰতিপক্ষৰ খেল ভালদৰে চায়, সেইবোৰ বিচাৰ চিন্তা কৰি এনেকুৱা চাল দিবলৈ চেষ্টা কৰে যাতে প্ৰতিপক্ষক অসুবিধাত পেলাব পাবে। জয়ী হলে নিশ্চয়ই তেঁও খুচি হয়, কিন্তু পৰাজয় হলেউদাস হৈ নাযায়। তেঁও প্ৰতিপক্ষৰ জয়ৰ আনন্দৰ অংশীদাৰ হৈ ওঠে, তেঁওৰ খেলৰ প্ৰশংসা কৰে আৰু নিজে সংকল্প গ্ৰহন কৰে, যেন পাছৰ বাৰ আৰু উৎসাহ আৰু সতৰ্ক হৈ খেলিব পাৰে। ইয়াৰ ফলত খেলুৰৈৰ যোগ্যতা লাহে লাহে বাঢ়ি

যায়। আৰু এই বোৰ লৈ খেলিলে যি আনন্দ সেয়া ঔষধিৰ সমান। .... আৰু" আনন্দে ইমানখিনি কৈ ৰখি গ'ল।

ৰজা সুবৰ্নপাল মনদি আনন্দৰ কথাবোৰ শুনে। তেঁখেতৰ যেন লাগে আনন্দ অকল এজন খেলুৱে নহয়, তেঁও খেলৰ মনস্তত্ব বিশেষজ্ঞও। খেলৰ দানৰ লগে লগে প্ৰতিপক্ষৰ মনৰ ভাবকও বুজিব পাৰে। তাৰবাবে আনন্দক ৰজায় কলে, "ৰখি গলা কিয় আনন্দ? আৰু কিবাকিবি কব বিচাৰিছিলা, কোৱা।"

"মোৰ কথা শুনিবলৈ আপোনাৰ কোনো কষ্ট হোৱা নাই তো?" আনন্দে প্ৰশ্ন কৰে।

ৰজা সুবৰনপালে উত্তৰ দিয়ে, "হবই নোৱাৰে, মই মনদি আপোনাৰ কথাবোৰ শুনি আছিলো। খেলুৰৈ সকলৰ মনৰ কথাবোৰৰ সম্বন্ধে মোৰ জনা প্ৰয়োজন বুলি যেন লাগে।"

নিঃসংকোচত তেতিয়া আনন্দে কলে, "আপোনাৰ উদাসীভাবৰ কাৰনও ইয়াৰ মাজত আছে। খেলত জয়ী হোৱাটো আপোনাৰ মূল উদ্দেশ্য। তাৰবাবে মন্ত্ৰীৰ লগত খেলত হাৰিলেই আপোনাৰ খং ওঠে আৰু উদাসী হৈ পড়ে। জয়ী হোৱাৰ ফলত আনন্দ এটা কাৰন। প্ৰতিপক্ষ যেতিয়া হাৰি যায় তেঁওৰ দুখৰ কথা গ'ম পাইও যোনে ঝিকে তেঁওৰ বৰ আনন্দ হয়। কিন্তু পৰাজিত খেলুৱৈ যদি উদাসী বা দুখী নহয়, জয়পৰাজয়ৰ সমান ভাব ৰাখিব পাৰে তেতিয়াহলে যোনো জয়ী হয় তেঁওৰ আনন্দভাবটো ও কমি আহে। হয়তো তাৰবাবেই, মন্ত্ৰীক বাৰে বাৰে খেলত হেৰুৱাই আপোনি খুচি হোৱা নাই, কাৰন, পৰাজয়ৰ বাবে মন্ত্ৰীৰ মাজত দুখ-কষ্ট ভাব নাহে, আপোনাৰ জয়ত তেঁও খুচি হয়।"

ৰজা সুবৰ্ণপাল বুজিব পাৰে, তেঁখেতৰ মনৰ গভীৰত উদাসী হোৱাৰ মূল লুকাই আছে; আনন্দে সেইটো স্পষ্ট কৰি তুলি ধৰে। খেলুৱৈৰ মনৰ ভাব আৰু মনস্তত্ত্ব বিষয়ে আনন্দ যি কৈছে সেয়া। ৰজাক বৰ আনন্দ দিয়ে। তথাপি সুধে, "নিঃ সন্দেহ যে আপোনি মোৰ তুলনাত বৰ ভাল খেলুৱৈ। কিন্তু প্ৰথমবাৰ আপোনি কিয় হাৰিলে ?

আনন্দে হাঁহি উত্তৰ দিয়ে, "মহাৰাজ, আপোনাৰ খেলত কোনো ভুল নাই। পাশা খেলত আপোনি অসাধাৰন। আপোনাৰ লগত বহুতো ভাল খেলুৱৈ হাৰি যাব পাৰে। প্ৰথমবাৰ মইও আপোনাৰ লগত হাৰি যাও, কিন্তু নিৰাশ হৈ পড়া নাই, দুখ হোৱা নাই। প্ৰথাবাৰ আপোনাৰ খেলৰ পদ্ধতি চাইছো। তাৰবাবে পাছৰ খেলবিলাকত মই মোৰ খেলৰ পদ্ধতি পৰিবৰ্তন কৰো। কিন্তু আপোনি মোৰ খেলৰ পদ্ধতি মনদি লক্ষ্য কৰা নাই। তাৰবাবে আপোনি হাৰি গৈছে।"

খেলৰ মনস্তত্ত্ব বিষয়ে ইমান জ্ঞান কৰ পৰা পালে, জানিব পাৰো কি?" ৰজায় প্ৰশ্ন কৰে আনন্দক।

আনন্দে উত্তৰ দিলে, "এইবোৰ মোৰ গুৰু আৰু দেউতা কৰ পৰা শিখিছো। তেঁখেতে আপোনাৰ মন্ত্ৰী।"

ইয়াৰ পাছত জয়-পৰাজয়ৰ, চিন্তা বাদদি ৰজায় খেলে - আৰু তাত আহে প্ৰকৃত আনন্দ তাৰ বাবে ৰজা উপভোগ কৰি চলে।

কাবেৰী নদীৰ - পাৰত - ৫

# ছাগলৰ জপিওৱা

ৰচনা : জয়ন্তী মহালিংগম

চিত্ৰ : গৌতম সেন

শিবসমুদ্ৰমৰ পৰা আগবাঢ়ি ব্যাঙ্গালোৰৰ পৰা প্ৰায় ১১৩ কি মি দূৰত কনকপুৰাত অৰ্কাবতী উপনদী আহি মিলিছে কাবেৰীৰ লগত। অৰ্কাবতী নদী নন্দীদুৰ্গ পাহাড়ৰ পৰা উৎপন্ন হৈছে। এই নদীৰ ওপৰত বাঁন্ধ দি চামৰাজসাগৰ বনোৱা হৈছে। ব্যাঙ্গালোৰ চহৰত পানী সৰবৰাহ কৰা হয় ইয়াৰ পৰা। এই দুটা নদীৰ সংগমস্থানটো এটা ঘন জংগলৰ মাজত অবস্থিত। অঞ্চটো ৰেচম বস্ত্ৰ উৎপাদনৰ প্ৰধান উপাদান ৰেচম-কীট পালনৰ বাবে বিখ্যাত। যাত্ৰা পথৰ সকলো ঠাইত দেখা যাব বাঁহগছৰ গাত বনোৱা আছে শশ ৰেচম-কীটৰ গুটি বিলাক।

ইয়াত কাবেৰী চলি আছে বেঁকাবেকীকৈ; যেন লাগে কোনো সৰু ছোৱালীয়ে খেলি আছে। কাবেৰীৰ প্ৰবাহক এটা ঝলক দেখা পোৱা গৈ আছে দুখন পাথৰৰ স্তুপৰ মাজেদি, আকৌ কেতিয়াবা গতিধাৰা ধনীয়া এটা আকৃতি লৈ পাহাড়ৰ খাঁজ দি আগবাঢ়ি অদৃশ্য হৈ গৈছে; আকৌ অলপদূৰ গলে দেখা পোৱা যায়। ইয়াত কাবেৰীৰ ওচৰৰ পৰা দৃষ্টি কাঢ়ি লয় ডাঙৰ ডাঙৰ শিল বোৰে। শিলবোৰৰ ৰঙ হ'ল নীলা, গোলাপী, কোলা আৰু বগা। সদায় পানীৰ ঘহনীৰ ফলত শিলবোৰ এটা-এটা আকৃতি লৈছে, কোনো এটা হাতীৰ ভৰিৰ দৰে, আকৌ কোনো এটা ডাঙৰ এটা বাচনৰ দৰে, কোনো এটা বৃত্তৰ দৰে। নদীৰ প্ৰচণ্ড গতিৰ বাবে পাথৰৰ উখ অংশ থকাৰ ফলত এখন বৰ ডাঙৰ ঘূৰ্নিৰ সৃষ্টি হৈছে, যাৰ নাম হ'ল হান্নাড়ু চক্ৰ। কোৱা হয়, যিকোনো বস্তু এই পানীৰ ঘূনিত পড়িলে সেইটো বাৰবাৰমান চক্ৰৰ খোৱাৰ পাছত তলত সুমাই যায়।

অৰ্কাবতী সংগমৰ পৰা পাঁচ কি.মি. আগবাঢ়ি বৰ নামকৰা মেকে দাটু যাৰ অৰ্থ ছাগলৰ জপিওৱা। এয়াৰ পৰা কাবেৰী নদী অলপ আগবাঢ়ি গৈ ১৮ মিটাৰ তলত জপিয়াই পড়ে। পানীৰ দুয়োফালে সিলবোৰ উখ, মাজৰ ঠাইটো বৰ সৰু। স্থানীয় মানুহে কয়, এটা ছাগলী এটা জাঁপ দি এটো পাৰৰ পৰা সিটো পাৰত যাব পাৰে।

মেকে দাটু

মেকে দাটুৰ পৰা নদীটো দক্ষিনফালে ঘুৰি কৰ্নাটকৰ মহীশূৰ - ব্যাঙ্গালোৰ আৰু তমিনাডুৰ ধৰমপুৰী সালেম



হোগেনাক্কাল জলপ্ৰপাত

জিলাবিলাকৰ মাজত স্বাভাৱিক ৰাজ্যসীমানা সৃষ্টি কৰি মলগিৰি পৰ্বতৰ ওপৰেদি জপিয়াই যায়। আৰু তিৰিশ কিলোমিটাৰ আগুৱাই তমিলনাড়ুৰ টোপ্পুৰ পাহাড়ী অঞ্চলৰ হোগেনাক্কালত আৰু এটা ডাঙৰ জলপ্ৰপাত সৃষ্টি কৰিছে কাবেৰী নদীয়ে। হোগেনাক্কাল শব্দটোৰ অৰ্থ 'ধুমায়িত পাথৰ'। ইয়াত নদীটো দুটা ধাৰাত ভাগ হৈ গৈছে। পশ্চিম শাখাটো ২২ মিটাৰ উঁখৰ পৰা জপিয়াই পড়িছে এটা গৰ্তত। তলত পাথৰৰ ওপৰত পানীৰ স্ৰোত পড়াৰ পাছত ওপৰৰ ফালে ওঠি যায়, আৰু বৰ সৰু সৰু পানীৰ কনাবিলাক ধোঁয়াৰ দৰে চাৰিওফালে বিয়পি পাড়ে। পুবফালৰ শাখাৰ দুটামান ধাৰা, ইয়াৰ এটা মেকে দাটুৰ দৰে পাহাড়ী ফাঁকেদি আগবাঢ়ি যায়। এই স্থানটো জ্ঞানতীৰ্থ নামেৰে পৰিচিত আৰু ইয়াত গাধোৱাটো পবিত্ৰ বুলি মান্য কৰা হয়। ইয়াত গাধুবলৈ সুৰক্ষা আৰু সুবিধাৰ বাবে ইয়াত বহুতে ব্যৱস্থা কৰা হৈছে। প্ৰতি বছৰ আগস্টৰ ১৮ তাৰিখত আদি পাদিনাট্টু উৎসবত আৰু অক্টোবৰ-নভেম্বৰ মাহত পূৰ্নিমাৰ সময়ত গাধোৱাৰ বাবে বহুতো মানুহ ইয়াত আহে। এই উৎসবত তামিল সকলৰ ওচৰত বৰ মৰমৰ। পৰিবাৰৰ লগত সকলোৱে গোটেই দিনটো নদীৰ পাৰত বনভোজৰ আনন্দত কটাই দিয়ে। নদীত গাধুই আৰু নদী-দেবীৰ পূজা-এই উৎসবৰ বিশেষ অংগ। আহাৰৰ বাবে ভাত লৈ আহে, যেনে, নেমুটেঙাভাত তেঁতেলিভাত, নাৰিকলভাত, দৈ-ভাত, আদি।

ঘাটৰ ওপৰত থকা দশেশ্বৰস্বামীৰ মন্দিৰ। বিশ্বাস যে, কাবেৰীৰ ভাগ্যৰ লগত জড়িত ঋষি অগস্ত্য ইয়াতেই আৰাধনা কৰিছিল।

হোগেনাক্কাল নদীত অহাযোৱা আৰু জলপ্ৰপাত আগৰ পৰা উপভোগ কৰাৰ বাবে পুৰনিকালৰ 'হৰিগোলু' ব্যৱহাৰ কৰা হয়। বেতেৰে বনোৱা ঘুৰনি, তলত তেৰপোল দি ঘিৰা নাঁও বা হৰিগোলুত চাপি ভ্ৰমনাৰ্থী সকলে

পোল-জল্ট কিশোৰীৰ নদী পাৰ

ঘুৰি ফৰিব পাৰে। ইয়াত একেলগে সাতজন মানুহ থাকিব পাৰে। মাঝিয়ে সৰু এটা বৈটাৰ সহায়ত হৰিগোলু চলাই লৈ যায় নদীৰ পাৰত, এটাফালে পাহাড় খাড়া হৈ উঠি গৈছে, আনফালে ঘন জংগলত আবৰি থকা পাহাড়।

জলপ্ৰপাতৰ ঠিক তলত চিন্নাৰ নামেৰে এটা সৰু নদী উত্তৰৰ পৰা প্ৰবাহিত হৈ আহি কাবেৰীৰ লগত লগ হৈছে। চিন্নাৰ নদীৰ বেলেগ এটা নাম সনৎকুমাৰ নদী। মানুহে ধৰি লৈছে যে, যি ভূগৰ্ভকুণ্ড এই নদীৰ উৎস, সেই কুণ্ড মহৰ্ষি সনৎকুমাৰে বনাইছিল।

সেই ঠাইৰ সম্বন্ধে এটা। স্থানীয় প্ৰবাদ যে, এটা উপজাতি সৰ্দাৰ ইক্ৰবলে নাইকেল নদীৰ সোফালৰ পাৰত বহি আছিল। বিপৰীত পাৰত এজনী ছোৱালীয়ে লম্বা এটা লাঠি লৈ খেলি আছিল। সৰ্দাৰ বহুসময় ধৰি সেয়া চাই

হৰিগোলু

হঠাৎ ছোৱালীক জনায়, লম্বা লাঠিৰে জপিয়াই তাইক এইটো পাড়ত আহিব লাগিব। ছোৱালীজনীয়ে, হাঁহি হাঁহি জপিয়াই নদী পাৰ হৈ সোজা গুচি আহে সৰ্দাৰৰ কোলাত, মহীশূৰৰ ৰজা খবৰটো শুনি বৰ খং খাই ওঠে; তীৰ্থস্থানত এনেধৰনৰ মজা কৰা বৰ বেয়া কাম। সৰ্দাৰৰ বাবে টান শাস্তিৰ আদেশ দিয়ে, যাতে উপজাতি সকলে এই বিষয়ে সতৰ্ক

কাবেৰী নদীৰ মাহশীৰ মাছ

থাকে। হোগেনাক্কাল মাছ ধৰাৰ বাবে এটা উপযুক্ত ঠাই। মাহশীৰ নামেৰে মাছ ইয়াৰ নদীবোৰত পোৱা যায়। এই মাছবোৰ বৰ ডাঙৰ হয়, কোনো কোনো মাছ ওজনত ৫০ কেজিৰ বেচি হৈ থাকে। এটা সময়ত শোল মাছ বৰ আছিল, কিন্তু পৰিবেশ দূষনৰ ফলত সিঁহতৰ সংখ্যা কমি আহে।

এবাৰ কাবেৰী দক্ষিনত নামি যায়, আৰু লাহে লাহে বহল হৈ গৈ থাকে। হোগেনাক্কালৰ পৰা ৫০ কি.মি. দূৰত যত কাবেৰী তামিলনাডুত প্ৰবেশ কৰিছে, তাত মেটুৰ বান্ধ বনোৱা হৈছে। এজন ইংৰাজ ইঞ্জিনিয়াৰ আৰ্থৰ কটন ১৮৩৪ চনত এই বান্ধটো বনোৱাৰ কল্পনা কৰিলেও ১৯১০ চনত বনোৱাৰ পৰিকল্পনা লোৱা হয়। ১৯২৮ চনত মেটুৰ বান্ধৰ বনোৱাৰ কাম আৰম্ভ হয় আৰু মহীশূৰৰ পৰা বিদ্যুৎ সৰবহাৰৰ সাহায্য লৈ মাত্ৰ বছৰৰ মাজত কাম শেষ কৰা হয়। এটা কৃতিত্ব পূৰ্ন কাম।

মেটুৰ বান্ধৰ দীঘল ১৫৯০ মিটাৰ, বহল ৫১ মিটাৰ আৰু উঁখ ৬৪-২ মিটাৰ। যি সময়ত এইটো বনোৱা হৈছিল, সেইসময়ত এইটো আছিল পৃথিবীৰ



মেটুৰ বাঁধ

সবোতকৈ ভাঙৰ। গৰ্ভনৰ - জেনাৰেল স্যাৰ জৰ্জ স্ট্যানলেৰ নামেৰে এই পানীৰ ধাৰাক নাম ৰখা হয় "স্ট্যানলে জলাশয়। বাঁন্ধটোৰ তলত বনোৱা বিজুলী উৎপাদন কেন্দ্ৰৰ পৰা ৩৬,০০০ কিলোওয়াট বিজুলী উৎপন্ন হয়।

খৰাৰ সময়ত, যেনে ১৯৫২ চনত, নদীৰ তলৰ পৰা পানীৰ ওপৰলৈকে ৮-৯ মিটাৰলৈকে হৈ যায়। ১৯৭৫ ৰ খৰাত গোটেই পানী শুকাই যায় সেই সময়ত পানীৰ তলত পাওৎয়ান সাম্ৰাজ্যৰ সময়ৰ এটা মন্দিৰৰ অংশ পোৱা যায়।

কাবেৰী নদীয়ে ইয়াত সালেম আৰু পেৰিয়াৰ জিলাদুখনৰ সীমানা ভাগ কৰি গৈছে। সালেমৰ উত্তৰত সেবাৰয় পাহাড়ৰ পৰা উৎপন্ন হৈ তিৰুমতিমুট্টাৰ নদী চহৰৰ মাজেদি গৈ নামক্কলৰ ওচৰত কাবেৰীত পড়িছে। মুট্টাৰ অৰ্থ মুক্ত। এটা সময়ত নদীত মুক্ত পোৱা গৈছিল বুলিই ইয়তো নদীৰ এনেধৰনৰ নাম। মানুহে বিশ্বাস কৰে যে, সলেম চহৰত থকা শিবমন্দিৰৰ মুৰ্তিৰ অলংকাৰৰ মাজত যি ডাঙৰ মুক্ত দেখা পোৱা যায় সেইটো তিৰু মনিমুট্টাৰ নদীৰ পৰা লোৱা। কিন্তু বৰ্তমানত নদীৰ বৰ বেয়া অৱস্থা। চহৰৰ কল-কাৰখানাৰ বেয়া বস্তুবোৰ নদীৰ পানীৰ দূষিত কৰি আছে, পানীৰ স্ৰোত লাহে লাহে কমি গৈ আছে। বাৰিষা কালত বৰষুনৰ সময়ত নদীৰ পানী বাঢ়ি গৈ সালেম চহৰক ডুবাই পেলায়।

বস্ত্ৰশিল্প আৰু স্টেনলেছ স্টীল শিল্পৰ বাবে সালেম প্ৰসিদ্ধ। ইয়াত বনোৱা বিছনাৰ চাদৰ আৰু ধুতি দক্ষিন ভাৰতত বিশেষ উল্লেখযোগ্য। সেবাৰয় পাহাড়ৰ ওপৰত থকা ধুনীয়া পৰ্যটন কেন্দ্ৰ ইয়াৰকাৰ্ড সালেম চহৰক যেন ৰক্ষা কৰি চলিছে। গৰমৰ দিনত গৰম যেতিয়া সহ্য কৰিব নোৱাৰা হয়, সেই সময়ত ইয়াৰকাৰ্ডত গলে গৰম কাপোড় পিন্ধিব লাগে।

অমৃত ভাৰতী, ভাৰতীয় বিদ্যাভৱন, ১৯৯৮

# তিনি যক্ষ ছোৱালীৰ তিনিটা বৰ

ৰাম আৰু ৰাজা অকল এটা নগৰতেই বাস নকৰে সিঁহত দুজনে ওচৰা ওচৰি ঘৰত থাকে।

ৰাম বৰ কষ্ট কৰিব পৰা মানুহ। তেঁও নিজৰ ক্ষেতি-পথৰে বোৰ বৰ ভালদৰে চায়। ফলত, ভাল ফসল হয়। সংসাৰত প্ৰয়োজনৰ পাছত বাকী বোৰ বেচি দিয়ে। এখন ঘৰ বনায়। তেঁও কৃপন নহয়, কিন্তু সাবধানে খৰচ কৰে, কোনো বিলাস বুলি ৱস্তুটো নাই। সাধাৰন জীৱনলৈ তেঁও খুচি।

ৰাজা অলপ বেলেগ। কষ্ট কৰিব তেঁও নোৱাৰে, আকৌ আনফালে আৰামৰ জীবনৰ বাবে বৰ খৰচ কৰে। ইয়াৰ বাবে তেঁওক ধাৰ কৰিব লগা হয়, ইয়াৰ বাবে তেঁও ক্ষেতি-পথাৰও বেচি দিছে। বুঢ়া মা সদায় অসুখত ভোগে। ঘনীয়েনৰ লগত সদায় কাজিয়া লাগি থাকে। এনেদৰে ৰাজাৰ জীৱন বৰ দুখৰ হৈ ওঠে। তেঁওৰ ঘনীয়েকে ৰামৰ সংসাৰক দেখি হিংসা কৰে। আনফালে ৰামৰ ঘনীয়েকৰ মনত ৰাজা বা তেঁওৰ পৰিবাৰৰ সম্বন্ধে কোনো বেয়াভাব নাই।

ৰাম আৰু ৰাজা প্ৰতিমাহে এদিনকৈ একেলগে চহৰত যায়, গোটেই মাহৰ দৰকাৰী বস্তুবাহিনীবোৰ কিনি লৈ আহে। চহৰত যোৱাৰ বাবে জংগলৰ পথেৰে সিহতে গৈ থাকে সাধু কৈ কৈ।

এদিনখন, দুয়োৱে চহৰত গৈছে। তাৰ পৰা বস্তুবাহিনী কিনি বস্তাত ভৰ্তি কৰি জংগলৰ পথেৰে আহি আছিল। পথত সিঁহতৰ কিমান কথা হয়। সেই সময়ত ৰামে ৰাজাক কলে, "আমাৰ দেশৰ ৰানীৰ হঠাৎ এই মৃত্যুত ৰজায় বৰ কষ্ট পাইছে। ৰজাৰ এই মানসিক অৱস্থাৰ সুযোগ লৈ ওচৰচুবুৰীয়াৰ ৰজায় হঠাৎ যুদ্ধ ঘোষনা কৰে। আমাৰ ৰজা বৰ চিন্তাৰ মাজত আছে, যুদ্ধৰ প্ৰস্তুতি নথকাত হয়তো দেশৰ

লীলা জোশী

পৰাজয় হব পাৰে।”

ৰামৰ কথা শুনি ৰাজায় হাঁহি কয়, “ৰাজসিংহাচনত যোনেই নবহক, তাতে আমাৰ কি হ’ল। যোনেই আহক, সকলো অবস্থাত আমাৰ এই বস্তাক মাথাত লৈ জংগলৰ বাঁটেৰে গাঁওত যাব লাগিব। কোনো ৰজায় আমাক ইয়াৰ পৰা মুক্তিদিব নোৱাৰে।”

ৰাজাৰ মন্তব্যৰ কোনো উত্তৰ নিদিয়ে ৰামে, মনে মনে গৈ থাকে।

সেইটো শাওন মাহ হলেও মেঘৰ চিন নাই। দিনৰ তৃতীয় প্ৰহৰ, তথাপি, সূৰ্যৰ বৰ তাপ, বৰ গৰম। ৰামে অলপসময়ৰ পাছত আকৌ কলে, “বলা, দেশৰ বিষয়ে তোমাৰ অলপো চিন্তা নাই। কিন্তু ইমানখিনি তো চিন্তা কৰিব পাৰা যে দুবছৰ ধৰি কোনো বৰষুন হোৱা নাই।”

ৰামৰ এই কথাৰ কোনো গুৰুত্ব নিদিয়ে ৰজায়, মুৰ্খৰ নিচিনা উত্তৰ দিলে, “তোমাৰ খেতি-পথাৰ আছে, তাৰবাবে বাৰিষাৰ বাবে ইমান চিন্তা। মোৰ কি, ইয়াত বাৰিষা ন হলে বেলেগ কৰবাত গৈ জমি চষৰ বাবে লাগি যাম।”

জংগলৰ পথেৰে দুয়োৱে যেতিয়া গৈ আছিল, তেতিয়া ৰাজাৰ এজন চিনাকী মানুহ এজনে সিঁহতক দেখা পায়। সেই মানুহ জনে গাড়ীত গৈ আছিল। ৰাজাক খোজকঢ়া দেখি তেঁও কলে, “গাড়ীত বহিব পৰা এটা জেগা আছে, সোনকালে গুচি আহা।” “মনত একো নাভাবিবা” ৰামক এই কথা কৈ ৰাজায় গাড়ীত উঠি বহে, গাড়ী চলিবলৈ আৰম্ভ কৰে।

ৰামে অকলে জংগলৰ মাজেৰে গৈ আছিল। বাঁটত গছৰ পৰা ভঙা এডাল ঠাঁৰি পড়িছিল। সেইডাল ভৰিত লাগে, ৰামে মাটিত পৰি যায়। অজ্ঞান হৈ যায় আঘাত পাই বস্তাৰ বস্তুবাহিনীবোৰ সকলো ৰাস্তাত পড়ি যায়। যেতিয়া তেঁওৰ জ্ঞান আহিছে তেতিয়া সন্ধিয়া হৈগৈছিল। বস্তু বাহিনীবোৰ যিবিলাক মাটিত পড়িছিল সোনকালে সেইবোৰ বস্তাত ভৰায়। বাঁটত পড়ি আছিল বহুতো পুৰনিকালৰ তামাৰ আংঠি। সেইটো দেখা পাই তুলি লৈ আঙুলিত লগাই ঘৰত অহাৰ বাবে খোজকাঢ়ি থাকে।

গৈ গৈ হঠাৎ তেঁওৰ দৃষ্টি পৰে গছৰ ফাঁকে ফাঁকে দেখা পায় এখন ধুনীয়া ঘৰ, পোহৰ জলি আছে। সেই জংগলৰ পথটো তেঁওৰ ভালদৰে জন্য, গছ-গছনি বাদে জংগলত আৰু একো দেখা নাই কেতিয়াও। ঘৰটোৰ কথা চিন্তাৰ বাহিৰত। কিন্তু হঠাৎ এনেকুৱা এখন ঘৰ। তেঁও বুজি নাপায় এই ধুনীয়া ঘৰখন

কৰ পৰা আহিল। খাড়া হৈ যায়, মূৰৰ পৰা বস্তাটো নমাই ৰাখে, আৰু ঘৰখন ভালদৰে চায়। সেই সময়ত, যিটো আঙুলিত আঙুঠিটো পিন্ধিছিল, সেইটো আঙুলিত বিখাই আছিল। আঙুলিটোৰ পৰা খুলি বেলেগ আঙুলিত পিন্ধে। কিন্তু কি আচৰিত, মূৰ উঠাই চায়, আগত ঘৰখনৰ কোনো চিন নাই।

এটা আঙুলিৰ পৰা অন এটা আঙুলিত আংঠিটো পিন্ধাৰ বাবেই কি ঘৰখন অদৃশ্য হৈ গ'ল। এই বুলি ভাবি আকৌ প্ৰথম আঙুলিটোত আংঠিটো পিন্ধে। সচাঁকৈ, আকৌ আগত দেখিবলৈ পায় সেই পোহৰ থকা ঘৰখন। এতিয়া তেঁওৰ বিশ্বাস হয়, সেই জংলী আঙুঠিটো সেই আঙুলিটোত পিন্ধাৰ বাবেই ঘৰখন আকৌ দেখিবলৈ পোৱা গৈছে। ঘৰখনৰ বাহিৰত ইমান ধুনীয়া পোহৰ, ভিতৰখনৰ, দৃশ্য নিশ্চয়ই আৰু ধুনীয়া হব। ঘৰখনৰ ভিতৰত গৈ দেখিবলৈ মন যায় তেঁওৰ। তাৰবাবে লাহে লাহে বৰ সাবধানে ঘৰখনৰ ভিতৰতগৈ সুমায়। ভয় পাই আছিল।

আগফালৰ ঘৰখনত তিনিজনী যক্ষ-ছোৱালী হাঁহি হাঁহি কথা কৈ আছিল। সেই ঘৰখনত হঠাৎ এজন অচিনাকী মানুহজনক দেখি সিহঁতে আচৰিত হয়। তেঁও সিঁহতে প্ৰশ্ন কৰে, আপোনি কোন? ইয়াত কি বিচাৰিছে?"

ৰামে তেঁওৰ পৰিচয় দি কলে, বাহিৰৰ পৰা ঘৰখনৰ পোহৰ আৰু সৌন্দৰ্য চাই তেঁওৰ ইচ্ছা হয় ঘৰৰ ভিতৰখন দেখিবলৈকে, তাৰবাবে তেঁও ভিতৰত আহে।

"ইয়াত মানুহৰ প্ৰবেশ নিষেধ। উভতি যাঁওক আপোনি। আৰু আগ নাবাঢ়িব, তেনেহলে আপোনাৰ বিপদ হব।" এজনী



যক্ষ ছোৱালীয়ে কলে।

"আপোনি যদি ইয়াৰ পৰা গুচি যায় তেতিয়াহলে আমি তিনিজনীয়ে আপোনাক তিনিটা বৰ দিম।" দ্বিতীয় যক্ষ-ছোৱালীজনীয়ে কলে।

"আমাৰ নাম উদয়া, সন্ধ্যা আৰু নিশা। আমাৰ তিনিজনীৰ যিকোনো এজনীৰ নাম সাতবাৰ কৰি জপ কৰিলে আপোনি যি বিচাৰিব তাকেই পাব।" তৃতীয় যক্ষ-ছোৱালী জনীয়ে কলে।

ৰামে লগে লগে উদয়াৰ নাম সাতবাৰমান কৈ কলে, "আমাৰ দেশক যি শক্ৰদেশে আক্ৰমন কৰিবলৈ বিচাৰিছে সেই দেশৰ ৰজাৰ যেন মনৰ পৰিবৰ্তন হয় আৰু আমাৰ ৰজাৰ লগত যেন সন্ধি কৰে।"

আকৌ তেঁও সন্ধ্যাৰ নাম উচ্চাৰন কৰি

কলে, "আমাৰ গাঁওত যেন প্ৰতি বছৰ প্ৰয়োজন অনুসাৰ বৰষুন হয়।"

নিশাৰ নাম লৈ ৰামে কলে, "পৰিশ্ৰম কৰি যিখিনি উপাৰ্জন কৰো তাকেই যেন মোৰ পৰিবাৰ আৰু মই সুখী আৰু সন্তুষ্ট হও।"

তিনিজনী যক্ষা-ছোৱালীয়ে ৰামৰ দেশভক্তি, জন্মভূমিৰ প্ৰতি তেঁওৰ ভালপোৱা আৰু নিজৰ ব্যক্তিগত জীৱনত এনেকুৱা নিঃস্বাৰ্থ আৰু নিৰ্লোভ প্ৰাৰ্থনা দেখি বৰ খুচি হয়। বাকী ৰাতিটো তেঁওক তাতেই থাকিব দিয়ে। ৰাতিপুৱা হলে সিঁহতৰ পৰা বিদায় লৈ সোনকালে গাঁওত আহি পায়।

গাঁওৰ সীমানাত ভৰি দিয়াৰ পাছতেই তেঁওৰ কানত আহে ঢোলৰ শব্দ, তাৰপাছত ঘোষনা শুনে, "সকলোৱে শুনা, শুনা, খুচিৰ সংবাদ, শত্ৰুৰজা আমাৰ ৰজাৰ লগত সন্ধি কৰিছে আৰু যুদ্ধ নহব।"

ঘোষনা শুনি ৰামে বৰ খুচি হয়। তেঁও ঘৰত অহাৰ লগে লগে বৰষুন হয়। দুবছৰৰ পাছত বৰষুন হ'ল। ভিতৰত সুমাই প্ৰথমতে তেঁওৰ ঘনীয়েকৰ লগত আঙুঠিৰ ৰহস্যৰ কথা জনাই সকলো কলে। আৰু শত্ৰুৰজাৰ সন্ধি, হঠাৎ বৰষুন সেই সকলো ৰহস্যময় আঙুঠিৰ প্ৰভাবৰ ফলত এই দিব্য আঙুঠিটোক শ্ৰদ্ধা ভক্তি সহকাৰে ৰাখিব লাগিব। কোৱা শেষ কৰি আঙুঠিটো আঙুলিৰ পৰা খুলি ঘনীয়েকৰ হাতত দিয়ে ৰামে। ঘনীয়েকে ভক্তিভৰি দুয়োহাতেৰে আঙুঠিটো লৈ মূৰত লগাই নামঘৰত নি ৰাখি দিয়ে।

ৰামে উভতি আহিছে বুলি ৰাজায় জানিব পাৰে। বৰষুন আহি আছে। ৰামৰ আগত জানিবলৈ আহিছে কেনেকৈ গোটেই ৰাতিটো জংগলত কটালে। কিন্তু মেলি থোৱা খিৰিকিৰে দেখা পায়, ৰামে তেঁওৰ ঘনীয়েকৰ লগত কথা কৈ আছে। তেঁও খাড়া হৈ যায়। আঙুঠিটোৰ বিষয়ে ৰামে যি কলে সকলোবোৰ শুনিলে। সকলোবেৰে কথা শুনি বৰষুনৰ মাজত নিজৰ ঘৰত গুচি আহে ৰামৰ লগত নেদেখাকৈ। ঘৰত গৈ ঘনীয়েকক মতি আঙুঠিটোৰ বিষয়ে কৈ তাৰপাছত কলে, "যেনেকৈ হওক, সেই আঙুঠিটো ৰামৰ ঘৰৰ পৰা লৈ আহা, আমিও তেতিয়াহলে যক্ষ-ছোৱালীবোৰৰ পৰা তিনিটা বৰ লৈ আহিম।"

"মোৰ বাবেও এটা বৰ লৈ আহিবি ৰাজা কিমানদিন ধৰি বেমাৰত বিছনাত শুই আছো।" উঃ আঃ কৰি কৰি ৰাজাৰ মায়ে কলে।

"মোৰ বাবে এখন ঘৰ, ধুনীয়া ডাঙৰ ঘৰ চাই লবা।" ৰাজাৰ পত্নীয়ে কলে।

"ঠিক আছে, ঠিক আছে; প্ৰথমে আঙুঠিটো লৈ আহা।" ঘনীয়েকক ৰাজায় কলে। ৰাজাৰ ঘনীয়েকে বাগিচাৰ পৰা তিনি চাৰিটামান ফুল লৈ সেৱা কৰাৰ বাবে ৰামৰ ঘৰ আহে।

বৰষুন কমিছে। ৰামে তেতিয়া গাধুব গৈছে। তেঁওৰ ঘনীয়েকে পাকঘৰত পাক কৰি আছে। ৰাজাৰ ঘনীয়েকে কলে, "ভনি, আজি শুকুৰ বাৰ, তোমাৰ সেৱাৰ বাবে কেইটামান ফুল আনিছো।"

"বৰ ভাল। নামঘৰটোত ৰাখি দিয়া। মই তেঁওৰ বাবে খোৱা বনাই আছো।" পাকঘৰৰ পৰা ৰামৰ ঘনীয়েকে কলে। ৰাজাৰ ঘনীয়েকে নামঘৰত সুমাই ফুলবিলাক থৈ আঙুঠিটো চুৰি কৰি লৈ সোনকালে ঘৰৰ পৰা ওলাই নিজৰ ঘৰত গুচি আহে।

ৰাজায় ঠিক তেনেকৈ কৰিলে যেনেকৈ ৰামৰ মুখত বিবৰন শুনিছে। জংগলৰ ভিতৰত সেইঠাইত গৈ ভবনটো দেখা পালে। ভবনটোৰ ভিতৰত সুমাই তিনিজনী যক্ষ ছোৱালীক দেখা পায়। ৰাজাক দেখা পাই একে ধৰনৰ প্ৰশ্ন কৰে যেনেকৈ ৰামক কৰিছিল।

"মই তিনিটা বৰ পোৱাৰ আশাত আহিছো।" ৰাজায় উত্তৰ দিয়ে। ৰাজাৰ কথা কোৱা আৰু মনৰ ভাব সকলো তিনিজন যক্ষ-ছোৱালীয়ে গ'ম পায়। তাহাতৰ মাজত এজনে কলে, "আমি সকলোৱে আপোনাক বৰ দিম, কিন্তু তামৰ আঙুঠিটো আমাক ঘুৰাই দিয়া।"

"কিন্তু মই মোৰ ঘৰত মা আৰু ঘনীয়েকৰ লগত একেলগে বৰ পাব বিচাৰো। বৰ লাভৰ প্ৰক্ৰিয়াতো মই জানো তোমালোকৰ তিনিজনীৰ ভিতৰত এজনীৰ নাম সাতবাৰ উচ্চাৰন কৰি বৰ লব লাগিব।"

"ঠিক তেনেকৈ।" তিনিজনী যক্ষ-ছোৱালীয়ে একেলগে অসন্তুষ্ট হৈ কলে।

"যি নহওক। যি কামৰ বাবে আহিছিলো সেয়া পূৰ্ন হ'ল।" এই বুলি ৰাজায় আঙুঠি খুলি যক্ষ-ছোৱলীৰ হাতত দিয়ে। যক্ষ-ছোৱালীজনীৰ হাতত আঙুঠিটো দিয়াৰ লগে লগে যক্ষ-ছোৱালী আৰু ভবনটো, সকলো অদৃশ্য হৈ যায়।

কিন্তু ৰাজা খুচি, কাৰন বৰ লাভৰ প্ৰক্ৰিয়া পদ্ধতি যক্ষ-ছোৱালী সকলো কৈছে। এতিয়া তাহাতে থকা নথকা, তাত একো আহে নাযায়।

খুচি মনত ৰাজায় ঘৰত উভতি আহে। ঘৰত ঘনীয়েক আৰু বেমাৰী মায়ে তেঁওৰ অপেক্ষাত আছে। মা আৰু ঘনীয়েকৰ আগত সকলোবোৰ কলে। বুজাই দিয়ে ভালদৰে।

তাৰপাছত তিনিজনে এজনী-এজনী যক্ষ-কন্যাৰ নাম ভাবিবলৈ আৰু কৰে, তাৰপাছত বৰ বিচাৰে।

প্ৰথমতে বেমাৰী মায়ে কলে, তেঁও যেন এশ বছৰ বাঁচি থাকে। মোৰ বউ মোৰ নিচিনা বেমাৰীক সেৱা কৰিবলৈ খংখাই উঠিছে। তাই নিশ্চয়ই এশ বছৰ এই বেমাৰীক সেৱা কৰিবলৈ নিবিচাৰে। তাৰ বাবে যিমানদিন বাঁচি থাকিম তিমানদিন সুস্থ থাকিব বিচাৰো।

কোৱাৰ লগে লগে ৰাজাৰ মাকে সুস্থ হৈ যায়। তেতিয়া পত্নীয়ে কলে, "হায়, এয়া কি কৰিলে। মই তো ভাঙৰ ঘৰ, দাস-দাসী, সোন-ৰূপ আদি ঐশ্বৰ্য বিচাৰিলো হয়, কিন্তু এই বুড়ীয়ে তেঁওৰ এশ বছৰৰ ধুনীয়া স্বাস্থ্য বিচাৰি বৰ নষ্ট কৰিলে। হায়, সৰ্বনাশ হৈ গ'ল। নিজৰ মাক সুস্থ হোৱা দেখি ৰাজায় বৰ খুচি হয়, কিন্তু ঘনীয়েকৰ এনে ধৰনৰ ক্ষোভ দেখি কৈ ওঠে, "মোৰ মাকক সুস্থ দেখি তোমাৰ ইমান খং কিয়? ইয়াৰ বাবে কি তোমাৰ ঘৰত আকাশ ভাঙি পড়িছে? মোৰ ওচৰ চুবুৰীয়া ৰাম যদি কোটিপতি হৈ যায় তেতিয়াহলে গোটেই জীবনটো কি চিঙৰি চিঙৰি কান্দিবা?

ৰাজাৰ কথা শেষ হোৱাৰ লগে লগে ঘৰটো ভাঙিবলৈ আৰম্ভ কৰে; ভু-কম্পৰ দৰে ঘৰটো কপিবলৈ থাকে। প্ৰান বচাবলৈ সকলোৱে ঘৰ এড়ি বাহিৰত ওলাই আহে। অলপ সময়ৰ ভিতৰত ঘৰটো মাটিৰ লগত মিহি যায়।

কিন্তু ওচৰতে ৰামৰ ঘৰ। তেঁওৰ সৰু ঘৰটোৰ পৰিবৰ্তে এটা ডাঙৰ ধুনীয়া ঘৰত পৰিবৰ্তন হয়। ঘৰৰ ভিতৰত ধুনীয়াকৈ সজোৱা আছে। ৰাজাৰ ঘনীয়েকে সেয়া দেখি ডাঙৰ ডাঙৰ চকুৰে চাই থাকে আৰু হিংসা জুলি থাকে।

স্বাৰ্থপৰতা, এলেহুৱা, লোভ আৰু হিংসা কৰি, তেঁওৰ মা আৰু ঘনীয়েকে যি বেয়া ভাব লৈ যিবিলাক কৈছে, সেয়া সিংহতৰ বৰলাভ নহৈ অভিশাপত পৰিনত হয়। আনৰ দুৰ্গতি যোনে দেখিবলৈ বিচাৰে, সেই দুৰ্গতি নিজৰ মাজত নামি আহে। ৰাজা হয়তো এই শিক্ষাই লাভ কৰিছে। কোনো কথা নকৈ যিমানখিনি বস্তু পাইছে সেয়া লৈ মা আৰু ঘনীয়েকক লৈ বেলেগ ঠাইত গুচি যায় নতুন জীবন কৰি সংসাৰ আৰম্ভ কৰিবলৈ। যদি তেনেকুৱা হয়, তেতিয়াহলে ৰাজাৰ ওচৰত সেয়াই হব যক্ষ-ছোৱালীবোৰৰ পৰা পোৱা এটা মূল্যবান বৰ।



# মহাভাৰত

পৰশুৰামৰ কোৱা শেষ হলে তাৰপাছত কন্বমুনিও দুৰ্যোধক বুজায়। তেঁখেতে কলে, "দুৰ্যোধন, ধৰ্মৰাজৰ লগত বন্ধুত্ব কৰিলে তোমাৰ সকলো ফালেদি ভাল। ইয়াৰ বাবে তোমাৰ শক্তি বাঢ়িব, তোমালোক দুয়োৱে গোটেই পৃথিবীত ৰাজ্যবোগ কৰিব পাৰিবা যদি ভাবা যে তুমি অকলে শক্তিশালী পুৰুষ, সেয়া তোমাৰ ভূল হব। তাৰবাবে তোমাক মাতলিৰ কথা শুনাই আছো।"

দেবেন্দ্ৰৰ সাৰথি মাতলিৰ ছোৱলী গুনকেশী বৰ ধুনীয়া আছিল। তেঁওৰ নিচিনা এজন জোৱাই এই পৃথিবী আৰু স্বৰ্গৰ কতও পোৱা নাযায়। মাতলি তেতিয়া ছোৱালীক লৈ নাগলোকত যায়। বাঁটত নাৰদৰ লগত লগ হয়।

বৰুনদেব দুয়োক স্বাগত জনায়, সিহতক সৎকাৰ কৰাৰ পাছত নাগলোকত ভ্ৰমন কৰিবলৈ অনুমতি দিয়ে। নাগলোকত বিচাৰি বিচাৰি ভোগবতীপুৰত এজন বৰ ধুনীয়া যুবকক মাতলিয়ে তেঁওৰ ছোৱালীৰ বাবে পছন কৰে। তাৰ নাম সুমুখ।

"এই যুবক গুনকেশীৰ বাবে সবফালেদি যোগ্য। সুতৰাং তাইৰ লগত বিয়াৰ বাবে সুমুখক আপোনি সম্মত কৰাক।" মাতলিয়ে নাৰদক অনুৰোধ কৰে।

নাৰদে সুমুখৰ ককা দেউতা আৰ্যকৰ লগত চিনাকী কৰাই দিয়ে আৰু তেঁওৰ ইচ্ছাবোৰ কয়। তেতিয়া আৰ্যকে এই প্ৰস্তাবত



খুৰ্চিহৈ কলে, "ঋষি! গৰুড়ে মোৰ লৰাটোক মাৰি খাইছে, মোৰ নাতিন সুমুখক অহা মাহত খাব বুলি জনাইছে। ইয়াৰ বাবে আমি সকলোৱে ভয় পাই আছো। এই অৱস্থাত বিয়াৰ বাবে কথা কেনেকৈ দিও?"

মাতলিয়ে চিন্তা পড়ে। অলপ সময় চিন্তা কৰাৰ পিছত কলে, "মহাশয়, আপোনাৰ নাতিন সুমুখক নাৰদ আৰু মোৰ লগত দেবেন্দ্ৰৰ ওচৰত পঠাই দিয়ক। গৰুড়ৰ হাতৰ পৰা তাক আমি বঁচাই আনিম, মৃত্যৰ পৰা বাঁচি যাব। এই কামটোক আমাৰ হাতত এড়ি দিয়ক।"

আৰ্যকে মাতলিৰ প্ৰস্তাবত একেমত হয়। সুমুখক লগত লৈ মাতলি আৰু নাৰদে দেবেন্দ্ৰৰ ওচৰত আহে। সেই সময়ত বিষ্ণুৰ লগত দেবেন্দ্ৰয়ে কথা পাতি আছিল। মাতলিয়ে সকলোবোৰ কথা কলে। মাথলিৰ কথা শুনি বিষুওয়ে ইন্দ্ৰক কলে, "সুমুখক অমৃত খোৱাই দেবতাসকলক অমৰ কৰি দিয়া। ফলত নাৰদ আৰু মাতলিৰ ইচ্ছা পূৰন হব।"

এইবোৰ কৰি দেবেন্দ্ৰয়ে গৰুড়ৰ ক্ৰোধৰ শিকাৰ হব নিবিচাৰে। তেঁখেতে বিষ্ণুক কলে, "আপোনাৰ নিজৰ হাতেৰে সুমুখক আপোনি অমৃত খোৱাক।"

বিষ্ণুয়ে তেতিয়া আকৌ ইন্দ্ৰক কলে, "তুমি ত্ৰিলোকৰ অধিপতি। কাক তুমি ভয় কৰা? তুমি নিৰ্ভয়ত এই কাম কৰা।"

দেবেন্দ্ৰয়ে সুমুখক দীৰ্ঘায়ুৰ আশীৰ্বাদ দিয়ে কিন্তু অমৃত নিদিয়ে। গৰুড়ৰ পৰা ভয় নথকাত সুমুখে গুনকেশীক বিয়া কৰি আনন্দত জীবন কটাই থাকে।

সুমুখৰ দীৰ্ঘায়ু লাভ আৰু বিয়াৰ খবৰ পাই গৰুড়ৰ বৰ খং ওঠে, ইন্দ্ৰৰ ওচৰত দৌড়ি আহি কলে, "তুমি মোৰ আহাৰক দূৰত লৈ গৈ মোক অপমান কৰিছা। মোৰ শক্তিৰ কথা জানিও এই দুঃসাহস কৰিছা। গৰুড়ে যেতিয়া কাৰোবাক শাপ দিয়ে, তেতিয়া তাৰ অবশ্যই কোনো কাৰন থাকে। মোৰ অনুমতি নলৈ তুমি এই কাম কৰিছা। এই অপৰাধৰ বাবে তোমাক দণ্ড পাব লাগিব।"

তেতিয়া বিষ্ণুয়ে গৰুড়ৰ এই কথাবোৰ শুনি কলে, "মোৰ আগত তুমি নিজৰ বিষয়ে ইমান ভাওৰ ভাওৰ কথা কৈ আছা। যেন লাগিছে, মোৰ বাহন বুলিয়েই তোমাৰ ইমান

অহংকাৰ। সঁচাকৈ কলে, তুমি মোক বহন নকৰা, মইহ তোমাক বহন কৰোঁ। যদি তুমি ভাবা যে তুমি মোক বহন কৰিছা, তেতিয়াহলে মোৰ এই বাঁও হাতখনৰ ভাৰ অলপ লোৱা।"

এই বুলি বিষ্ণুয়ে তাঁৰ বাঁও হাতখন গৰুড়ৰ পিঠিৰ ওপৰত ৰাখে। সেই বাঁও হাতখনৰ ভাৰত গৰুড়ে তলত ঝুঁকি পড়ে, জীৱনটোই যেন যাব ধৰিছিল।

গৰুড়েৰ অংহকাৰ চূৰ্ন হয়। তেঁখেতে বিষ্ণুৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি প্ৰানাদিবলৈ অনুনয় বিনয় কৰে।

এই কাহিনী শেষ কৰি দুৰ্যোধনক কন্বয় কলে, "দুৰ্যোধন, যুদ্ধক্ষেত্ৰত যেতিয়া তুমি পাণ্ডবসকলৰ মুখামুখী হবা তেতিয়া তোমাৰ ও অভিমানী গৰুড়ৰ দৰে অবস্থা হব। আজি তোমাক ৰক্ষা কৰিবলৈ কৃষ্ণয় নিজে তোমাৰ দুয়াৰত আহি উপস্থিত হৈছে। তেঁওৰ কথাক মান্য কৰি নিজক আৰু নিজৰ বংশক সৰ্বনাশৰ হাতৰ পৰা ৰক্ষা কৰা।"

দুৰ্যোধনে কন্বেৰ কথ বোৰ শুনি হাঁহি উড়াই দিয়ে। কৰ্নৰ ফালে চাই হাঁহি আকৌ কন্বক কলে, "মই ভালদৰে জানো যে মোক কি কৰিব লাগিব, আৰু কি কৰিব নালাগিব। কাৰোবাৰ পৰামৰ্শ মোৰ প্ৰয়োজন নাই।"

ইয়াৰ পাছত নাৰদে দুৰ্যোধনক কলে, "দুৰ্যোধন, মঙ্গল কামনা কৰাৰ মানুহৰ সংখ্যা ইয়াত বৰ কম। তোমাৰ নিজৰ খং বাদদি তেঁওৰ কথাত কান দিয়া, আৰু নিজৰ হিতক ৰক্ষা কৰা। খং সদাই সৰ্বনাশৰ কাৰন হৈ

থাকে। উদাহৰন স্বৰূপে বিশ্বমিত্ৰৰ শিষ্য গালবৰ কথা কৈ আছো, শুনা। সি তোমাৰ দৰেই খঙাল আছিল।

শিক্ষা সমাপ্তিৰ পাছত গালব তাৰ গুৰুক গুৰু দক্ষিনা দিব বিচাৰে। গুৰুযে জনায়, তেঁওৰ কোনো গুৰুদক্ষিনাৰ প্ৰয়োজন নাই। তথাপি শিষ্যয় দিব বিচাৰে। তেতিয়া বিশ্বামিত্ৰ খংত কলে, "যদি তুমি সচাঁকৈ গুৰুদক্ষিনা দিবা বুলি ভাবা, তেতিয়াহলে মোক আটশা বগা ঘোড়া দিবা, যোঁনবিলাকৰ এটা কান কোলা।"

গুৰুদেবৰ এনেধৰনৰ ইচ্ছাৰ কথা শুনি গালব যেন বেঙা হৈ যায়। তাৰ লগত টকা-পইচা নাই ঘোড়া কিনিবলৈ আৰু তোন ধৰনৰ বগা ঘোৰা কত পোৱা যাব সেয়াও

নাজানে। সি ভগৱান বিষ্ণুক স্মৰন কৰে।

তেতিয়া তাৰ আগত গৰুড়ে আহি কলে, "ভগবান বিষ্ণুয়ে তোমাৰ ওচৰত অহাৰ বাবে মোক আদেশ দিছে, আৰু কৈহে যত তুমি যাব বিচৰা লৈ যাম।"

গালবে বৰ খুচি হয় আৰু গৰুড়ৰ পিঠিৰ ওপৰত বহে আৰু পুবফালে চলিবলৈ আদেশ দিয়ে। গৰুড়ে সোনকালে উড়ি গৈ থাকে।

"তোমাৰ গতি কমোৱা। মই একোৱেই দেখিবলৈ পোৱা নাই। এটা বিশেষ ধৰনৰ ঘোৰা বিচাৰিছো মই।" গালবে গৰুড়ক কলে।

ইয়াৰ পাছত বৃষভ নামেৰে এটা পৰ্বতৰ ওপৰত গৰুড়ে নামে। তাত শান্তিলি নামেৰে এজন সাধুয়ে সিঁহতক স্বাগত জনায়।

গৰুড়ে গালবক কলে, "অশ্বৰ বাবে তোমাৰ প্ৰথম প্ৰয়োজন টকা-পইচা। তেতিয়াহলে ঘোৰাৰ ব্যৱস্থা হৈ যাব। যদি তুমি কোৱা তেতিয়াহলে মোৰ বন্ধু প্ৰতিষ্ঠান পুৰৰ ৰজা যযাতিৰ ওচৰত তোমাক লৈ যাও। ঘোৰাৰ বাবে টকা-পইচা তাৰ পৰা বিচাৰিম।" গালবে লৈ যাবলৈ কলে গৰুড়ে তাক লৈ যযাতিৰ ওচৰত লৈ যায়।

গালবৰ কথা শুনি যযাতিয়ে কলে, "বন্ধু, মোৰ লগত বেচি টকা-পইচা নাই। তাৰবাবে টকা পইচা দিব পৰা নাই। মোৰ ছোৱালী মাধবীৰ লগত তোমাৰ বিয়া দিব পাৰো। তাইৰ সহায়তাত তুমি ঘোৰা পাই যাবা।"

মাধবীক ঘনীয়েক হিচাবে গালবে স্বীকাৰ কৰাৰ পাছত গৰুড়ে কলে, "এতিয়া তুমি এই মাধবীৰ সহায়তাত ঘোৰাৰ ব্যৱস্থা কৰি লবা। মই গৈ আছো।"

গালবে তেতিয়া মাধবীক লগত লৈ অযোধ্যাৰ ৰজাৰ ওচৰত আহে। ৰজাক নিজৰ কথাবোৰ জনায়। অযোধ্যাৰ ৰজা গালবক কলে, "এই ছোৱালী মাধবী ধুনীয়া আৰু গুনী। তাইক মোক দিয়া, ইয়াৰ পৰিবৰ্তে ঘোৰা লৈ যোৱা। মোৰ এহেজাৰ ঘোৰা আছে, কিন্তু যেনেধৰনৰ তুমি বিচৰা তেনেধৰনৰ অকল দুশটা ঘোৰা আছে। লৈ যোৱা তুমি।"

মাধবীয়ে গালবক কলে যে, এনেদৰে তাইক বেলেগ ৰজাৰ হাতত দি প্ৰয়োজনীয় ঘোৰা লব লাগিব।

মাধবীৰ সহায়ত ৰজাৰ এটা পুত্ৰসন্তান হোৱাৰ পাছত ৰজায় তাইক গালবৰ ওচৰত

পঠাই দিয়ে। ইয়াৰ পাছত গালবে কাশীৰ ৰজা দিবোদাসৰ ওচৰত যায়। তেঁওৰ ওচৰত কোলা কান থকা বগা ঘোৰা দুশমান আছে। মাধবীক গ্ৰহন কৰি দুশা বগা ঘোৰা তেঁখেতেও দিয়ে। এক বছৰমান পাছত এটা পুত্ৰসন্তান ৰজায় লাভ কৰিলে মাধবীক গালবৰ ওচৰত পঠাই দিয়ে।

এইদৰে গালবে ভোজনগৰৰ ৰজা উশীনৰৰ ওচৰত মাধবীক দি তেঁখেতৰ পৰা দুশটা ঘোৰা পাই যায়। আৰু দুশটা ঘোৰা লাগিব। কিন্তু গালবে নাজানে, কথ গলে পোৱা যাব।

সেইসময়ত হঠাৎ গৰুড়ৰ লগত গালবৰ লগ হয়। গৰুড়ে কলে বাকী দুশ ঘোড়া বাবে বিচাৰি পৰিশ্ৰম কৰি লাভ নাই। কাৰন ত্ৰিভুবনৰ কতও সেইধৰনৰ ঘোৰা নাই। সুতৰাং মাধবীক বিশ্বমিত্ৰৰ ওচৰত ৰাখি যৈ তেঁখেতৰ পৰা বাকী ঘোৰা লৈ লোৱা।

গালবে তেনেধৰনেই কৰে।

নাৰদে কাহিনী শেষ কৰাৰ পাছত দুৰ্যোজনক কলে, "ইমান ছেষ্ঠা কৰিও গালবে তাৰ জিদক পুৰাব নোৱাৰিলে। তুমিও তোমাৰ এই জিদক পাহৰি যোৱা ভাঙৰ হতৰ কথা মানি লোৱা।"

এইবোৰ উপদেশ বা সৎ-পৰামৰ্শৰ কোনো প্ৰভাব দুৰ্যোধনৰ ওপৰত নপড়ে। ধৃতৰাষ্ট্ৰ নিৰাশ হৈ শ্ৰীকৃষ্ণক কলে, "কৃষ্ণ, যিবোৰ হৈ আছে তাত মই হতাশ হোৱা নাই। মই পৰাধীন। দুৰ্যোধনক বুজোৱা মোৰ সাধ্যৰ বাহিৰত। তুমি নিজে এবাৰ



চেষ্ঠা কৰি চোৱা।"

তেতিয়া শ্ৰীকৃষ্ণ দুৰ্যোধনক কলে, "যিবোৰ কাম বেয়ামানুহে কৰে সেয়া তোমাৰ নিচিনা মানুহে কৰিব নাপায়। তুমি নিজে জানা কোনটো ভাল, কোনটো বেয়া যুদ্ধৰ ফল সকলোৰে অৰ্বনাশ। পাণ্ডবসকলৰ যুদ্ধবিদ্যাৰ কথা ভাবা। সিঁহতৰ লগত একেলগে মিলি থাকিলে সকলোৱে খুচি হব।"

ভীষ্ম আৰু দ্ৰোনে শ্ৰীকৃষ্ণৰ বক্তব্যক সমৰ্থন জনায়।

বিদুৰে তেতিয়া দুৰ্যোধনক কলে, "তোমাৰ বিষয়ে মই নাভাবো। মোৰ চিন্তা তোমাৰ মা-দেওতা গান্ধাৰী আৰু ধৃতৰাষ্ট্ৰৰ ভবিষ্যতৰ কথা চিন্তা কৰি। তোমালোকৰ জন্ম

দিয়াৰ পাছতই সিহতৰ অনাথ হব লগা হৈছে।”

ধৃতৰাষ্ট্ৰ আকৌ এবাৰ দুৰ্যোধনক বুজাবলৈ চেষ্টা কৰি কলে, “কৃষ্ণৰ এই কথাবোৰ মানি ললে সবফালে ভালেই হব। এনেধৰনৰ ধুনীয়া সুযোগ নষ্ট কৰা বুদ্ধিমানৰ কাম নহব।”

এইবোৰ কথা দুৰ্যোধনৰ ভাল নালাগে। তেঁও শ্ৰীকৃষ্ণক কলে, “কৃষ্ণ, সকলোৱে মোকেই দোষ দি আছে। তুমিও পাণ্ডৱসকলৰ সমৰ্থন কৰি চলি আছা। দুয়োপক্ষৰ শক্তিৰ বিষয়ে তুমি এবাৰও ভবা নাই। বুজি পোৱা নাই, মই এনেকুৱা কি পাপ কৰিলো যে সকলোৱে মোক উপদেশ দি আছে। পাণ্ডৱসকলে সিঁহতৰ নিজৰ ইচ্ছাত জুৱা খেলিছে আৰু সৰ্তমতে বনবাসত গৈছে। ইয়াত মোৰ দোষ কত? পাণ্ডৱসকলে কি আমাৰ লগত যুদ্ধৰ কথা ভাবি আছে? যদি সিঁহতে যুদ্ধ কৰে তেতিয়াহলে আমিও যুদ্ধ কৰিবলৈ সাঁজু হম। পৃথিবীৰ যি কোনো ৰজা, এনেকি ইন্দ্ৰৰ লগত যুদ্ধ কৰিবলৈও আমি ভয় নকৰো।

যেতিয়া ৰাজনীতিৰ বিষয়ে ভালদৰে জনা নাছিলো, পাণ্ডৱসকলক তেতিয়া ৰাজ্য দিছিলো, এতিয়া, যিমানদিন মই বাঁচি থাকিম তিমানদিন সিহতক আধা কিয়, অকনমান মাটিও নিদিও। মোক আৰু উপদেশ নিদিবা।”

শেষবাৰৰ বাবে সাবধান কৰি দি শ্ৰীকৃষ্ণয় দুৰ্যোধনক কলে, “তোমাৰ ইচ্ছাৰ দৰে বীৰগতিই তুমি পাবা। পাণ্ডৱসকলক তুমি বহুতোবাৰ ঠগাইছা, সিঁহতৰ বিপৰীতে ষড়যন্ত্ৰ কৰিছা, আৰু তুমি কৈ আছা কোনো পাপ কৰা নাই। আজি পাণ্ডৱসকলৰ অধিকাৰ মতে তুমি আধা অংশ দিব বিচৰা নাই। নিজে যি ভাল বুলি ভাবিছা তাকেই কৰি আছা। এদিনাখন সিঁহতেই তোমাৰ গোটেই ৰাজ্য অধিকাৰ কৰি লব।”

শ্ৰীকৃষ্ণৰ কথা শুনি দুৰ্যোধনে খঙত প্ৰাসাদৰ পৰা ওলাই আহে। তেঁওক সমৰ্থন কৰা ৰজাবিলাকেও তেঁওৰ লগত ওলাই আহে।

তেতিয়া শ্ৰীকৃষ্ণয় ধৃতৰাষ্ট্ৰক কলে, “মহাৰাজ, আপোনাৰ বংশক যদি সৰ্বনাশৰ পৰা বঁচাবলৈ বিচাৰে তেতিয়া হলে দুৰ্যোধন আৰু তেঁওৰ অন্ধ লগৰীয়া বিলাকক পাণ্ডৱসকলৰ হাঁতত দি সিঁহতৰ লগত বন্ধুত্ব

কৰক।”

শ্ৰীকৃষ্ণৰ এই কথা শুনি ধৃতৰাষ্ট্ৰয় ভয় খাই যায়। তেঁখেতে গান্ধাৰীৰ সহায়তাত সন্ধি কৰিবলৈ দুৰ্যোধনৰ ওচৰত খবৰ পঠায়। দুঃশাচন যেতিয়া জানিব পাৰে যে দুৰ্যোধন আৰু তেঁওৰ লগৰীয়া সকলক বন্দী কৰি পাণ্ডৱসকলৰ হাতত দিবলৈ কৃষ্ণয় কৈছে, তেতিয়া তেঁও দুৰ্যোধনক কলে সেই সময়তেই কৃষ্ণক বন্দী কৰা। ইয়াৰ ফলত পাণ্ডৱসকলে দাত নথকা সাপৰ দৰে শক্তিহীন হৈ যাব।

সাত্যকি এইকথা জানিব পাৰি তেতিয়া কৃতবৰ্মাক সাবধান কৰি সভা ঘৰত গৈ কৃষ্ণক কলে সেই কথা ধৃতৰাষ্ট্ৰ আৰু সভাৰ মানুহ সকলক জনোৱা হয়। তেতিয়া দুৰ্যোধনক মতি পঠায় ধৃতৰাষ্ট্ৰয়। সি আহিলে সেই ষড়যন্ত্ৰৰ বাবে ভালদৰে গালি পাৰে। বিদুৰও দুৰ্যোধনক সভাত থকা মানুহ সকলৰ আগত তিৰস্কাৰ কৰে।

শ্ৰীকৃষ্ণয় দুৰ্যোধনক কলে, “তুমি ভবিছা মই অকলে আহিছো? মোৰ লগত আদিত্য ৰুদ্ৰ, বেলেগ সাধু সকল আৰু পাণ্ডৱ আৰু অন্ধক সকলৰ সেনাবাহিনীৰ অংশও আহিছে।

অলপ পাছতেই সকলোৱে দেখে, শ্ৰীকৃষ্ণৰ দেহ হাত বুকুৰ পৰা জুই ওলাই আহে। তেঁখেতৰ মূৰত বুধ, বুকুত ৰুদ্ৰ, হাতত দিক্পাল, আৰু মুখৰ ওপৰত অগ্নিয়ে ঠাই লৈছে।

এই দৃশ্য চাই সকলোৱে আচৰিত হয়। সিঁহতে আৰু একোৱে নেদেখে সিঁহতৰ চকু বন হৈ যায়। শ্ৰীকৃষ্ণ তেতিয়া দ্ৰোন, ভীষ্ম, বিদুৰ আৰু সঞ্জয়ক দিব্যদৃষ্টি দিয়ে, যাতে সিঁহতে তেঁওৰ বিশ্বৰূপ দৰ্শন কৰিব পাৰে।

সভাৰ এই অৱস্থাৰ কথা গম পাই ধৃতৰাষ্ট্ৰই সুধে, কি হ’ল। তেতিয়া শ্ৰীকৃষ্ণয় তেঁখেতক দিব্যদৃষ্টি দিয়ে বিশ্বৰূপ দৰ্শনৰ বাবে।

**(ক্ৰমশ)**



# কাটৰ-তৰোৱাল

এজন মহাজনৰ ওচৰত কাম কৰে বসন্তয়। বসন্তৰ কামত ব্যবসায়ীয়ে বৰ খুচি হয়। কেতিয়াবা কেতিয়াবা মহাজনৰ কোনো সমস্যা হলে তাৰ সমাধান কৰি দিয়ে। সেই চহৰত মহাজনৰ দুই-তিনি জনমান্ মানুহ আছিল, যোনে সদায় তেঁওক অপমান বা ক্ষতি কৰিবলৈ বিচাৰিছিল, সেইসময়ত বসন্তৰ পৰামশবোৰ কাম দিয়ে।

কিন্তু বসন্তৰ আইতায় নিবিচাৰে যে, সি ব্যৱসায়ীৰ লগত কাম কৰক। সদায় তেঁওক তেঁওৰ আইতায় কয়, চৰকাৰী চাকুৰিত উন্নতি আছে, চৰকাৰী চাকুৰিত চাকুৰী হেৰাবৰ কোনো ভয় নাথাকে। আইতায় বাৰেবাৰে কয় যে, ব্যৱসায়ীৰ ওপৰত কি বিশ্বাস আছে। যদি কেতিয়াবা বসন্তৰ কথা মতে কাম কৰি ক্ষতি তেতিয়াহলে লগে লগে কামৰ পৰা বাদ দিব। তাৰবাবে বসন্তক কয়, সি যেন ৰজাৰ তাত কোনো কামৰ বাবে চেষ্টা কৰে। বসন্তয় ৰজাৰ চাকৰি পোৱাৰ বাবে ওলাই যায়।

বসন্তয় ৰজাৰ ওচৰত সৈন্যবিভাগত কাম পোৱাৰ আশা লৈ আহিছে। দেখতে ই সৰু। ৰজাৰ পছন হয় বসন্তক, তাক সৈন্যপদত লোৱা নাই ৰাজপ্ৰাসাদৰ ভিতৰত কোনো এটা দুয়াৰত ৰাতিৰ পাহাৰাদৰে হিচাপে লয়।

ৰজায় মাজে মাজে নিজে পাহাৰাদাৰ সকলৰ কামবোৰ চায়। এদিনাখন ৰাতি যেতিয়া ৰজায় ঘুৰি ঘুৰি চাই আছিল, তেতিয়া দেখা পায় বসন্তয় ৰাজ প্ৰাসাদৰ দুয়াৰত টোপনি মাৰি আছে। ৰজায় তেঁওক টোপনিৰ পৰা নুঠায়, কিন্তু তেঁওৰ তৰোৱালখন লৈ গুচি যায়।

বসন্তৰ যেতিয়া টুপনি ভাঙে, তেতিয়া দেখে তাৰায়াল নাই। তৰোৱাল নাপাই ভয় নাই যায়। এজন পাহাৰাদাৰাৰ বাবে তৰোৱাল হেৰুওৱা বৰ বেয়া, তেঁওৰ কোনো ক্ষমা নাই। ইয়াৰ বাবে তেঁওৰ মৃদ্যদণ্ড হব পাৰে। সমায় ৰাতিপুৱা অস্ত্ৰগাৰত অস্ত্ৰ জমা দিব লাগে। ইয়াৰ আগত ৰজাৰ ওচৰত ৰাতি সকলো

পঁচিশ বৎসৰ ‘চান্দমামা’ প্ৰকাশিত

পাহাৰাদাৰক উপস্থিত থাকিব লাগে। তাৰ বাবে ৰাতিপুৱা হোৱাৰ আগতেই তাৰ কাম হ'ল তৰোৱাল বিচাৰি অনা যৰ পৰা সম্ভৱ। নহলে তাৰ চাকৰি যাব আৰু লগতে ৰজায় দিয়া দণ্ড ভোগ কৰিব লাগিব।

সি ভাবি থাকে। এই বিপদৰ মাজত তেঁওৰ মনত পৰে এজন বন্ধুৰ কথা। প্ৰাসাদৰ ওচৰতেই থাকে। কোনোমতে তাত গৈ তাক সকলোবোৰ কথা কলে। বন্ধুজনে কলে, "বৰ বেচি হলে মই তোমাক এখন কাঠৰ তাৰায়াল বনাই দিব পাৰো যিটোৰ সহায়ত মন্তত এদিত বাঁচিব পাৰিবা।"

ৰাতিপুৱা হোৱাৰ আগতেই বন্ধুয়ে বসন্তক এখন কাঠৰ তৰোৱাল আনিদিয়ে। বাহিৰৰ পৰা দেখিলে যেন লাগে এখন তৰোৱাল।

ৰাতিপুৱা বসন্তয় বেলেগ পহৰাদাৰৰ লগত খাড়া হয় ৰজাৰ পৰিদৰ্শনৰ বাবে। অলপ সময়ৰ পাছত ৰজায় আহি পালে। সাধাৰনতে তেঁখেতে অকলে আহে, কিন্তু সেইদিনাখন তেঁওৰ লগত আহে কেইজন মান সৈন্য আৰু এজন কয়েদী।

ৰজায় সেই কয়েদীক দেখুৱাই প্ৰহৰীসকলক কলে, "এই কয়েদী এজন ৰাজদ্ৰোহী, ৰাষ্ট্ৰদ্ৰোহী। ইয়াৰ মৃত্যুদণ্ড হৈছে। মই বিচাৰো তোমালোকৰ মাজৰ পৰা এজনে মোৰ আগত ইয়াক ইয়াৰ শাস্তি দিয়া।" কৈ ৰজায় সকলো পহৰাদাৰক দেখি থাকে। বসন্তৰ ওচৰত আহি তেঁখেতে ৰখি যায়।

"তুমি তোমাৰ তৰোৱাল দি এই কয়েদীৰ মূৰটো কাটি দিয়া।" বসন্তক ৰজায় আদেশ দিয়ে। ৰজাৰ আদেশ শুনি বসন্তৰ বুকু কপি ওঠে।



তেঁওৰ ওচৰত কাঠৰ তৰোৱাল আছে, সেইখন সি তাৰ তৰোৱালৰ খাপৰ পৰা ওলিয়াব নোৱাৰা হ'ল। কাৰন, ওলিয়ালেই ৰজায় গম পাব যে তাৰ-তৰোৱালখন চুৰি হৈ গৈছে। তেতিয়া কয়েদীক মৃত্যুদণ্ড নিদি, তাকেই মৃত্যুদণ্ড দিব।

বাঁচিবলৈ উপায় ভাবি থাকে। মৃত্যুৰ আগত সাহস লৈ বসন্তয়ে কলে, "মহাৰাজ, কৃপা কৰি এই কাৰ্য-পালনৰ বাবে আপোনি বেলেগ কাৰোবাক আদেশ দিয়ক। মই এই ৰতিপুৰাৰ সুন্দৰ পৰিবেশত কাৰোবাৰ বিৰুদ্ধত হাত উঠাব নাৱাৰো।"

"তুমি মোৰ আদেশ অমান্য কৰি আছ। জানা ইয়াৰ পৰিনাম কি? ইয়াৰ বাবে তোমাৰ মৃত্যুদণ্ড হব পাৰে।" ৰজায় খঙত বসন্তক কলে।

বসন্তয়ে ভয়ত চকু বন কৰি দিয়ে। কোনো উপায় নাই আৰু। হঠাৎ সি কৈ ওঠে, "হে ভগবান, মা ভবানী, মোক ৰক্ষা কৰা। এই আদেশ পালন কৰিবলৈ যাওতে যদি মোৰ পাপ হয়, তেতিয়াহলে তুমি মোৰ এই পাপকাম কৰাৰ পৰা ৰক্ষা কৰিবা। মোৰ তৰোৱালক তুমি কাঠৰ তৰোৱাল বনাই দিয়া।" এই বুলি কৈ সি খাপৰ পৰা তৰোৱালখন ওলায়। সচাঁকৈ, তেঁওৰ হাতৰ তাৰায়ালখন কাঠৰ বনোৱা।

পহৰাদাৰ সকলে সেয়া দেখি হাঁহে, কিন্তু পাছতেই চুপ মাৰি থাকে। আশ্চৰ্য, সঁচাঁকৈ তাৰ হাতৰ তৰোৱাল খন কেনেকৈ কাঠৰ হৈ যায়।

ৰজাও তেঁওৰ হাঁহি চপাব নোৱাৰে। তেঁখেতে ভাবে, বসন্তয়ে ৰাতিৰ ভিতৰত এখন ধুনীয়া কাঠৰ তৰোৱালৰ ব্যৱস্থা কেনেকৈ কৰে। আৰু আচৰিত হয় তাৰ উপস্থিত বুদ্ধি দেখি। প্ৰতিকূল পৰিস্থিতিক কি ধুনীয়া। অনুকূল কৰিব পাৰে বসন্তয়ে।

ৰজায় কাকো সঁচাটো নকয়। বসন্তক তেঁখেতে অকল কামা নকৰে, তাক নিজৰ দেহৰক্ষাকৰ পদত নিযুক্ত কৰিলে।

বসন্তৰ আয়তাৰ ওচৰত এই খবৰ পঠালে তৰে আয়তায় বৰ খুচি হয়।




# কোনটো সঁচা

ৰাম, কৃষ্ণ আৰু ভীম তিনিজন যুবক। একেটা গাঁওত সিহতে বাস কৰে, আৰু একেই সিহতৰ সমস্যা।

গৌৰী নামেৰে এজনী ছোৱালীক ৰামে বিয়া কৰিব বিচাৰে, কিন্তু সি দুখীয়া হোৱাৰ বাবে গৌৰীৰ মা-দেউতাকৰ এই বিয়াত মত নাই।

কৃষ্ণ বুদ্ধিয়ক আৰু ভাল লৰা। সি গজপতিৰ ওচৰত কাম কৰে। তেঁখেতৰ এজনী ছোৱালী স্বাতী। স্বাতীক বিয়া কৰিবলৈ বিচাৰে কৃষ্ণয়। স্বাতীৰও ইচ্ছা তাকেই। কিন্তু গজপতিৰ শৰ্ত, যি যুবকে সদায় এশ মুদ্ৰা উপাৰ্জন কৰিব পাৰিব তাৰ লগত ছোবালীৰ বিয়া দিব। কিন্তু কৃষ্ণৰ বাবে সেয়া সম্ভৱ নহয়, সেয়া সি জানে।

কমলা নামেৰে এজনী ছোৱালীক ভালপায় ভীমে। কমলাৰ মা-দেউতাকে সিঁহতৰ জোৱাইক ঘৰ-জোৱাই কৰি ৰাখিব। কিন্তু ভীমে সেইটো নিবিচাৰে, কাৰন, তাৰ মা-দেউতা বুঢ়া হৈছে, সিঁহতৰ চোৱামেলা কৰাৰ বাবে কোনোও নাই।

এদিনাখন তিনিও জনৰ এখনঠাইত লগ হয়। তিনিওজনে সিহতৰ নিজৰ নিজৰ কাহিনী আন দুজনক শুনায়। তিনিওজনে বহুসময় ধৰি আলোচনা কৰে, তাৰ পাছত সিহতে একেমত হয় যে, সিহতৰ সকলো সমস্যাৰ কাৰন হ'ল টকা-পাইচা। তিনিওজনৰ ওচৰত যদি বহুতো টকাপইচা থাকিলে তেতিয়াহলে তিনিওজনৰ ইচ্ছা পূৰন হ'ল হেতেঁন। কিন্তু টকা-পইচা কেনেদৰে উপাৰ্জন কৰিব পাৰে। সেই বিষয়ে আলোচনাৰ পাছত এই সিদ্ধান্তত আহিল যে সিঁহতে বহুতো টকা পইচা অৰ্জন কৰিব নোৱাৰে। শেষত ঠিক কৰে যে সিঁহতে



আত্মহত্যা কৰি সকলো সমস্যাৰ সমাধান কৰিব।

এদিনাখন ৰাতি গাঁওৰ সীমানা এড়ি বহুদূৰত থকা এটা পাহাড়ৰ ওপৰত খাড়া হয় সিহতে। জাপ দিয়াৰ আগত চকু বন কৰি প্ৰাৰ্থনা কৰে, "হে ভগবান, অহা জন্মত আমাক ধনী কৰি দিবা।"

প্ৰাৰ্থনা শেষ হোৱাৰ পাছত জাপ দিবলৈ যাব, এনেকুৱা সময়ত হঠাৎ এজন গুৰু কথা শুনিবলৈ পায়, "ৰখা, নহলে ডাঙৰ পৰিনাম হব।"

পিছফালে ঘুৰি দেখে এজন মহাত্মা খাড়া হৈ আছে। প্ৰশ্ন ন কৰিই তেঁখেতে কলে, "জীৱন ভগবান এটা দান সৰুসৰা সমস্যাৰ ভয়ত সেই দানক ধংস কৰি দিয়া পাপ। তাতে সমস্যাৰ সমাধান নহয়। আত্মহত্যাৰ ফলত পাছৰ জীৱনত নৰকত যাব লগা হয়। নৰকৰ কষ্ট সহ্য কৰিব নোৱাৰি আকৌ আত্মহত্যা কৰিবা, তাৰ পাছত যিটো জীৱন পাবা সেয়া হব অন্তহীন নৰকৰ সমান। জীৱনৰ সমস্যাৰ সমাধন জীৱনৰ মাজত পাব লাগে, মৃত্যুত পোৱা নাযায়।

মহাত্মাৰ কথা শুনি সিহতে ভয় পায়। কিন্তু পাছত সিহতৰ মাজত যেন শান্তি নামি আহে। এটা ডাঙৰ পাপৰ পৰা সিহতে বাঁচে। জীৱনত ইমান হতাশা লৈ বাঁচি থকাৰ ইচ্ছা সিহতৰ নাই। সিঁহতে মহাত্মাক কলে, "মহাত্মা! মৃত্যুৰ পৰা আপোনি আমাক বঁচাক, কিন্তু বাঁচিবলৈ আমাৰ কোনো ইচ্ছা নাই। আপোনি কওক, আমি তিনিওনে কি কৰিম?"

"তোমালোকৰ ফালৰ পৰা তোমালোক সকলোৱে মৰিছা। এই জীৱনৰ প্ৰতি তোমালোকৰ কোনো অধিকাৰ নাই। পৰমাত্মায় তোমালোকক ৰক্ষা কৰিছে। তোমালোকৰ এই বাকী জীৱন তেঁওক সপি দিয়া, তাঁৰ বাবেই বাঁচি থকা। জীৱনৰ সকলো ভাৰ, সকলো সমস্যা পৰমপ্ৰভুৰ ওপৰত এৰি দি নিজৰ নিজৰ ঘৰত উভতি যোৱা। তোমালোকৰ সকলোৰে ভালেই হব।" এই বুলি কৈ মহাত্মায় তাৰ পৰা অদৃশ্য হল।

তিনিওজনে আৰু একো নাভাবি যাবলৈ আৰম্ভ কৰে। বহু দূৰলৈকে যোৱাৰ পিহত বাঁটত এজন মানুহৰ লগত লগ হয়।

তিনিওজনৰ ভৰিৰ পৰা মূৰলৈকে দেখে সেই মানুহ জনে। সিহতৰ কাহিনী শোনে, কাহিনীৰ শেষত হাঁহে।

"বলা মোৰ লগত। জীৱনত বাঁচিবলৈ তোমালোকক নতুন পথ শিকাই দিম। জীবনত যি বিচাৰিবা, সেয়াই তোমালোকে পাৱা। টকা-পইচা, মান, স্ত্ৰী, সকলো।"

তিনিওজনে তেঁওৰ পাছে পাছে যায়। মানুহজনে তেঁওৰ ঘৰত লৈ গৈ তিনিওজনক পানী দিয়ে খবলৈ। পানী খোৱাৰ পাছত তিনিওজনে শুই টোপনি দিয়ে।

টোপনিত ৰামে সপোন দেখে, সি এজন ৰাজকুমাৰ হৈ গৈছে আৰু গৌৰীৰ লগত বিয়া পাতিছে। তাৰ জীবন ভালেই গৈ আছে।

কৃষ্ণয় সপোন দেখে, গজপতি তেঁওৰ ছোৱালী বিয়া তাৰ লগত দি তাক ঘৰজোৱাই বনাইছে। এতিয়া সি সেই সংসাৰৰ সব।

ভীমে সপোন দেখে, কমলায় তাইৰ মা-দেউতাকৰ মতৰ বিপৰীতে তাক বিয়া কৰাইছে আৰু শ্বশুৰ শাশুৰীক সিহতৰ ছোৱলী কমলাতকৈও বেচি যত্ন কৰি আছে সি।

টোপনি ভঙাৰ পাছত সিঁহতে বৰ খুচি হয়। যেন সিহতৰ সকলো ইচ্ছাই পূৰন হৈ গৈছে সচাসচিকৈ, সকলোবোৰ বাস্তৱত পৰিবৰ্তন হৈছে, কল্পনা বা সপোন নহয়। তিনিওজনে তিনিওজনক নিজৰ নিজৰ সপোনৰ বিষয়ে কলে।

সেই মানুহজনে তেতিয়া আহি কলে, "মাদক জাতীয় ঔষধ মিহলাই তোমালোকক




পানী খাবলৈ দিছিলো। তাৰবাবেই তোমালোকে এনেধৰনৰ সপোন দেখিছা। সেই ঔষধি মাদক ফুলৰ পৰা বনোৱা। ইয়াত এই ফুলৰ বাগিচা খন আছে। তাতে কাম কৰিবলৈ পৰিশ্ৰমী যুবক লাগে। যদি বিচৰা, তোমালোকে তাত কাম কৰিব পাৰা। তাৰ পৰিবৰ্তে তোমালোকে বহুতো টকা পাবা আৰু সেই ঔষধিও খাব পাৰিবা।"

কথাবোৰ শুনি তিনিও জনে বৰ খুচি হয়। মাদকফুলৰ বাগিচাত কাম কৰিবলৈ ৰাজি হয়। মানুহজনে সিহতক মাদক ফুলৰ ভাগিচাত লৈ যায়। কিন্তু বাগনত যোৱাৰ অলপ পাছতেই এটা কোলা সাপে কৃষ্ণক কামোড়ে।

"ওচৰতে এজন মহাত্মা থাকে। ইয়াক

এতিয়াই তাৰ ওচৰত লৈ যোৱা । ইয়াৰ চিকিৎসা আন কতও নহব।" এই বুলি কৈ মানুহজনে ৰাম আৰু ভীমক মহাত্মাৰ আশ্ৰমত যোৱাৰ বাঁট দেখুৱাই দিয়ে, কিন্তু নিজে নাযায় সিহতৰ লগত।

মহাত্মাৰ ওচৰত লৈ যোৱাৰ সময়ত পথৰ মাজত কৃষ্ণই অজ্ঞান হৈ যায় । ৰাম আৰু ভীমে আচৰিত হৈ দেখে যে, আত্মহত্যা কৰাৰ হাতৰ পৰা সিহতক যোনে বচাইছে তেঁখেতেই সেই মহাত্মা। সিহতক আশ্ৰমত দেখি মহাত্মাও আচৰিত হৈ যায় । "তোমালোকক কৈ আছিলো নিজৰ নিজৰ ঘৰত উভতি যোৱা । তেতিয়াহলে কিয় ইয়াত?

ৰাম আৰু ভীমে ঘটনাটো কলে মহাত্মাক। মহাত্মায় প্ৰথমতে এটা ঔষধি কৃষ্ণৰ নাকৰ ওচৰত ধৰে, তাৰ গন্ধত কৃষ্ণৰ জ্ঞান ঘুৰি আহে, উঠি বহে। তাৰ পাছত মহাত্মায় তিনিওজনক কলে, "তোমালোকৰ যদি ভোখ লাগে তেতিয়াহলে কোৱা কি খাবা । বিশেষ কোনো খোৱাৰ প্ৰতি আকৰ্ষন থাকিলে কোৱা, তাকেই পাবা।"

এই কথা শুনি তিনিওজনে তিনিওজনৰ মুখৰ পিনে চাই থাকে। তাৰপাছত নিজৰ নিজৰ পছনমতে আহাৰৰ কথা কয়। মহাত্মায় তিনিওজনৰ মূৰত তেঁওৰ আঙুলি দিয়ে। আঙুলি দিয়াৰ লগে লগে তিনিওজনে অজ্ঞান হৈ যায়। অজ্ঞান অবস্থাত তিনিওজনে দেখে সিহতে নিজৰ নিজৰ পছনমতে ভাল ভাল খোৱাবস্তু খাই আছে । খোৱাৰ পাছতেই সিহতৰ জ্ঞান ঘুৰি আহে।

জ্ঞান অহাৰ কিছুসময় পাছত মহাত্মায় সকলোকে মাধুৰি আম আৰু কলা দি কলে, "এতিয়া মাধুৰি আম আৰু কলা খাই লোৱা কাৰন ইয়াৰ বেচি মোৰ ওচৰত নাই । তাৰপাছত কোৱা কোনটো তোমালোকৰ ভাল লাগিল সপোনত দেখা খোৱাবোৰ নেকি সঁচাকৈ খোৱা কল আৰু মাধুৰি আম বোৰ।"

দুদিনমান ধৰি সিহতে ভোখত আছে। মাধুৰি আম আৰু কলা খাই সিহতৰ ভাল লাগে। আনহাতে, সপোনত খোৱা বোৰ খাই সিহতৰ ভোখ বাঢ়ি যায়। সপোন আৰু সঁচাৰ মাজৰ পাৰ্থক্য সিহতে বুজি পায়।

ৰামে তেতিয়া মহাত্মাক কলে, "মহাত্মা, ভোখৰ মাজত এই খোৱাবোৰ খাই ভাল লাগিছে। অবাস্তৱ খোৱা বস্তুবোৰ পৰা ভোখ বাঢ়ি যায়।"

"একেবাৰে ঠিক। আমাৰও এটা অভিজ্ঞতা হ'ল।" কৃষ্ণ আৰু ভীমে কলে।

"ঠিক তেনেদৰে। সহজ আৰু বাস্তৱ জীৱনৰ চোৱা আৰু পোৱা কিমান সাধাৰন আৰু তাতেই সচাঁকৈ খুচি, অথচ সেয়া আমি ধৰিব পৰা নাই। মৰুভূমিৰ ওপৰত মৰীচিকাৰ দৰে, বাস্তৱিক পানী নহয়।

"জীৱনৰ প্ৰতি অতিষ্ঠ হৈ আত্মহত্যা কৰা, আৰু মিছা আনন্দৰ পিছত ঘুৰি ফুৰা দুয়োটাই - জীৱনক আচল পথৰ পৰা দূৰত লৈ যায়। তোমালোকৰ দৰে কিমান নিৰাশ যুৱকে মাদক বস্তুৰ ব্যৱসায়ী সকলৰ মিছা কথাৰ ফাঁন্দত পড়ি এনেধৰনৰ সজোৱা বাগিচা দেখি দৌড়ি আহি অন্তহীন নৰকৰ কষ্ট পাই থাকে। তোমালোকেও তেনেধৰনৰ এজন নৰকদূতৰ হাতত পড়িছা। এখন নৰকৰ পৰা ওলাই আন এখন বৰ ভয়ানক নৰকৰ বাঁটত চলিবলৈ আৰম্ভ কৰিছে।" মহাত্মায় তিনিওজন যুবকক কলে।

তিনিওজনে মনে মনে শুনি আছিল। তাৰপাছত সিহতে কলে, "হে মহাত্মা, আপোনি আমাক আকৌ এবাৰ মৃত্যুৰ হাতৰ পৰা বঁচাই আনিলে। আমাৰ দৃষ্টি আকৌ মেলি দিলে" ভগবানে আমাক দি দিছে তাকেই লৈ আমি খুচি। তাতেই আমাৰ প্ৰকৃত খুচি। আমাক বঁচাক, আমি আমাৰ জীৱন তেনেকৈ চলাম।"

"পৰম প্ৰভু তেঁওৰ সন্তানসকলৰ পৰা এনেধৰনৰ আশাই কৰে। তেঁখেতে বিচাৰে, আমি আমাৰ অভিজ্ঞতাৰ মাজেৰে জীৱনৰ সঁচাপথটো বাচি লঁও। হে প্ৰভু, সিহতক তুমি সচাঁপথ দেখুৱাই দিয়া, দয়া কৰা।" মহাত্মায় হাঁহি কথাবোৰ কয়।

তিনিওজনে মহাত্মাক নমস্কাৰ কৰি নিজৰ নিজৰ ঘৰত উভতি আহে। পুবফালৰ আকাশত তেতিয়া ৰাতিপুৱাৰ বেলি উঠাৰ ৰঙা পোহৰ।



# আবিষ্কাৰ কৰা! নিজক প্ৰকাশ

এই সংখ্যাত প্ৰকাশ প্ৰশ্নবোৰৰ উত্তৰ অহা সংখ্যাত দিয়া হব। এই সময়ৰ মাজত 'ভাৰত আৱিষ্কাৰ প্ৰশ্নোত্তৰ চান্দমামা বিল্ডিংস, বড়া পালানি, চেন্নাই ৬০০ ০২৬' ঠিকনাত পঠোৱাৰ বাবে স্বাগত জনোৱা হল। কিন্তু এই, প্ৰশ্নোত্তৰ প্ৰতিযোগিতাত অংশগ্ৰহনৰ বাবে তলত লিখা সৃজনশীল কৃতিত্ব আবশ্যকঃ।

চান্দমামাৰ আগৰ সংখ্যাত প্ৰকাশিত বিষয়সূচীৰ কোনটো সবোতকৈ ভাল লাগিছে আৰু কিয়? বিষয়টো বা গল্পৰ নাম আৰু পাতবোৰৰ সংখ্যা দি এশটা শব্দৰ মাজত লিখিব লাগিব, কিয় ভাল লাগিছে। অভিভাবক বা শিক্ষকৰ ওচৰৰ পৰা অনুমোদন আৰু স্বাক্ষৰ কৰাই নিজৰ হাতেৰে লিখা নাম, বয়স, শ্ৰেনী, বিদ্যালয় (ছাত্ৰছাত্ৰীসকলৰ ক্ষেত্ৰত) আৰু নিজৰ সম্পূৰ্ন ঠিকনা লিখি ওপৰত লিখা চান্দমামাৰ ঠিকনাত পঠাব লাগিব।

**প্ৰথম পুৰস্কাৰ : ১০০০ টকা**
**দ্বিতীয় পুৰস্কাৰ : ৫০০ টকা**

**ইয়াৰ বাহিৰে আছে**
**পাঁচটা অভিনন্দন পুৰস্কাৰ**
**প্ৰতিটো ২০০ টকা**

চান

## 'ভাৰত আবিস্কাৰ'ইয়াৰ প্ৰশ্ন :

ভয়ংকৰ ঝড়-তুফানৰ এটা ৰাতি। এজন যুবক, বৰষুনৰ পানীত বোকাত তিতি গৈছে, তেঁওৰ পোচাকত বোকা লাগিছে; নদীৰ কাষত থকা এটা ঘৰৰ পিছফালৰ দৰজাত, সি শব্দ কৰি ধাক্কা দিয়ে। এজনী যুবতীয়ে প্ৰদীপ হাতত লৈ দৰজা খন খুলে। "ওঃ" স্বামী! এই বিপদত তুমি নদী পাৰ হলা কেনেকৈ, আৰু এই অসময়ত কিয় আহিলা মোৰ এই পিত্ৰালয়ত?" সুধে যুবতীয়ে।

"তোমাৰ পৰা দূৰত থকা মোৰ বাবে অসম্ভব" যুবাপুৰুষে উত্তৰ দিয়ে।

"মোৰ প্ৰতি তোমাৰ যি প্ৰেম আৰু আকৰ্ষন তাৰ আধাও যদি ভগবানৰ বাবে থাকিল হয় !" যুবতীয়ে এইবোৰ লাহে লাহে কলে।

সেই মুহূৰ্তত সেই যুবকৰ, জীবনত আহে এটা ডাঙৰ পৰিবৰ্তন তেঁওৰ প্ৰেম ভালপোৱা আকৰ্ষন সকলো তেতিয়া ভগবানৰ বাবে। পাছৰ জীবনত সেই যুবকজনে হৈ ওঠে এজন মহান ঋষি। এই ঘটনা দুয়োক লৈ। কোন এই দুজন?

তলত লিখা যুগল চৰিত্ৰৰ মাজত কি সম্পৰ্ক আছে?

বিভিন্ন ভাষাত চান্দমামা

# কাৰোবাৰ ! পুৰস্কাৰ জিকি লোৱা !

১. চিকিৎসা বিজ্ঞানত ভাৰতৰ সবোতকৈ প্ৰথক কিতাব কি? ইয়াৰ লেখক কোন? তেঁখেতে কোন সময়ৰ?

২. শল্য চিকিৎসাত ভাৰতৰ সবোতকৈ প্ৰথম কিতাব কি? ইয়াৰ লেখক কোন? তেঁখেতে কোন সময়ৰ?

৩. ইতিহাসৰ ভাৰতৰ সবোতকৈ প্ৰথম কিতাৰ কি? ইয়াৰ লেখক কোন? তেঁখেতে কোন শতকৰ?

৪. সমাজবিদ্যা ৰাষ্ট্ৰ নীতি আৰু আইন বিষয়ত সবোতকৈ প্ৰথম কিতাব কি?

৫. নাটক-শিল্পৰ ওপৰত সবোতকৈ প্ৰথম ভাৰতীয় কিতাব কোনটো? ইয়াৰ লেখক কোন? কোন সময়ৰ তেঁখেত?

মামা

**শৰ্তাবলী**

১. চান্দমামা ইণ্ডিয়া লিমিটেড, লিনটাস, আমিৰাট্ৰি পুৰিস ইণ্ডিয়া লিমিটেড, ইনিসিয়েটেড মিডিয়া আৰু ব্ৰিটানিয়া ইণ্ডাষ্ট্ৰিস, ৰ কৰ্মীবৃন্দ, সিঁহতৰ আলহীসকল বা সিঁহতৰ লগত সম্পৰ্কযুক্ত কোনেও এই প্ৰতিযোগিতাত অংশগ্ৰহন কৰিব নোৱাৰে।

২. এই বিষয়ে নিযুক্তবিচাৰকসকলৰ সিদ্ধান্তই চূড়ান্ত; এই সম্বন্ধে কোনো পত্ৰ লিখা বা যোগাযোগ কৰা নাযাব।

৩. অপাঠ্য বা দুস্পাঠ্য লিখা বাতিল কৰা হব।

৪. 'চান্দমামা' - জুলাই ২০০০ সংখ্যায় ফলাফল প্ৰকাশিত কৰা হব।

৫. ৩০ এপ্ৰিল ২০০০ ৰ মাজত উত্তৰ - পত্ৰ পঠোৱা অবশ্যই প্ৰয়োজন।

| | | |
|---|---|---|
| ক. অভিমন্যু | - | বলৰাম |
| খ. উগ্ৰসেন | - | প্ৰদ্যুম্ন |
| গ. ঘটোৎকচ | - | শিশুপাল |
| ঘ. কীচক | - | পৰীক্ষিৎ |
| ঙ. কৰ্ন | - | সুভদ্ৰা |

## এটা সৰ্বজনীন ঐতিহ্য

# ভাৰত :

## তেতিয়া আৰু বৰ্তমান



# দক্ষিন ভাৰতৰ ডাঙৰ চহৰ

তমিলনাডু ৰাজ্যৰ ৰাজধানীৰ বৰ্তমান নাম চেন্নাই হলেও এইটো এটা পুৰনি না। আগত ইয়াৰ নাম আছিল মাদ্ৰাজ, আৰু ইয়াৰও আগত মাদ্ৰাসাপটনম।

কিন্তু, এই চহৰ কিয় তেতিয়াহলে চেন্নাই আৰু মাদ্ৰাস নামেৰে জনা গৈছিল ?

চেন্নাই নামটো লোৱা হৈছে সাগৰৰ পাৰত থকা এটা পুৰনি মন্দিৰত থকা 'চেন্না কেশাৰম' ৰ পৰা। এই পুৰনি মন্দিৰটো ইষ্ট ইন্ডিয়া কোম্পানী ভাঙি পেলায় সেই ঠাইত এটা দুৰ্গ বনোৱাৰ বাবে। বেলেগ আৰু এটা কাৰন, ফ্ৰান্সিস ডে ইয়াত ইংৰাজ মানুহক থকাৰ বাবে নায়েক ডামৰালা বেংকটাপাৰ পৰা জমি কিনি লৈ

এই শতৰ্ত যে, স্থানটো নামকৰন কৰিব লাগিব তেঁওৰ দেউতা চেন্নাপ্পা নায়েকৰ নাম অনুসৰি। সেয়া ইয়াৰ নাম চেন্নাই।

মাদ্ৰাস নাম কিয় হল? মুছলিম শিক্ষা-প্ৰতিষ্ঠান 'মদ্ৰাছ'ৰ লগত কি ইয়াৰ কোনো মিল আছে? বা, এজন মুছলমান নেতা মাদাৰছনৰ নামেৰে কি স্থানটোৰ নাম হৈছে? বা, মাদেৰা নামেৰে এটা প্ৰভাবশালী বৰ্তুগীজ পৰিবাৰৰ নামেৰে স্থানটোৰ নাম হৈছে? এই বিষয়ত কোনটোই নিশ্চিত কব নোৱাৰি।

দিল্লী, বেনাৰস, মাদুৰাই বা কাঞ্চিপুৰম, পুৰনি বিষয়ত এইবিলাকৰ লগত তুলনা কৰিলে চেন্নাই চহৰটো বৰ নবীন। কিন্তু অতীতৰ বহুতো কথাক এই চহৰটো ধৰি ৰাখিছে। প্ৰায় দুই সহস্ৰ বছৰৰ আগত এই চহৰৰ মায়লাপুৰ নামৰ ঠাইত মহাকবি তিৰুবাল্লুবৰ আছিল। তেঁখেতেই লিখা 'তিৰুকুৰাল', যত তেঁখেতৰ জ্ঞান আৰু অন্তৰ্দৃষ্টিৰ প্ৰকাশ ঘটে। এই কিতাপক কেতিয়াবা কেতিয়াবা ভাৰতৰ পঞ্চম 'বেদ' নামেৰে কোৱা হয়।

তিৰুবাল্লুবৰ আছিল কবি আৰু ঋষি মুনি;

তেঁখেতৰ ঘনীয়েক বাসুকীৰ আছিল অলৌকিক শক্তি। মানুহে কয়, এবাৰ বাসুকীয়ে কুয়াৰ পৰা পানী তুলি আছিল, তেতিয়া তেঁখেতৰ গিৰিয়েকে তাইক মাতে। তাই কলসৰ ৰচি এড়ি দি গিৰিয়েকৰ ওচৰত আহে। সেই সময়ত, এজন যাত্ৰী কুয়াৰ আগত গৈ আশ্চৰ্য হৈ যায়, দেখিবলৈ পায় পানীৰে ভৰ্তি থকা কলহটো কুয়াৰ মাজত উলমি আছে।

যীশু খ্ৰীষ্টৰ এজন শিষ্য সেন্ট থমাছ খ্ৰীষ্টাব্দত প্ৰথম শতকত ভাৰত আহিছিল। শেষত তেঁখেতে চেন্নাই আহে আৰু চহৰ তলীত থকা পাহাড়ত তেঁখেতৰ মৃত্যু হয়।

পাহাড়খন 'মাউন্ট সেন্ট থমাছ' নামেৰে এতিয়া জনা যায়। ইয়াৰ বাহিৰে ইয়াত সান থোম ক্যাথেড্ৰাল, যত সবোতকৈ আগত তেঁখেতৰ দেহাটো সমাধি দিয়া হয়।

সপ্তদশ শতকত ব্ৰিটিছ ঈস্ট ইণ্ডিয়া কোম্পানীৰ এখন প্ৰধান ব্যবসায়ৰ কেন্দ্ৰ হৈ ওঠে চেন্নাই। সেই সময়ত ইংৰাজ সকলে সমুদ্ৰ উপকূলত সৰু সৰু ঘৰত বাস কৰিছিল। পাছত সোনকা লেই তাত প্ৰসিদ্ধ স্থাৰক ছেন্ট জৰ্জ ফোৰ্ট বনোৱা হয়।

এই চহৰত আছে মায়লাপুৰত থকা প্ৰাচীন কল্পেশ্বৰ মন্দিৰ আৰু ট্ৰিপলিকেন তথা পাৰ্থসাৰথী মন্দিৰ। চেন্নাই চহৰৰ অংশ এডিয়াৰত আছে আন্তৰ্জাতিক

থিওসোফিক্যাল সোসাইটিৰ প্ৰধান কেন্দ্ৰ, অধ্যয়ন আৰু ধ্যান আৰু উপসনাৰ বাবে এখন ঠাই।

সমুদ্ৰ উপকূলত থকা বৰ্তমান চেন্নাই চহৰৰ মানুহৰ সংখ্যা ৪০ লাখ। এই চহৰৰ চাৰিওফালে আছে পুৰনি আৰু নতুন বহুতো নামকৰা ঠাই। নতুন ঠাই বিলাকৰ মাজত আছে চোলামণ্ডল কলাশিল্পী সকলৰ গাঁও, যত অকল প্ৰতিভাবান শিল্পী সকলৰ বাস, যত সিঁহতৰ শিল্প-প্ৰদৰ্শনী দেখিব পাৰি। চহৰৰ পৰা অলপ দূৰত আছে মহাবলি পুৰম বা মামাল্লাপুৰম। সমুদ্ৰ উপকূলত থকা এই ঠাইখন স্থাপত্য আৰু ভাস্কৰ্য শিল্পৰ খেন ধুনীয়া সাক্ষ্য লৈ আছে। এখন অখণ্ড শিলত বনোৱা স্থাপত্যৰ বাবে ঠাইখন বিখ্যাত হৈ আছে।

চেন্নাই চহৰত আছে কিছুমান বিশ্ব-বিদ্যালয়, এখন ডাঙৰ সংগ্ৰহশালা, এখন জাতীয় পুথিভঁড়াল, পশু আলয় আৰু বহুতো ধুনীয়া উদ্যান। চলচ্চিত্ৰ শিল্পৰ বাবেও চহৰখন বিখ্যাত। দক্ষিন ভাৰতত চেন্নাই চহৰই ডাঙৰ চহৰ।

# বিশ্বৰ বাতায়নত

## গোটেই পৃথিৱী জুৰি পুস্তক মেলা

বৰ্তমান পৃথিবীটো সম্পূৰ্ন নাটক সম্বন্ধীয় ঘটনা ভৰি গৈছে। যদি কেতিয়াবা কোনো ঠাইত যুদ্ধ হয়, তেতিয়া আন কোনোবা ঠাইত চৰকাৰক সেনাধক্ষ্যৰ প্ৰধানৰ দ্বাৰা পদ চ্যুত কৰা হয়। হত্যাকাণ্ড আৰু অপহৰন এইবিলাক খবৰ সমায় পোৱা যায়।

কিন্তু আমাৰ দিন পঞ্জিকাত অকল এইবিলাক ঘটনাই পোৱা নাযায়। ইয়াৰ বাহিৰে মহান কিছুমান ঘটনাও পোৱা যায়। সেইবিলাক হ'ল ভাল আৰু সৃজনকাৰী। এইবোৰে মানুহৰ জীৱনটোক পৰিবৰ্তন আৰু উৎসাহ দিব পাৰে।

এনেধৰনৰ ঘটনাৰ ভিতৰত এটা হ'ল বিশ্ব পুস্তক মেলা যিটো ফেব্ৰুৱাৰী মাহৰ ৫ তাৰিখৰ পৰা ১৩ তাৰিখলৈকে নতুন দিল্লীত ঘটিছিল। ঘটনাস্থলটো আছিল 'প্ৰগতি ময়দানত' এখন ভাঙৰ জেয়গা। প্ৰধানমন্ত্ৰী শ্ৰী অটল বিহাৰী বাজপায়ে, ইয়াৰ আৰম্ভান কৰিছিল আৰু মানব উন্নয়ন সংস্থাৰ মন্ত্ৰী ড: মুৰলি মোহন যোশীয়ে এই অনুষ্ঠানত ভাষন দিয়ে।

এই মহান ঘটনাটো, নতুন শতিকাৰ প্ৰথম ঘটনা আছিল, যিটো ১৪ তম বিশ্ব পুস্তক মেলা। যেতিয়া ১৯৭২ চনত প্ৰথম বিশ্ব পুস্তক মেলা হৈছিল, ২২৪ জন ভাৰতীয় আৰু বিদেশী মানুহে অংশ লৈছিল, যোৱা মেলাটোত ১,২০০ মানুহে অংশলৈছিল বুলি জানিব পৰা যায়, যিটো ২৯,০০০ বৰ্গ মিটাৰ ভূমিত হৈছিল।

গুৰুত্বপূৰ্ন যে, এই পুস্তক মেলা টোত সৰুসৰা লৰাছোৱালীৰ গুৰুত্ব বেচি দিয়া

হয়। লৰাছোৱালীবিলাকৰ বাবে ভাল ভাল কিতাপ পোৱা গৈছিল যিবিলাক ভাৰত আৰু বিদেশৰ প্ৰায় অনা হৈছিল।

হেজাৰ হেজাৰ লৰাছোৱালীয়ে এই ভাল ভাল কিতাপ বোৰ পঢ়িছিল আৰু লৰাছোৱালী বিলাকৰ মা-দেউতাকে অভিভাৱকে ইয়াৰ পৰা জ্ঞান লাভ কৰিছিল।

এই অনুষ্ঠানত কিছুমান অতুলনীয় বস্তুৰ প্ৰদৰ্শন কৰা হৈছিল। এইখন আছিল পৃথিবীৰ বৃহত্তম বাতৰিকাকত (বা আলোচনী) গোটেইখিনি সৰুসৰা লৰা-ছোৱালী বিলাকেহে লিখিছিল। ভাৰতৰ সকলো ৰাজ্যৰ সৰু সৰা লৰা-ছোৱালী বিলাকে সাধু আৰু কবিতা বোৰ লিখিছিল যাৰ লগত কিছুমান ছবিও আছিল।

লৰা ছোৱালী বিলাকৰ সাহিত্যৰ সমস্যা লৈ লৰা ছোৱালীবিলাকৰ সাহিত্যৰ জাতীয় কেন্দ্ৰয় এখন আলোচনা কৰিছিল। উদ্বোদনী অনুষ্ঠানত, বিশেষ আলহী আছিল ৰুচকীন ৰণ্ড, প্ৰধান পৰিচয় বোৰ মনোজ দাসে শুনাইছিল। এনেকুৱা ঘটিছিল যে সিহতৰ দুয়োৱে তোমালোকৰ আলোচনীৰ মূল প্ৰবন্ধৰ উপদেশক আছিল।

তোমালোকে জানি পেলাই খুচি হুবা যে তোমালোকৰ আলেচনী বিলাক দোকানত বেচাৰ বাবে ৰাখি থোৱা আছে। চান্দমামা কিতাপটো ১২ টা ভাষত প্ৰকাশ কৰা হৈ আছে পৃথিবীৰ আন প্ৰকাশ কৰনৰ পৰা অলপ বেলেগ। তোমালোকে চিম্পাজী আৰু ভ'গীৰ মনমোহা জীৱিত আৰু চলন্ত চৰিত্ৰ বোৰ পাবা।

টেলিভিশন, ইন্টাৰনেট অদিয়ে মানুহৰ পঢ়াৰ সময়খিনি বেছিঁকৈ দাবী কৰে, কিতাপ বিলাক জ্ঞান আৰু অনন্দৰ প্ৰধান মাধ্যম। তোমালোকে ভালদৰে জানা যে এজন মানুহে তেখেতৰ লগৰীয়াৰ দ্বাৰা জানিব পাৰে। এজন আমেৰিকাৰ লেখকে কয়," এজন মানুহে তেখেতৰ মনত ৰখা লগৰীয়াৰ দ্বাৰা জানিব পাৰে।"

মাত্ৰ এখন ভাল কিতাপেই আমাৰ মনৰ ভাল সঙ্গী হব পাৰে।

# ফোটো
## নামকৰণ প্ৰতিযোগিতা

ফোটো-নামকৰন দুই-তিনিটা শব্দেৰে হ'ব লাগিব।
প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব
লাগিব। ২০০০ চনৰ মাৰ্চ মাহৰ।

ফোটো
নামকৰন
প্ৰতিযোগিতা
চন্দমামা
বডপলনী
চেন্নই - ৬০০ ০২৬

২৫ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। কেৱল প'স্টকাৰ্ডত লিখি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাৰ লাগিব।

## ছবিৰ শিৰোনামৰ পাতা

বিজয়ী প্ৰতিযোগী :
তিতিল দেবনাথ
বিদ্যাময়ী ড্ৰাগ ডিষ্ট্ৰিবিউটৰ
বি. বৰা ৰোড
নগাঁও (আসাম)- ৭৮২ ০০১.

বিজয়ী নামকৰন :
**সময়ৰ মূল্য দিব লাগে কথা বতৰা নপতাকৈ**
**সময়ৰ মূল্য দিব লাগে পঢ়া শুনা কৰি**

**চান্দমামাৰ বছৰেকীয়া বৰঙনি :**
**ভাৰতত ১২০.০০ টকা মাথোন**

Payment in favour of CHANDAMAMA INDIA LIMITED for details address you enquires to :
Publication Division, Chandamama Buildings, Vadapalani, Chennai-600 026

nutrine
Maha Cruise
Ahoy!
nutrine
MAHA
LACTO
Nutrine Maha Lacto. The Best Lacto in Town.

রসনা খাও, প্র্যাংকি পাও !
FREE!
PRANKIES
FUN CREATURES. FUN ERASERS.
৩০-এরও বেশি প্র্যাংকি বিনামূল্যে !*
* একটি করে প্রত্যেক ৩২ গ্লাস রসনা সফ্‌ট ড্রিঙ্ক কনসেন্ট্রেট প্যাকে।
Packs also available without this offer. Offer valid till stocks last.
NEW Rasna ORANGE
Mudra:RASNA:99/473 TEL